ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ০৯/০৭/২০২৬ বৃহস্পতিবাৰ

আজি ইংৰাজী ০৯/০৭/২০২৬ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰী ৰণজিৎ কুমাৰ দাস মহোদয়ৰ অধ্যক্ষতাত দিনটোৰ বাবে সদনৰ কাৰ্যসূচী আৰম্ভ হয়

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৬১। মো: আশ্ৰাফুল ইছলাম শ্বেইখ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মো: আশৰাফুল ইছলাম সেখ, পৰ্বতঝোৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Supplementary প্ৰশ্ন এটা আছিল। The Assam Education (Provincilisation of services of Teachers and Re-organisation of Educational Institition) Amendment Act, 2017 ৰ পিছত যিসমূহ বিদ্যালয় প্ৰাদেশীকিকৰণ কৰিলে তাক আদৰণী জনাইছোঁ। কিন্তু তাৰ পিছত যিসমূহ বিদ্যালয় বাদ পৰি থাকিল, এই বিদ্যালয়সমূহ The Assam Education (Provincialisation of Services of Teachers and Reorganisation of Educational Institutions) (Amendment) Act, 2025, এই আইনৰ আওতাত বিদ্যালয়সমূহৰ পৰা অনলাইন যোগে তেখেতসকলৰ সংশ্লিষ্ট বিদ্যালয়সমূহৰ পৰা আবেদন বিচৰা হৈছে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰিব খুজিছোঁ যে এই বিদ্যালয়সমূহ কিমান সময়ৰ ভিতৰত প্ৰাদেশীকিকৰণ কৰা হ'ব ? আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা যিটো আমি সকলোৱে জানো, সেই বিষয়টোত মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, যে ভেনচাৰ স্কুলসমূহ পয়ালগা অৱস্থাত আছে । এই ভেনচাৰ স্কুলসমূহৰ শিক্ষকসকলে

আত্মহত্যা কৰি আছে আৰু টিউটৰসকলৰ চাকৰিসমূহ কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব ? LP, ME, GT, PGT লৈকে যি টিউটৰ আছে অসমত, এই টিউটৰসকলে ১০,০০০ ৰ পৰা ১২,০০০ টকাকৈ পায়। মাননীয় অধ্যক্ষ মহোদয়, ১০,০০০ আৰু ১২,০০০ টকা দি এখন সংসাৰ নচলে আৰু PGT শিক্ষকসকলৰ ভিতৰত, এজন শিক্ষককহে বছৰত B.Ed কৰিবলৈ deputation ত পঠোৱা হয় আৰু এজন শিক্ষকে সেই B.Ed কৰাৰ পিছতহে, deputation ত অহাৰ পিছত সেই চাকৰি নিয়মীয়াকৰণ কৰা হয় । সেইটো আমি ভাল পাইছোঁ। কিন্তু এনেকৈ যদি এজন এজনকৈ নিয়মীয়াকৰণ কৰা হয় তেতিয়াহ'লে বহুত সময় লাগিব । এনেকুৱা হ'ব যে কিছুমান শিক্ষক আপোনাৰ অৱসৰ ল'বলগা পৰিৱেশ হ'ব । মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, যাতে NCERT ত লিখে নহ'লে অসমত B.Ed বিদ্যালয়সমূহৰ seat বৃদ্ধি কৰি ইয়াত B.Ed পঢ়াৰ সুবিধা দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Please sit down. আপুনি একেবাৰে ধাৰাপাত গাই দিলে কিমান উত্তৰ দিব ? আপুনি চাপ্লিমেণ্টেৰী এটাহে সুধিব পাৰে। এইকাৰণে বাকী সদস্যসকলে প্ৰশ্ন কৰিব নোৱাৰে। এটা বিষয়তে ধাৰাপাত গালে উত্তৰ কেনেকৈ দিব ? মাননীয় মন্ত্ৰী ডাঙৰীয়া আপুনি যিমানখিনি উত্তৰ দিব পাৰে দিয়ক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মাননীয় সদস্যয়ে চাপ্লিমেন্টাৰী সোধা নাই মই সকলোৰে জ্ঞাতৰ্থে জনাব বিচাৰোঁ, যে আমাৰ আদৰ্শ বিদ্যালয়ৰ সংগঠনৰ অধীনত অসমৰ প্ৰত্যেকটো সমষ্টিত এখন এখন আদৰ্শ বিদ্যালয় খোলাৰ কথা আছিল । আমি এতিয়ালৈকে ৫৮ খন বিদ্যালয় আৰম্ভ কৰিলোঁ। যিবিলাক বিধানসভা সমষ্টিত এতিয়াও আদৰ্শ বিদ্যালয় স্থাপন হোৱা নাই , যদি তেওঁলোকৰ হাতত কোনো ধৰণৰ প্ৰস্তাৱ আছে তেনেহ'লে আমাৰ হাতত জমা দিবৰ কাৰণে মই অনুৰোধ জনাইছোঁ । দ্বিতীয় কথাটো হ'ল যে Provincialisation ৰ কাৰণে ইতিমধ্যে যোৱা চৰকাৰৰ দিনত ২০২৫ চনত Provincialisation আইনখনৰ সংশোধনী হ'ল আৰু সংশোধনী হোৱাৰ পাছত তৎকালীনভাৱে আমি এটা portal মুকলি কৰিলোঁ য'ত শিক্ষানুষ্ঠান আৰু

শিক্ষানুষ্ঠানত নিয়োজিত হৈ থকা যিসকল দাবীদাৰ বা যিসকলে Provincialisation বিচাৰিছে তেওঁলোকৰ পৰা আবেদন সংগ্ৰহ কৰা হ'ল । ইয়াৰ পূৰ্বে প্ৰত্যেক জিলাত তেওঁলোকে লিখিত আবেদন কৰিব লাগিছিল, তাৰ পাছত জিলা পৰ্যায়ৰ কমিটিয়ে scrutiny কৰিছিল । কিন্তু এইবাৰ আমি পোনপটীয়াকৈ আবেদন গ্ৰহণ কৰিছোঁ আৰু ইতিমধ্যে আমাৰ যি আবেদন আহিছে বৃহৎ সংখ্যক আবেদন আহিছে– LP স্কুলত ৬,১৭৩ খন, Upper-Primary ত ১০,১০১ খন, হাইস্কুলত ৫,৭৩৩, Senior- Secondary ত ১,২২২, Higher Secondary ত ২০১ আৰু ডিগ্ৰী কলেজৰ পৰা ১,৬৯৮ খন আবেদন ইতিমধ্যে আমাৰ portal ত আহিছে । এতিয়া আইনৰ আধাৰত এইখিনিৰ scrutiny আৰম্ভ হৈছে । এখন এখনকৈ সকলোৰে যুক্তিযুক্ততা, তেওঁলোকৰ eligibility, criteria fulfill কৰে নে নকৰে এইখিনি scrutiny কৰি তাৰ ওপৰত চৰকাৰখনে আইন মতে সিদ্ধান্ত গ্ৰহণ কৰিব । টিউটৰসকলৰ ক্ষেত্ৰত যিহেতু আমাৰ শিক্ষা ব্যৱস্থাটো National Council for Teacher Education, NCTE ৰ দ্বাৰা regulated. গতিকে NCTE ৰ norms যেতিয়া fulfill নহয় আমি তেওঁলোকক শিক্ষক হিচাপে নিয়োজিত কৰিব নোৱাৰোঁ। আমি টিউটৰ হিচাপে নিয়োজিত কৰিছোঁ আৰু টিউটৰসকলৰ যি Fixed-Pay আছে যোৱা চৰকাৰৰ দিনতে আমি ২০২৫-২৬তে এই সিদ্ধান্ত গ্ৰহণ কৰিছোঁ যে এতিয়াৰ পৰা টিউটৰসকলৰ যি মাননি আছে, প্ৰতি বছৰে ৬ শতাংশ হাৰত সি বৃদ্ধি পাই গৈ থাকিব আৰু তাৰ কাৰণে পুনৰ আমি ইয়াত কোনো সিদ্ধান্ত ল'বলগীয়া নাই । ই automatically 6% কৈ বাঢ়ি গৈ থাকিব । ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** কওঁক।

**মো: আশৰাফুল ইছলাম সেখ, পৰ্বতঝোৰাঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ দ্বিতীয়টো supplementary question আছে । মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, যে আমাৰ শিক্ষকসকলৰ, টিউটৰসকলৰ মাননি 6% কৈ বৃদ্ধি কৰি আছে । যদি পিজিটি টিচাৰ্ছৰ দৰমহা বা consolidated pay আজিৰ তাৰিখত ১৮,৯০০ টকা বুলি যদি মই ধৰো তেনেহ'লে তাৰ ৬ % কিমান হয় ? ১,০০০ টকা ? গতিকে ১০০০-১,৫০০ টকাহে বাঢ়িব । এই মাননি বৃদ্ধিটোৱে এজন শিক্ষকৰ

সংসাৰ চলাব নোৱাৰে। টিউটৰসকলৰ ক্ষেত্ৰত বিভিন্ন শিতানত আমি মাননীয় শিক্ষামন্ত্ৰীৰ কিছুমান ভাল পদক্ষেপ দেখাও পাইছোঁ যেনে Special TET অনুষ্ঠিত কৰে । Special TET with relaxation দি পেলাই এই টিউটৰসকলক মকৰল কৰিব পাৰিলে তেখেতসকলক পাৰ্মানেণ্ট কৰিব পাৰিলে ভাল হয় । কাৰণ ৫৮ বছৰীয়া বৃদ্ধগৰাকী, ৬০ বছৰীয়া বৃদ্ধগৰাকী আজিৰ তাৰিখত টেট পৰীক্ষা দি পাছ কৰাটো তেখেতসকলৰ কাৰণে যথেষ্ট কঠিন হৈ পৰিব। সেইকাৰণে টিউটৰসকলক যদি আপোনাৰ TET with relaxation যদি কৰিব পৰা যায়, এনেকুৱা প্ৰভিজন লৈ পেলাই, এটা এমেণ্ড কৰি পেলাই হ'লেও যদি কৰিব পৰা যায়, তেতিয়াহ'লে অসমৰ যিমান টিউটৰ আছে, গোটেই টিউটৰ সকলে এটা পৰিত্ৰাণ পাব আৰু তেখেতসকলেও দোৱা কৰিব যে এই চৰকাৰখনে এটা ভাল কৰিছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Hon'ble Minister please reply.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থা এক দীৰ্ঘ পৰিক্ৰমাৰ মাজেদি আহিছে । আৰু আজি অসমৰ শিক্ষাৰ মানদণ্ড আমি উন্নত কৰিব পাৰিছোঁ। ২০১২ চনৰ পৰা যেতিয়াৰ পৰা চৰকাৰে টেট শিক্ষক নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে, আমি গুণগতভাৱে ভাল শিক্ষক পোৱা আৰম্ভ কৰিছোঁ। এতিয়া টেট পৰীক্ষাত শিথিলতা, এইটো কোনো ধৰণেই গ্ৰহণযোগ্য কথা নহয় । বা শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিখিনি NCET য়ে norms and rules বান্ধি দিছে, তাত আপোচ কৰা, তাত শিথিলতা অনা মানেই হ'ল যে আমি অসমৰ শিক্ষানুষ্ঠানত গুণগত শিক্ষাৰ ক্ষেত্ৰত আমি compromise কৰিছোঁ । সেই compromise আমাৰ চৰকাৰখনে কোনো পৰিস্থিতিতে নকৰে । যিহেতু টিউটৰসকলে কিমান দৰমহা বা মাননি পাব, সেইটো এই বিধানসভাই পাছ কৰা আইনখনতে উল্লেখ আছে । সেই সময়ত সকলো বিধায়কে তাত ডিবেটত অংশগ্ৰহণ কৰিছে, আনকি ২০২৫ ৰ যিখন সংশোধনী আইন, সেই আইনখনত আছে, এইটো কোনো executive order নহয়। এইটো কোনো কেবিনেটৰ সিদ্ধান্ত নহয় । আইনখনতে টিউটৰসকলৰ

মাননি কিমান হ'ব আইনত লিখা আছে। আৰু আইনখন সংশোধন কৰি কোৱা হৈছে যে এইটো 6% কে বাঢ়ি যাব আৰু 6% কে বাঢ়ি গ'লে তেওঁলোকে সেইখিনি সকাহ পাব । যদি তাৰ মাজত তেওঁলোকে professional qualification আয়ত্ত কৰিব পাৰে, তেতিয়াহ'লে তেওঁলোকক টিচাৰলৈ উন্নীত কৰা যাব । আৰু বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত ভাৰত চৰকাৰ খুবেই serious, আমি অসম চৰকাৰো খুবেই serious । ইয়াত qualitity ত, eligibility ত কোনো compromise কৰা নহয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** বেবী বেগমক মহিলা হিচাপে preference দিয়া হ'ল।

**বেবী বেগম, ধুবুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ B.N কলেজখন নামনি অসমৰ ভিতৰত আটাইতকৈ পুৰণি আৰু ঐতিহ্য মণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নহয়নে ? যদি হয় তেনেহ'লে ধুবুৰী জিলাত এখনো বিশ্ববিদ্যালয় নথকা অৱস্থাত ধুবুৰী বিএন কলেজখন এখনি পূৰ্ণ পৰ্যায়ৰ বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'বনে ? যদি হয় তেনেহ'লে এই কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব ?

**মাননীয় অধ্যক্ষঃ** আচলতে প্ৰশ্নটো চাবজেক্টটোৰ লগত মিল নাই, তথাপিও মহিলা সদস্যা হিচাপে, যদিও আপোনাৰ প্ৰশ্নটোৰ লগত বিষয়টোৰ কোনো সমন্ধ নাই সেয়েহে মাননীয় মন্ত্ৰী please reply. মহিলাই যিহেতু কৈছে ।

**বেবী বেগম, ধুবুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো উচ্চ শিক্ষাৰ সৈতে জড়িত।

**ডাঃ ৰণোজ পেগু,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে প্ৰত্যেকখন জিলাত এখন বিশ্ববিদ্যালয় হ'ব । আমাৰ সংকল্পপত্ৰতো উল্লেখ কৰা আছিলে যে প্ৰত্যেকখন জিলাত এখন বিশ্ববিদ্যালয় হ'ব । নিশ্চিতভাৱে ধুবুৰী জিলাত এখন বিশ্ববিদ্যালয় হ'ব। কিন্তু ধুবুৰী জিলাত বহুকেইটা সমষ্টি আছে। সকলো বিধায়কৰ লগত কথা পাতিব লাগিব, তাৰ পাছতহে আমি এটা সিদ্ধান্তত যাব পাৰিম । তাৰ পাছত তাত আন্তঃগাঁথনি, মাটি, এই বহুতখিনি কথা, যাতায়ত, যোগাযোগ এইখিনি চাব

লাগিব। মই সকলো বিধায়কৰ লগত আলোচনা কৰি আমি সিদ্ধান্ত গ্ৰহণ কৰিম
।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় বিধায়ক আব্দুৰ ৰহিম আহমেদ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, চেঙা** ঃ অধ্যক্ষ মহোদয় শিক্ষাৰ লগত বিশেষকৈ **venture** প্ৰতিষ্ঠানসমূহ প্ৰাদেশিকীকৰণ কৰাক লৈ কেইবাবাৰো আইন সংশোধন কৰা হ'ল , আমি সকলোৱে জানো। কিন্তু শেহতীয়াকৈ ২০২৫ চনত যিটো এমেণ্ডমেন্ট কৰা হ'ল। ২০২৫ চনৰ এই এমেণ্ডমেন্টটো আমি আকৌ এবাৰ নতুন কৰিব নোৱাৰো নেকি ছাৰ **?** কাৰণ এই শিক্ষকসকলৰ দীৰ্ঘ দিনৰ অভিজ্ঞতা আছে। নৰ্মেল টিচাৰ চিলেকশ্যনৰ বাবে আমি **Tet** পাতিছো কিন্তু আজি কিয় তেওঁলোকক **relaxation** দিয়াৰ কথা চৰকাৰে চিন্তা কৰিব নোৱাৰে। **At the same time** কিছুমান শিক্ষকৰ পদ আমি ল'লো কিন্তু একেখন স্কুলৰ পৰা কিছুমান শিক্ষকৰ পদ আইনৰ আওতাত ড্ৰ'প কৰিলো। আৰু ছাৰ**,** এককালীন যিসকলে দীৰ্ঘ দিন শিক্ষাৰ লগত জৰিত থাকি চাৰ্ভিচ দিয়াৰ পিচত ৰিটায়াৰ হৈ গ'ল তেওঁলোকক মানবীয় দৃষ্টিকোনৰ পৰা আমি এটা এককালীন সাহাৰ্য্য আমি দিব নোৱাৰো নেকি ছাৰ **?** চৰকাৰে ইমান হিতাধীকাৰী আঁচনি প্ৰস্তুত কৰে গতিকে মই ভাবো অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে এই কথাবিলক মানবীয় দৃষ্টিকোনেৰে চাব লাগে। যিসকলে ভেন্সাৰ শিক্ষানুষ্ঠানত আৰম্ভনিৰে পৰা শিক্ষাদান কৰি আহিছে তেওঁলোকক টেটৰ আওতাত নানি যদি ৰিলেক্সেশ্যন দিয়ে আৰু যিসকলে ইতিমধ্যে ৰিটায়াৰ্ড হৈ গ'ল তেওঁলোকক মানবীয় দৃষ্টিৰে চাই আইন সংশোধন কৰি হ'লেও এটা সাহাৰ্য্য দিব পাৰি নেকি এইবিষয়ে চৰকাৰে চিন্তা কৰিব নেকি অধ্যক্ষ মহোদয় **?**

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঃওঁৰীয়াৰ উত্তৰ **...**।

**ডাঃৰণোজ পেগু, ( মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি )** ঃ মাননীয় অধ্যক্ষ মহোদয়**,** আইনখনৰ কিবা সংশোধন মাননীয় বিধায়কে কৰিব বিচাৰে **,** তেখেত সংশোধনী প্ৰস্তাৱটো আনিব পাৰিলেহেঁতেন যেতিয়া বিলখন উত্থাপন হৈছিল। সেইসময়ত তেখেতে সংশোধনী প্ৰস্তাৱ অনা মোৰ মনত পৰা নাই। কিন্তু এতিয়াও তেখেতে কোনো পৰামৰ্শ দিলে ডিপাৰ্টমেন্টে নিশ্চয় পৰীক্ষা কৰি চাব। দ্বিতীয়তে**,** আমি শিক্ষাৰ অধিকাৰ আইন **NCT** ৰ গাইড লাইন**-** ইয়াক অনুসৰণ কৰি আমি আমাৰ আইনখন প্ৰস্তুত কৰিছো। ধৰক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আছে ২৫ **-**৩০ গৰাকী **,** তাত আমি ৫ গৰাকী শিক্ষকক প্ৰভিন্সিয়েলাইজড কৰিব নোৱাৰো। শিক্ষাৰ অধিকাৰ আইনে কৈছে যে **minimum** যদি ৩০ আছে তাত দুগৰাকী শিক্ষককহে প্ৰাদেশীকিকৰণ কৰিব পাৰিম **,** তৃতীয়াগৰাকীক আমি প্ৰাদেশীকিকৰণ কৰিব নোৱাৰো। এনেকৈ যিসকল শিক্ষক-শিক্ষয়িত্ৰী থাকি গ'ল ,যিসকলক ড্ৰ'প টিচাৰ বুলি কয়**,** এইটো বিবেচনা কৰি আমাৰ পূৰ্ব্বৰ বিত্তমন্ত্ৰীয়ে এককালীন সাহাৰ্য্য দিয়াৰ বাবে গুৰুদক্ষিণা নামৰ এটা আঁচনি ঘোষণা কৰিছিল।

তাৰ বাবে  শিক্ষা বিভাগৰ পৰা আমি গুৰুদক্ষিণা পৰ্টেল খুলিলো। ২০১৮ চনৰ এক্টমতে কোন কোন শিক্ষক বাদ পৰি গ'ল , ২০২১ চনত যিসকলে প্ৰভিন্সিয়েলাইজড হ'ব নোৱাৰিলে আনকি ২০১৩ চনতো যিসকলে প্ৰভিন্সিয়েলাইজড হ'ব নোৱাৰিলে তেওঁলোকক এটা এককালীন সকাহ দিয়াৰ কাৰণে গুৰুদক্ষিণা পৰ্টেল আমি খুলিলো য'ত এতিয়ালৈকে ১৫০০০ জনে আবেদন কৰিছে। এতিয়া এইখিনিৰ ভেৰিফিকেশ্যন হ'ব আৰু খুব সোনকালে চৰকাৰে ইয়াৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, চেঙা** ঃৰিটায়াৰ্ড হোৱা সকলৰ কথা নকলে ছাৰ।

**ডাঃৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি ঃ** ৰিটায়াৰমেন্ট কোনে দিলে **?** গতিকে আমি সকলোখিনি কৰিম,   ডাইচ বা ইউ ডাইচত যিখিনি তথ্য আছে তাৰ ওপৰত ভিত্তি কৰি আমি ব্যৱস্থা ল'ম । কোনোবাই টিচিং কৰিছিলো বুলি ক'লেই নহ'ব তেওঁৰ ডাটা- তথ্য ইত্যাদি ইউ ডাইচ বা ডাইচত থাকিব লাগিব। সেইমৰ্মে আমি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং-৬২- বিজয় কুমাৰ গুপ্তা ডাঙৰীয়া।

**শ্ৰীকৌশিক ৰয়, (মন্ত্ৰী, নগৰ উন্নয়ণ বিভাগ ইত্যাদি) ঃ** অধ্যক্ষ মেহাদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীবিজয় কুমাৰ গুপ্তা, ( গুৱাহাটী চেন্ট্ৰেল )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি  মোৰ সমষ্টিটোৰ এক অতি গুৰুত্বপূৰ্ণ সমস্যাৰ বিষয়ে সদনত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। দূৰ্গাসৰোৱৰ পাহাৰৰ ১১-১২-১৩-২০২১ আৰু ২৭ নং ৱাৰ্ডত বিভিন্ন পাহাৰীয়া অঞ্চলত থকা বাসিন্দাসকলে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱাপানীৰ অভাৱত জীয়াই থাকিব লগা হৈছে। এই অঞ্চলত থকা ৮০,০০০ লোক বসবাস কৰি আছে। এইটো অতি দুখৰ বিষয় যে , আজিও তেওঁলোকে নিয়মীয়া পৰ্যাপ্ত খোৱাপানীৰ শুবিধাৰ পৰা বঞ্চিত হৈ আছে। সেই অঞ্চলৰ বাসিন্দাসকলে দৈনন্দিন পানীৰ প্ৰয়োজনৰ বাবে ব্যক্তিগত পানী টেংকৰ ওপৰত ভৰষা কৰিব লগা হৈছে। যাৰ বাবে হাজাৰ টকা ভৰিবলগীয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি দীঘলীয়া নকৰিব৷ কেৱল প্ৰশ্নটো কৰক ।

**শ্ৰীবিজয় কুমাৰ গুপ্তা, গুৱাহাটী চেন্ট্ৰেল ঃ** ছাৰ,মোক অলপ সময় দিয়ক, মই নতুন বিধায়ক, আগৰ প্ৰশ্নটোত আপুনি ১৫ মিনিট দিছে৷ মই প্ৰশ্নোটোৰ আগতে কথাখিনি কৈ ল'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে  ডিচটাৰ্ব হৈছে বুলি কৈ থাকে । যোৱাকালিও আপত্তি আহিছিল । আপোনালোকে মূল প্ৰশ্নটো নকৰে, বিস্তাৰিতভাৱে ক'বলৈ গ'লে কোৱেশ্যন আৱাৰৰ সময় গুচি যাব গতিকে সকলো কোৱেশ্যন নাহিব।

**শ্ৰীবিজয় কুমাৰ গুপ্তা, গুৱাহাটী চেন্ট্ৰেল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এই অঞ্চলত সাধাৰণ আৰু দুখীয়া লোক বাস কৰি আছে। এই অঞ্চলত খোৱাপানী এটা ডাঙৰ সমস্যা। এই খোৱাপানীৰ সমস্যা তেওঁলোকৰ ওপৰত এটা আৰ্থিক বোজা হৈছে। বিশেষকৈ গ্ৰীষ্মকালীন সমস্যাটো তীব্ৰ ৰূপ ধাৰণ কৰে৷ মহিলা জ্যেষ্ঠ আৰু শিশুসকল সৰ্বাধিক এই সমস্যাৰ প্ৰভাৱ পৰে। আজিৰ দিনত খোৱাপানীৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱাটো অতি চিন্তনীয় কথা। অধ্যক্ষ মেহাদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসম আজি উন্নয়ণৰ দিশে আগবাঢ়িছে। ৰাজ্যৰ প্ৰতিঘৰ ব্যক্তিয়ে মৌলিক অধিকাৰ পোৱাৰ ক্ষেত্ৰত চৰকাৰে নিৰন্তৰ কাম কৰিছে। অসমৰ প্ৰতিঘৰত বিশুদ্ধ খোৱাপানী যোগান দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। মই চৰকাৰক অনুৰোধ জনাও যে মোৰ সমষ্টিৰ দূৰ্গাসৰোৱৰ, আদিংগিৰি পাহাৰ অঞ্চলৰ -১১-১২-১৩-২০২১ আৰু ২৭ নং ৱাৰ্ডত বিশুদ্ধ খোৱাপানী যোগানৰ স্থায়ী সমাধানৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গুৱাহাটী মহানগৰীৰ বক্ষস্থলত বাস কৰা এই ৮০,০০০ মানুহৰ মৌলিক অধিকাৰ হিচাপে খোৱা পানী যোগান নিশ্চিতকৰণৰ বাবে মই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ জনালো। মোৰ দৃঢ় বিশ্বাস যে, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই নেতৃত্বত এই জল সমস্যা সমাধান হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীকৌশিক ৰায়, মন্ত্ৰী, নগৰ উন্নয়ণ বিভাগ ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কগৰাকীয়ে আমাৰ ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ ১১-১২-১৩-২১-আৰু ২৭ এই ৫ টা ৱাৰ্ডত খোৱাপানীৰ সমস্যা ইয়াত দাঙি ধৰিছে। অধ্যক্ষ ডাঙৰীয়া মই আপোনাক জনাও যে, ৱাৰ্ড নং-১১-১২-১৩ এই তিনিটা ৱাৰ্ডত আমাৰ চাউথ ৰেষ্ট, গুৱাহাটী প্ৰজেক্টৰ কাম চলি আছে। আমি অহা ডিচেম্বৰৰ, ২০২৬চনৰ ভিতৰত এই প্ৰজেক্ট সম্পূৰ্ণ কৰি ৩০ হাজাৰ ঘৰত খোৱাপানী যোগান ধৰাৰ টাৰগেট লৈছো। ২১ আৰু ২৭ নং ৱাৰ্ডত চাউথ চেন্ট্ৰেল , গুৱাহাটী ৱাটাৰ চাপ্লাই স্কীম এইটোও ডিচেম্বৰ, ২০২৬ ৰ ভিতৰত সম্পূৰ্ণ হ'ব। এইটো সঁচা যে তাত খোৱা পানীৰ সমস্যা আছে। আমাৰ স্কীমবিলাক চলি আছে, আমি ডিচেম্বৰৰ ভিতৰত কাম সম্পূৰ্ণ কৰিম। মই ভাবো তেখেতৰ যিকেইটা ৱাৰ্ড আছে তাত খোৱাপানীৰ সমস্যা সমাধান হ'ব।

**শ্ৰীবিজয় কুমাৰ গুপ্তা, গুৱাহাটী চেন্ট্ৰেল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা ক'লে মই আপোনাক সুধিব বিচাৰিছো যে ২০০৮ ত গেমনে আমাক এটা নক্সা দিছিল আৰু সেই নক্সা মতে এল এন টি য়ে এতিয়াও কাম কৰি আছে। তাৰ পিছতে বহুত নতুন এৰিয়া ডেভলপ হওক, এই এলেকাত কি হ'ব? ২ নং কথাটো হ'ল এতিয়া ৰিজাৰ্ভাৰ কি হ'ব ? এতিয়াও

ৰিজাৰ্ভাৰৰ কামটো বাকী আছে। আমি ৬ টা ৰিজাৰ্ভাৰৰ ভিতৰত দুই তিনিটা দেখিছো কিন্তু ৰিজাৰ্ভাৰৰ কামটো সম্পূৰ্ণ হোৱা নাই। পাইপলাইন লেয়িংৰ কাম এতিয়ালৈকে হোৱাই নাই, বহুত ঠাইত পাইপ লাইন বহুৱাই নাই আৰু জি মি চি প্ৰথমত যিটো জি এম চি আছিল তাৰ পিছত জি এম চি চাৰেণ্ডাৰ কৰাৰ পিছত জি এম ডি এ ৱাটাৰ ৱৰ্কচ আহিল, তাৰ পিছত এতিয়া জাইকা, এল এন টি, এতিয় জল ব'ৰ্ড তাৰ পিছত এতিয়া নতুন নামাকৰণ দক্ষিণ গুৱাহাটী, পশ্চিম পানী যোগান, দক্ষিণ মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প । নামাকৰণত অকল পৰিৱৰ্তন কৰিলে নহ'ব আমি বিচাৰিছো আমাৰ এটা নিৰ্ধাৰিত যিটো সময় দিছে মাননীয় মন্ত্ৰী মহোদয়ে ডিচেম্বৰত যদি তেখেতে কৰিব পাৰে আমি অতি সুখী হম। আমাৰ ৰাইজে যেতিয়া আমি সমষ্টিত যাওঁ কয় আমাক একো নালাগে পানী দিলেই হৈ যায় । এইটো গুৱাহাটী আমাৰ মেট্ৰপলিটান চিটি, কেপিটেল চিটি, স্মাৰ্ট চিটি পানী যদি ব্যৱস্থা নাথাকে আমাৰ কাৰণে সেইটো বৰ দুৰ্ভাগ্যজনক স্থিতি। অতি সোনকালে এই ব্যৱস্থাটো কৰিব লাগিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰী কৌশিক ৰায়।

**শ্ৰী কৌশিক ৰায়, ( মন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এই দুটাই আঁচনি বহুত বছৰৰ পৰা এইবিলাকৰ কাম আৰম্ভ হৈছিলে। কিন্তু আজিৰ দিনত এইটোতে অধিক পুঁজি লগাই যাতে আমি সময়ৰ ভিতৰত ২০২৬ ৰ ডিচেম্বৰৰ ভিতৰত আমি সম্পুৰ্ণ কৰিব পাৰো, সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এইটো নিৰ্দেশ দিছে আৰু আজি মই এই সদনত কব বিচাৰিছো যে আমাৰ ইয়াতে গুৱাহাটীতে আমাৰ জি এম চিৰ ৱাটাৰ চাপ্লাই স্কিম আছে, পি এই ই ৱাটাৰ চাপ্লাই স্কিম আছে, জল বৰ্ডৰো স্কিম আছে। গতিকে সেইবোৰক জল বোৰ্ডৰ অধীনত আনি একেলগে এটা চিংগুল আম্বেলাক যাতে আমি সকলোকে পানী যোগান দিব পাৰো এনেকুৱা ব্যৱস্থা আমি কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক শ্ৰী তপন দাস ডাঙৰীয়া আপোনাৰ মধ্য গুৱাহাটী লৈ পিনে নে ? পানী টো নাই, পানী টো হলে সকলোৱে কব।

**শ্ৰী তপন দাস, ( ডিমৰীয়া )ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাত্ৰ প্ৰশ্ন এটা সুধিবলৈ দিয়ক। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে আমাৰ ডিমৰীয়া সমষ্টিত ৫৭ ৱাৰ্ড, ৫৮ ৱাৰ্ড, ৮২ ৱাৰ্ড আৰু ৫৫ ৱাৰ্ডত।

**মাননীয় অধ্যক্ষঃ** নাই এইটো নহ'ব। এইটো ডিমৰীয়াটো নহ'ব।

**শ্ৰী তপন দাস, ( ডিমৰীয়া )ঃ** জি এম চি ৰ আন্দাৰতে খোৱা পানীৰ অভাৱৰ কাৰণে সুধিছিলো।

**মাননীয় অধ্যক্ষঃ** খোৱা পানীত সকলো বিধায়কে ক'ব। Sorry। আপুনি নেক্সত ডিমৰীয়া আনিব। এতিয়া প্ৰশ্ন নং ৬৩। মাননীয় বিধায়ক শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী ৰণোজ পেগু, ( মন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী মজিবুৰ ৰহমান, মাননীয় বিধায়ক, দলগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা কথা ভালকৈ জানিব বিচাৰিছো তেখেতে উত্তৰ দিছে। মই পাৰ্চিয়েল চেটিচফেকচন পাইছো আৰু এই পাৰ্চিয়েল চেটিচফেকচনে সুদুৰ এটা প্ৰজন্ম নেক্সট জেনেৰেচন মানে বহুত ক্ষতি হোৱাৰ সম্ভাৱনা আছে। ২০২১ চনৰ পৰা ২০২৬ চন লৈকে অসমৰ বিভিন্ন সমষ্টিত বহু হাইস্কুল হায়াৰ চেকেণ্ডেৰী লৈকে উন্নীতকৰণ কৰা হৈছে আৰু এই ক্ষেত্ৰত মই ধন্যবাদ দিব লাগিব মন্ত্ৰী মহোদয়ক যে বহু হাইস্কুল হায়াৰ চেকেণ্ডেৰী হৈছে। মোৰ সমষ্টিতো নতুনকৈ প্ৰায় ৫ খন হায়াৰ চেকেণ্ডেৰী হৈছে। কিন্তু এটা কথা খুব দুখেৰে কব লাগিব যে যিবিলাক হাইস্কুলত টিচিং কৰি আছিলে পি জি টি টিচাৰ আছিলে উত্তৰত কৈছে যে পি জি টি টিচাৰ দি কিনে আপোনাৰ শিক্ষা দিয়া হৈ আছে। পি জি টি টিচাৰ যিখিনি আছিলে তাৰ পৰা দুই চাৰি পাঁচ জন যেনেকৈ অৰ্থনীতিৰ এজন শিক্ষক ...বৰুৱা হায়াৰ চেকেণ্ডাৰীত আজি ৬ মাহ মান হৈ গ'ল সেই শিক্ষক জন হাইস্কুলত আছিলে পি জি টি ক্লাচ লৈ আছিলে পোষ্ট গ্ৰেজুৰেট টিচাৰ হিচাপে হায়াৰ চেকেণ্ডাৰীত কিন্তু তেখেতক

ট্ৰেন্সফাৰ কৰি দিয়া হ'ল। এই ক্লাছটো কোনে ল'ব এতিয়া ? এই অৰ্থীনিতিৰ ক্লাছটো পলিটিকেল চায়েন্সৰ লৰাই ল'ব নোৱাৰে ছাৰ। গতিকে এনে বহু হায়াৰ চেকেণ্ডাৰী আছে যে পষ্ট গ্ৰেজুৱেট শিক্ষক নথকাৰ কাৰণে ছাত্ৰ নামভৰ্তি লৈছে হায়াৰ চেকেণ্ডাৰীত কিন্তু ক্লাছ কৰিব পৰা নাই। যাৰ কাৰণে ৰিজাল্ট ভাল হোৱা নাই। তেখেতে কৈছে যে আমাৰ ক্লাছ চলি আছে। মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম যে আপুনি এই ক্ষেত্ৰত এটা গুৰুত্ব দিয়ক। আপোনাৰ বিভাগটো হ'ল দেশ গঢ়া বিভাগ। ভৱিষ্যৎ প্ৰজন্ম গঢ়া বিভাগ। অন্য বিভাগত পইছা কাট কৰি হলেও আপোনাৰ বিভাগৰ বাজেট অলপ বৃদ্ধি কৰি আমাৰ নেক্সট জেনেৰেচন কেনেকৈ এই প্ৰযুক্তিৰ যুগত,এই প্ৰতিযোগিতাৰ যুগত নিজকে প্ৰস্তুত কৰিব পাৰিব। এই ক্ষেত্ৰত আমি যদি অৱহেলা কৰো ভৱিষ্যৎ বৰবাদ হৈ যাব। উঠি অহা প্ৰজন্ম শেষ হৈ যাব। গতিকে লগতে এটা কথা কৈছে যে আমাৰ অধ্যক্ষ দিয়াৰ কাৰণে বিধি ব্যৱস্থা প্ৰচেচ চলি আছে। এই প্ৰছেচ ইমান দীঘলীয়া নকৰিব মাননীয় মন্ত্ৰী মহোদয়। যিহেতুকে ২০২১ চনৰ পৰা ২০২৬ চন পাঁচ বছৰ হৈ গ'ল। প্ৰচেছটো আমাৰ উত্তৰত দিছে যে আমাৰ প্ৰছেচটো চলি আছে বুলি  আৰু কিমান বছৰ চলিব প্ৰচেছ ? এইটো যদি ক্লিয়াৰ কৰি দিয়ে তেতিয়াহলে মই নিশ্চয়  আনন্দিত হম। গতিকে এইটো মাত্ৰ মোৰ সমষ্টিত নহয় গোটেই অসমৰ। শিক্ষা বিভাগত এই সমস্যাটো চলি আছে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নৰ উত্তৰ প্লিজ।

**শ্ৰী ৰণোজ পেগু, ( মন্ত্ৰী )** ঃ  মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজনীয়তা ভিত্তিত হাইস্কুলক হায়াৰ চেকেণ্ডাৰলৈ উন্নীত কৰাৰ জৰুৰী সিদ্ধান্তৰ পৰিপেক্ষিতত প্ৰত্যেকখন হাইস্কুলৰ পৰা এটা আন্ডাৰ টেকিং লোৱা হৈছে। যে যিবালক হাইস্কুলত আন্তঃগাঠনি আছে আৰু তাতে কৰ্মৰত গ্ৰেজুৱেট শিক্ষক, যি সকলৰ পোষ্ট গ্ৰেজুৱেট ডিগ্ৰী আছে , পোষ্ট গ্ৰেজুৱেট টিচাৰ হিচাপে তেওঁলোকে একাদশ আৰু দ্বাদশ শিক্ষাদান কৰিব কাৰণে চৰকাৰে তাত পি জি টিচাৰৰ পোষ্ট ক্ৰিয়েট কৰিবলৈ অলপ সময়ৰ প্ৰয়োজন আৰু নিযুক্তি কৰিবলৈ সময়ৰ প্ৰয়োজন। এই অন্তৰ্বতী সময়খিনিত এতিয়ালৈকে ৰেগুলাৰ পি জি টিচাৰ তাত

পষ্ট কৰিব নোৱাৰো । এই অন্তৰ্ৱৰ্তী সময়খিনিত পোষ্টগ্ৰেজুৱেট ডিগ্ৰী থকা, গ্ৰেজুৱেট টিচাৰ যিবিলাক বিদ্যালয়ে শিক্ষাদান কৰিব পৰা যাব বুলি কৈছে, সেই বিদ্যালয় সমূহকে উন্নীত কৰা হৈছে আৰু এনেকুৱা ৪০০-৫০০ খন হাইস্কুলক হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰা হ' ল। এতিয়া ইয়াত আমাৰ পোষ্ট গ্ৰেজুৱেট টিচাৰৰ পোষ্ট ক্ৰিয়েত কৰিব লাগে কিন্তু তাৰ মাজত আমাৰ যি চাৰ্ভিছ ৰোল আছিল, এই চাৰ্ভিছ ৰোলৰ ক্ষেত্ৰত এটা প্ৰস্তাৱ আমি থিক কৰিলো যে আমাৰ শিক্ষা বিভাগত এল পি , ইউ পি কাৰণে বেলেগ, হাইস্কুলৰ কাৰণে বেলেগ চাৰ্ভিছ ৰোল থকাটো অনুচিত। যিহেতু এতিয়া এন ই পি মতে ক্লাছ ওৱান ৰ পৰা ১২ লৈকে বিদ্যালয় শিক্ষা, সামগ্ৰিকভাৱে বিদ্যালয় শিক্ষাৰ এখনেই শিক্ষক শিক্ষয়িত্ৰীৰ কাৰণে এখন Common Unified Service Rule হ'ব লাগে । সেই Common Unified Service Rule ৰ খচৰা প্ৰস্তত কৰা হ'ল আৰু অসমত যিমান শিক্ষক সংগঠন আছে সকলো শিক্ষক সংগঠনৰ তেওঁলোকৰ মতামত তাত লোৱা হৈছে। ইতিমধ্যে শিক্ষক সংগঠন বিলাকে তেওঁলোকৰ মতামত দিছে। এই বিধানসভাতে যিকোনো এটা শুভ দিনত আমি চাৰ্ভিছ ৰোলখন আনিম আৰু সেইখন গৃহীত হোৱাৰ পিছত আমি গ্ৰেজুৱেট টিচাৰ, পোষ্ট গ্ৰেজুৱেট টিচাৰ নতুন চাৰ্ভিছ ৰোল মতে নিয়োগ কৰিম । এই কথাটো মই আজি সদনত জনাইছো । দ্বিতীয় কথাটো হ'ল যে হাইস্কুল যিহেতু আছে ইয়াত হেডমাষ্টাৰ আছিলে, প্ৰিন্সিপাল নাছিল। এতিয়া আমাক প্ৰিন্সিপাল লাগে। আমি ইতিমধ্যে প্ৰস্তুত কৰিছো যে হেডমাষ্টাৰৰ পোষ্টতো এবলিছ কৰি তাত প্ৰিন্সিপালৰ পোষ্ট ক্ৰিয়েট কৰাৰ বা হেডমাষ্টাৰৰ পোষ্টটো প্ৰিন্সিপাললৈ উন্নীত কৰাৰ আৰু এগৰাকী ভাইছ প্ৰিন্সিপালৰ পোষ্ট ক্ৰিয়েট কৰা আৰু এইটো পোষ্ট ক্ৰিয়েচনৰ সোনকালে হ'ব। সোনকালে হলে আমি এই বিদ্যালয় সমূহত প্ৰিন্সিপাল উন্নীত হায়াৰ চেকেণ্ডৰী সমূহত প্ৰিন্সিপাল নিযুক্তি কৰিব পাৰি । নতুন চাৰ্ভিছ ৰোল অহাৰ লগে লগে সেইখন চাৰ্ভিছ ৰোলৰ অধীনতে আমি পি জি টিচাৰৰ পোষ্টটো আনি ক্ৰিয়েট কৰিম। মই এইটো আপোনালোকক আপোনাৰ জৰিয়তে জনাব বিচাৰো যে আমাৰ শিক্ষক সকলৰ কোনো পদোন্নতি নাথাকে- জি টি টিচাৰ, পি

জি টি টিচাৰ পদোন্নতি নাথাকে। কিন্তু আমি নতুন চাৰ্ভিছ ৰোলখনত প্ৰস্তাৱ কৰিম যে তেওঁলোকৰো পদোন্নতিৰ এটা শতাংশ, ১০০ শতাংশ নহয়, ১ টা শতাংশ ডাইৰেক্ট নিযুক্তি হ'ব। ১ টা শতাংশ প্ৰমোচনৰ দ্বাৰা পি জি টি নিযুক্তি হ'ব বা জি টি নিযুক্তি হ'ব আৰু এইটো আমি সোনকালে বিধান সভালৈ প্ৰস্তাৱ লৈ আহিম বুলি মই প্ৰতিশ্ৰুতি দিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ**...নেক্সট চাপ্লিমেন্টিৰি প্ৰশ্ন।

**শ্ৰী মজিবুৰ ৰহমান, ( দলগাওঁ)ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়ে যদি প্ৰতিশ্ৰুতি ৰাখে ভাল কথা। গোটেই অসমৰ কাৰণে ভাল হ'ব। মোৰ চাপলিমেন্টি প্ৰশ্নটো হৈছে মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি –বৰছলা এখন সমষ্টি একদম বৰ্ডাৰ এৰিয়া আৰু এটা হ'ল মাজবাট সমষ্টি আৰু দলগাওঁ সমষ্টি। এই তিনিখন সমষ্টিত এখন বৰ্ডাৰ এৰিয়া আছে। গাওঁখনৰ নাম হ'ল শিলবৰী। এই শিলবৰী গাওঁ পঞ্চায়তটোত ওৰাং ৰাষ্ট্ৰীয় উদ্যানখন অৱস্থিত হৈ আছে। তাতে এখন হাইস্কুল আছে। আজিৰ পৰা ৬০ বছৰ আগতে স্থাপন কৰিছিলে। গতিকে মই অনুৰোধ ৰাখিম এই হাইস্কুলখন হায়াৰ চেকেণ্ডাৰীলৈ মাননীয় মন্ত্ৰী মহোদয়ে যদি কনভাৰ্ট কৰি দিয়ে মই আনন্দিত হম আৰু দুখন চহৰ আছে- চামপুৰ চহৰ আৰু আৰিমাৰি চহৰ, কল্যাণ চাপৰি বুলি কয়। তাত জনসংখ্যা প্ৰায় ৪০ ৰ পৰা ৪৫ হাজাৰ মান হ'ব। এই অঞ্চলটোত কোনো হাইস্কুল নাই। দলগাওঁ পৰা আহিব লগা হলে কমচে কম ২০ কিলোমিটাৰ দুৰলৈ আহিব লাগে। মই যোৱা ৫ বছৰত দুবাৰমান স্কুল ইন্সপেক্টৰত মই অনুৰোধ কৰিছিলো তেখেতে পঠোৱা বুলি কয় যে তিন নম্বৰ চামৰপুৰ এম ই স্কুল খন আপগ্ৰেডেচনৰ কাৰণে হায়াৰ অথৰিটিক পঠাই দিছো কিন্তু আজিলৈকে সেইটো হৈ নুঠিলে। কিন্তু বহু ঠাইত আপগ্ৰেডেচন হৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম আপুনি মোৰ সমষ্টিত, অসমৰ ভিতৰত ইমান নামজ্বলা সমষ্টি ইমান ভোটাৰ ঠেলি দিলে ৩ লাখ ২০ হাজাৰ ভোট, আপোনালোক জানি আচৰিত হ'ব। গতিকে সেই চহৰ অঞ্চলক যদি ইগনোৰ কৰা হয় সেই জনসংখ্যা, লৰা ছোৱালী সকলৰ ভৱিষ্যৎ

কি হ'ব ? মই আপোনাক অনুৰোধ কৰিছো। কাইণ্ড লি আপুনি আপগ্ৰেডেচেন কৰি দিলে নেক্সত বিধান সভাত আপোনাক ধন্যবাদেৰে উপচাই দিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে বিদ্যালয় কেইখনৰ নাম দিলে আমি পৰীক্ষা কৰি চাই সিদ্ধান্ত গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** নুৰুল হুদা।

**মোঃ নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ লগতে নগাওঁ জিলাত ৩৪ খন হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰীত প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ পদ খালী হৈ আছে। এই গোটেই খালী পদ সমূহতে ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে।S ক ৰখা হৈছে। গতিকে ।S জনে গোটেই নগাওঁ জিলাৰ শৈক্ষিক পৰিৱেশটোৰে চাব নে হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব আৰু হায়াৰ ছেকেণ্ডাৰীৰ অধ্যক্ষৰ দায়িত্ব পালন কৰিব ? গতিকে যোগ্যতাসম্পন্ন শিক্ষক থকাৰ পিছতো কিয় সেই বিদ্যালয়সমূহত প্ৰধান শিক্ষক বা হায়াৰ ছেকেণ্ডাৰীত অধ্যক্ষৰ নিযুক্তি দিয়া হোৱা নাই, এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ইয়াৰ লগতে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমান দিনৰ ভিতৰত যোগ্যতাসম্পন্ন শিক্ষকসকলক প্ৰমোচন দি প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ পদত নিযুক্তি দিব ?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। জানিব বিচাৰিছো আৰু কিমান দিনৰ ভিতৰত ?

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, seniority আৰু service period কিমান দিন হ'ল তাৰ ওপৰত ভিত্তি কৰি প্ৰধান শিক্ষকৰ বাচনি প্ৰক্ৰিয়া কৰা হয়। ইয়াকে লৈ হাই কোৰ্টত বহুত কেচ হৈ আছে। গতিকে যিসমূহ জিলাত হাইস্কুলৰ প্ৰধান শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত হাইকোৰ্টত কেচ নাই তাত ইতিমধ্যে আমি প্ৰধান শিক্ষক নিযুক্তি দিছো আৰু যিসমূহ জিলাত হাইকোৰ্টৰ কেচৰ বাধা আছে আমি সেই জিলাসমূহৰ বিদ্যালয়সমূহত প্ৰধান শিক্ষক নিযুক্তি

দিব পৰা নাই। মই আশাবাদী যে আমাৰ হাইকোৰ্টত যি কেচ চলি আছে সেই ক্ষেত্ৰত আমি অতি সোনকালে ৰায় পাম, নিষ্পত্তি হ'ব। আমাৰ gradation list প্ৰস্তুত হৈ আছে, হাইকোৰ্টৰ বাধা আঁতৰি গ'লেই আমি বিদ্যালয়সমূহত প্ৰধান শিক্ষক নিযুক্তি দিম। তাৰোপৰি, আমি আৰু এটা পলিচি গ্ৰহণ কৰিছো যে যিমান সংখ্যক ব্যক্তিয়ে হাইকোৰ্টত কেচ কৰিছে সিমান সংখ্যক বিদ্যালয়ত প্ৰধান শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া স্থগিত ৰাখি বাকী বিদ্যালয়সমূহত প্ৰধান শিক্ষক নিযুক্তি দিব পাৰো নেকি সেই বিষয়ে বিভাগে পৰীক্ষা কৰি আছে আৰু সেইমতে আমি কামখিনি আগবঢ়াম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য উৎপল বৰা।

**শ্ৰী উৎপল বৰা (গহপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে ইতিমধ্যে principal আৰু Vice Principal ৰ নিযুক্তিৰ কথা কৈছে। এইখিনিতে মই এটা কথা জানিব বিচাৰিছো যে ২০১৩ চনত কিছুমান পদ provincialized কৰিছিল। হায়াৰ ছেকেণ্ডাৰীবিলাকত PG Teacher appointment হৈছিল। সেই সময়ত Principal and Vice Principal ৰ পদ কেইটা sanction হোৱা নাছিল। গতিকে এইবাৰ যেনেকৈ Principal and Vice Principal ৰ পদ কেইটা sanctionৰ বাবে লাগিছে ঠিক তেনেকৈ মোৰ গহপুৰ হায়াৰ ছেকেণ্ডাৰীতো Principal and Vice Principalৰ পদ নাই, তাত In-Charge Principal হিচাপে চলাই আছে। এই ক্ষেত্ৰত বিভাগ তথা মন্ত্ৰী ডাঙৰীয়াই কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি মই জানিব বিচাৰিছো। দ্বিতীয়তে, বিশ্বনাথ এখন newly created district। ইয়াত Inspector appointment হৈছে কিন্তু Inspector Office চলাৰ বাবে establishment ত কোনো post নাই। তাত স্কুল, হায়াৰ ছেকেণ্ডাৰীৰ পৰা LDA বা UDA আনি তাত কাম চলাই আছে। তাৰ ওপৰত ব্যৱস্থা ল'ব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। ইয়াৰ লগতে, বিদ্যালয়সমূহত 4th Grade আৰু Establishment ৰ clerical post সমূহ নথকাৰ বহুক্ষেত্ৰত বাবে বিদ্যালয়সমূহত Principal বা In-Charge Principalৰ জৰিয়তে যিবোৰ administrative কাম কৰিবলগীয়া থাকে সেইখিনি কৰাত অসুবিধা হৈছে

। এই ক্ষেত্ৰত বিভাগে বা মন্ত্ৰী ডাঙৰীয়াই কিবা ব্যৱস্থা লৈছে নেকি জানিব বিচাৰিছো।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক উৎপল বৰাই এটা খুব গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উত্থাপন কৰিছে। তেখেতে কোৱা কথাটো সঁচা যে ২০১৩ চনত যেতিয়া provincialization হৈছিল তেতিয়া কিছুমান বিদ্যালয়ত প্ৰধান শিক্ষক eligible নোহোৱাৰ বাবে post সমূহৰ provincialization নহ'ল। এই যিবোৰ post আছিল সেইবোৰ personal post আছিল। অৰ্থাৎ সেই ব্যক্তিজনৰ ৬০ বছৰ বয়সলৈকে post টো থাকিব তাৰ পিছত post টো abolish হৈ যাব যদিহে শিক্ষা বিভাগে post টো retain নকৰে। ইতিমধ্যে যোৱা কাৰ্য্যকালত আমি এটা সিদ্ধান্ত লৈছিলো যিটো কেবিনেট আৰু বিত্ত বিভাগে অনুমোদন জনাইছিল যে ২০১৩ চনৰ provincializationত যিসমূহ পদ personal post অৰ্থাৎ অস্থায়ী হিচাপে create কৰা হৈছিল, সেই personal অৰ্থাৎ অস্থায়ী পদসমূহ স্থায়ী পদলৈ ৰূপান্তৰিত কৰিলো। অৰ্থাৎ সেইবোৰ postৰ vacancy ৰ against ত আমি recruitment কৰিব পাৰিম। যিসমূহ পদ অস্থায়ী ভাৱেও সৃষ্টি নহ'ল সেই পদসমূহ সৃষ্টি কৰিব লাগিব। যিসমূহ পদ অস্থায়ীভাৱে সৃষ্টি হৈছিল তাৰ আমি permanent retention কৰিলো। তাৰে একাংশ পদ convert কৰি Principal বা Head Teacher হিচাপে post create কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৬৪- ৰূপম চন্দ্ৰ ৰয়।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, তথ্য প্ৰযুক্তি ইত্যাদি:** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয় (বাওঁখুংগ্ৰী)ঃ**মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সন্মানীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে তেখেতে উত্তৰটো সদনত দি ৰাখিছে যদিও তেখেতে ইয়াত কোকৰাঝাৰ জিলাৰ কথাটো আনিছে। মই এই চেগতে সন্মান সহকাৰে মন্ত্ৰী মহোদয়ক জনাব

বিচাৰিছো যে বৰ্তমান আমি জীয়াই থাকিবলৈ সংগ্ৰাম কৰা এই মানৱ জাতিটোক যিদৰে অক্সিজেন, খোৱা পানীৰ প্ৰয়োজন, ঠিক একেদৰেই এই ডিজিটেল যুগটোত জীয়াই থকাৰ বাবে মোবাইল নেটৱৰ্ক তথা ইন্টাৰনেট সেৱাৰো একেই প্ৰয়োজনীয়তা আহি পৰিছে। কাৰণ বৰ্তমান সময়ত স্কুল কলেজ সমূহতো স্মাৰ্ট ক্লাছৰ ব্যৱস্থা কৰিছে বা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মোবাইলৰ ব্যৱস্থাপনা কৰিছে। গতিকে সেই অঞ্চলসমূহত যদি নেটৱৰ্কৰ ব্যৱস্থা নাথাকে তেন্তে মই ভাৱো ছাত্ৰ-ছাত্ৰীসকলে বা সেই অঞ্চলৰ ৰাইজে নিশ্চয়কৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব বা ইতিমধ্যে হৈ আছে। মই আপোনাৰ জৰিয়তে সন্মানীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে কোকৰাঝাৰ জিলাৰ বাওঁখুংগ্ৰী সমষ্টিৰ পৰা প্ৰায় ৬-৭ কিঃমিঃ দূৰত্বত বিটিচিৰ সন্মানীয় EM আৰু MCLA সকলৰ কোৱাৰ্টাৰ তাত আছে। তেনে এখন গুৰুত্বপূৰ্ণ ঠাইত মোবাইলৰ নেটৱৰ্ক নাপায়। আপুনি শুনি আচৰিত হ'ব আজিৰ পৰা প্ৰায় ২০ দিন মান আগতে এটা খুব গুৰুত্বপূৰ্ণ বিষয় লৈ আমাৰ সন্মানীয় EM এগৰাকীৰ লগত মোৰ কথা পাতিবলগীয়া আছিল। মই তেওঁক ২০ বাৰ ফোন কৰিও ফোন লগাব পৰা নাই। এই ঠাইখিনিক হৰিণাগুৰি বুলি কোৱা হয়, ইয়াক বাওঁখুংগ্ৰী সমষ্টিৰ heart বুলি ক'লেও ভুল নহ'ব। গতিকে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই হৰিণাগুৰি অঞ্চলটোত কিমান দিনৰ ভিতৰত মোবাইল নেটৱৰ্কৰ ব্যৱস্থা কৰি দি সেই অঞ্চলৰ ৰাইজক সুবিধা কৰি দিব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, তথ্য প্ৰযুক্তি ইত্যাদি:** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত মোবাইল নেটৱৰ্কৰ বাবে Optical Fibre Network প্ৰতিষ্ঠা কৰাৰ প্ৰথম প্ৰক্ৰিয়াটো চেগা চুৰুকাকৈ আৰম্ভ হৈছিল ২০১১ চনত। কিন্তু ২০১৪ চনত মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া অহাৰ পিছত ২০১৫ চনত 'ভাৰত নেট' (BharatNet) নামৰ এক বিশাল programme লোৱা হয় ভাৰতবৰ্ষৰ প্ৰতিটো গাওঁ পঞ্চায়ত broadband network ৰ দ্বাৰা সংযোজিত কৰাৰ কাৰণে। যেতিয়া 'ভাৰত নেট' অসমত আৰম্ভ হ'ল তেতিয়া অসমৰ আটাইকেইখন জিলা তাত অন্তৰ্ভুক্ত নহ'ল। ২৮ খন জিলা অন্তৰ্ভুক্ত

হ'ল কিন্তু কিবা কাৰণত কোকৰাঝাৰ জিলাখন 'ভাৰত নেট' ৰ প্ৰথম পৰ্যায়ৰ পৰা বাহিৰত থাকিল। 'ভাৰত নেট' ত বহুখিনি সমস্যা দেখা গ'ল। বহু খিনি নাটনি থাকিল। এই গোটেইসমূহ সমাধান কৰাৰ বাবে ২০২৩ চনৰ পৰা Amended BharatNet আৰম্ভ হ'ল। Amended BharatNet ত কোকৰাঝাৰ জিলা অন্তৰ্ভুক্ত হ'ল আৰু কোকৰাঝাৰ জিলাৰ প্ৰায়খিনি গাওঁ এই Amended BharatNet ত অন্তৰ্ভুক্ত হৈছে। মোবাইল নেটৱৰ্কটো বুজিবলৈ হ'লে আমি এইটো কথাও বুজিব লাগিব যে আমাৰ যি National network আছে যিটো backbone network সেই নেটৱৰ্কৰ পৰা এই BharatNet ৰ জৰিয়তে প্ৰত্যেকখন গাওঁ পঞ্চায়তলৈ Fibre Optic Connection দিয়া যায়। সেই Fibre Optic Connection দিয়া যায়। সেই fiber optic connection ৰ দ্বাৰা তাত বিভিন্ন স্থানত mobile tower বিলাক স্থাপন কৰা হয় আৰু এই mobile tower স্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰে সম্পূৰ্ণ বিনামূলীয়াকৈ ইয়াৰ দায়িত্ব যিহেতু BSNL ক দিয়া হৈছে, য'তে মাটি লাগে সেইখিনি মাটি যাতে দিয়া যায় আৰু tower সমূহো কোকৰাঝাৰত প্ৰায় ১০০ শতাংশ saturation tower বিলাক হৈছে গাওঁ সমূহৰ ক্ষেত্ৰত এনেকুৱা এটা কথা হয় যে ভাৰতবৰ্ষত যিসমূহ গাওঁ অন্তৰ্ভূক্ত কৰি লোৱা হৈছে এইটো ২০১১ চনৰ census ওপৰত ভিত্তি কৰি। এতিয়া ২০১১ চনৰ census ৰ পিছত গাওঁখন হয়তো সম্প্ৰসাৰিত হৈছে, নতুন চুবুৰী বহিছে, নতুন গাওঁ বহিছে, সেইবিলাক বঞ্চিত হৈ থাকে। নিৰ্দিষ্টভাৱে তেখেতে যদি কোন কেইখন গাওঁ বা কোন কেইটা অঞ্চল mobile network coverage ৰ পৰা বঞ্চিত হৈ আছে, সেইটো আমাৰ বিভাগক জনালে সংশ্লিষ্ট BSNL ৰ লগত আমি কথা পাতি তাত কেনেকৈ coverage টো কৰিব পৰা যায়, কি কাৰিকৰী ত্ৰুতি আছে, সেইখিনও আমি দূৰ কৰাৰ ব্যৱস্থা কৰিম। কাৰণ amended ভাৰত network টো বহুত flexible, ইয়াত কেৱল broadband ৰ ওপৰত আমি নিৰ্ভৰ নকৰো। ইয়াত micro web ও আছে, satellite ও আছে। আমি flexible কিন্তু সকলোবিলাক দূৰণীবটীয়া গাওঁত network দিয়াটোৱে আমাৰ উদ্দেশ্য, সেইখিনি আমি কৰিম। তেখেতে মোক জনালে। ইয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। বাওখুংগ্ৰীক লৈ ক'ব লাগিব। Mobile Network ৰ ওপৰত ক'লে নহ'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বাওখুংগ্ৰীৰ বিষয়টোক লৈ যিটো কথা উত্থাপন হৈছে আমাৰ সেই সময়ত বাওখুংগ্ৰীৰ লগত অসমত যিমান mobile tower আছে, mobile company সমূহ আছে। এইটো গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষঃ** সেইটো নহয়। Please.

**শ্ৰী জীৱেশ ৰয়, বিলাসীপাৰাঃ** মানননীয় অধ্যক্ষ মহোদয়, মোৰ বাওখুংগ্ৰী সমষ্টিৰ অন্তৰ্গত যিহেতুকে সীমান্তমূৰীয়া অঞ্চল ১০ নং বিলাসীপাৰা একেলগে বৃহৎ এটা অঞ্চল আছে৷

**মাননীয় অধ্যক্ষঃ** বাওখুংগ্ৰীক ৰ কথা কওঁক৷

**শ্ৰী জীৱেশ ৰয়, বিলাসীপাৰাঃ** বাওখুংগ্ৰীৰ একেলগে গাতে লাগি থকা৷

**মাননীয় অধ্যক্ষঃ** বাওঁখুংগ্ৰী নহ'ব, Question No. 65. শ্ৰী বদৰুদ্দিন আজমল৷

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মোঃ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ উত্তৰ দিছে, মই তেখেতক ধন্যবাদ জনাইছো। মোৰ চিন্তাটো হ'ল যে আমাৰ অসমৰ Education specially primary level ত যিটো সাংগঠনিক দিশত গৈ আছে, foundation যদি মজবুত নহয়, তেতিয়াহ'লে বিল্ডিং কেনেকৈ বনাব ? Every problem is coming with this education system চাৰে বহুত কষ্ট কৰি আছে, আমি দেখিছো , গাঁৱে, গাঁৱে, এৰিয়াই এৰিয়াই সকলো কাম কৰি আছে, তথাপিও মোৰ কিছু প্ৰশ্ন আছে, এই যে শিক্ষকসকলৰ সমস্যা, শিক্ষক নাই without teacher জানো স্কুল থাকে ? Ultimately কি হ'ব ৩-4 টা ক্লাছ মিলাই এজন শিক্ষকে কৰিব লাগিব৷ How can you control it ? সেইটো কাৰণে মোৰ প্ৰশ্ন হৈছে যে present scenario of education in our state is to be strengthened, Assam Education system is heavily implies shortage of trained teachers. This is a very serious problem, poor building, infrastructure

drinking water, sanitation, boundary wall, playground, smart class, less facilities in rural garden, Tea garden , Char area limited, vocational and job oriented course এই সকলোবিলাক বহুত গুৰুত্বপূৰ্ণ বস্তু। সেইদিনা জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই এই কথাটোৱে উঠাইছে। যদি আমি foundation মজবুত কৰিব নোৱাৰো, it cannot servive. Thank you.

**মাননীয় অধ্যক্ষঃ** Minister reply please. Infrastructure.

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত তেখেতে যিখিনি বিচাৰিছিল, সেই তথ্যখিনি আমি ইতিমধ্যে প্ৰদান কৰিছো। যিটো single teacher ৰ কথা raise কৰিছে, মই এই পবিত্ৰ সদনত আপোনাৰ জৰিয়তে জনাব বিছাৰো যে low enrollment এইটো আমাৰ ৰাজ্যখনৰ কাৰণে এটা বৃহৎ সমস্যা। ২৬ হাজাৰখন গাওঁ আছে, ৪৪ হাজাৰ আমাৰ বিদ্যালয় আছে আৰু এই ৪৪ হাজাৰ বিদ্যালয়ৰ যদি তথ্য বিচাৰে ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ সংখ্যা এল.পিত আছে ২২,১৮৯ Upper Primary ত আছে ৮৫১৭। ৩০ জনতকৈ কম enrollment থকা হাইস্কুল আছে ৩২১৫, হাইয়াৰ চেকেণ্ডাৰী স্কুল তেনেধৰণে সৰ্বমুঠ ৩২,৩২১ খন বিদ্যালয় আছে য'ত আমাৰ enrollment ৩০ তকৈ কম। ৩০ তকৈ enrollment বেছি, এনেকুৱা আছে ১১,৯২২ গৰাকী। এতিয়া PTR ৰ যেতিয়া কথা আহে, যেতিয়া ৩০ জন ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় খনত আমি দুজন শিক্ষক প্ৰদান কৰো, PTR হয় ১৫, ২০ জন ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত যেতিয়া আমি দুজন শিক্ষক প্ৰদান কৰো, তাত PTR হৈ যায়, ১০, ১০ঃ১ 10:1এতেকে এই কম enrollment আৰু বৃহৎসংখ্যক প্ৰাথমিক, আৰু এম. ই. স্কুল এইটোৱে আমাৰ কাৰণে সমস্যা। ইয়াৰ মাজত দুজন শিক্ষক আছে, হঠাৎ এজন শিক্ষকৰ কিবা এটা হ'ল তেওঁ বিদ্যালয় আহিব নোৱাৰা হ'ল, বেমাৰ হ'ল লগে লগে এইখন single teacher স্কুল হৈ যায়। তথাপিও তাৰ মাজত আমি আপ্ৰাণ চেষ্টা চলাই থাকো যাতে single teacher নহয় আৰু যি জিলা প্ৰশাসন আছে, জিলা প্ৰশাসনকো অধ্যক্ষ মহোদয়, বিদ্যালয় শিক্ষা বিভাগৰ পৰা জনোৱা হৈছে যে যেতিয়া প্ৰশাসনিক বা যিকোনো exigency কাৰণে নিৰ্বাচন বানপানী আদি পৰিস্থিতিৰ কাৰণে আমি শিক্ষককো দায়িত্ব দিব লগা

হয়, আমি জিলা আয়ুক্ত সকলক জনাইছো যাতে single teacher থকা বিদ্যালয় বা দুজন শিক্ষক থকা বিদ্যালয়ত এইক্ষক্ষেত্ৰত যাতে ৰেহাই দিয়ে তাৰ কাৰণে আমি আমাৰ ফালৰ পৰা জিলা প্ৰশাসনক জনাইছো। PTR ভাৰতবৰ্ষৰ ভিতৰতে অসমত ভাল। সেই কাৰণে এই PTR টো improve  কৰা প্ৰত্যেকখন বিদ্যালয়ত minimum দুজন শিক্ষক প্ৰদান কৰাৰ ক্ষেত্ৰত আমি amalgamation  merger যিটো আমাৰ শিক্ষাৰ ক্ষেত্ৰত যিখন আঁচনি আছে, সেই আঁচনিখন মই সকলোকে পঢ়িবৰ কাৰণে অনুৰোধ জনাইছো। সেই আঁচনিখনত যদি কিবা সংশোধনী প্ৰস্তাৱ আছে, সেই সংশোধনী প্ৰস্তাৱ আমাক দিলে আমি বিবেচনা কৰিম এইটোও আমি কৈছো যে যদি কিবা geographical barrier আছে একেবাৰে remote area তাত আমি  insist  কৰা নাই যে তাত ৩০ জন থাকিবই লাগিব, ২০ জন থাকিবই লাগিব বুলি insist কৰা নাই। গতিকে সকলোবিলাক দিশ চালি-জাৰি চাই আৰু আজি মই পবিত্ৰ সদনত জনাও আমি survey কৰি আছো এতিয়া। আমি গোটেই আমাৰ যিখিনি তথ্য শিক্ষাসেতু আৰু UDISE ৰ পৰা পাইছো, এই তথ্যৰ আধাৰত কোনবিলাক বিদ্যালয়ক একেলগ কৰিব পাৰি বা নোৱাৰি  এই বিষয়টো আমি পৰীক্ষা কৰি চাই আছো। আমি উপযুক্ত সময়ত সকলোৰে মতামত সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰিম আৰু সেই সিদ্ধান্ত হ'লেই আমাৰ এই সমস্যাৰ সমাধান হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Supplementary.

**মোঃ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** চাৰ, মোৰ supplementary আছে যে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে যিটো কৈছে ভাল, এইটো গোটেই অসমত সমস্যা। Thousands of School, lack of  students চাৰে দুয়োটাই দিব নোৱাৰে। যদি আমাৰ সকলো বিধায়ককে  চাৰে অনুৰোধ কৰে I will take responsibility within 3 months I will fulfilled 330 students I will do everything whatever you need I will do. (হিন্দীত বক্তব্য ৰাখে) চব মিল কে আগাৰ লেংগে তব ইয়ে problem solve হো জায়েগা। চাৰ, উচকে বাগাৰ কেইচে আগবঢ় চাকতা হেই। উচকে বাদ our drop out is more then 6% which is much more than national average 1.5, one single teacher is major challenge to our primary education 22 single teacher schools

are there in my constituency. When will this be fulfilled by more than teacher. Will the Government appoint class wise teacher in primary school as it is major institute in our education for strengthening in future. চাৰ ইচকে লিয়ে I am ready to do in my constituency I am ready to do. Give me the names and address School মে কম হে, I can assure you in the house infront of you within 3 months, I will fulfill it is. আগৰ চাবকো দায়িত্ব দেংগে, চব কৰেংগে I think all will do. This is a very serious Sir.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰীঃ** Amalgamation or Merger ৰ ক্ষেত্ৰত আমি এটা সমীক্ষা কৰিছো। এই সমীক্ষাৰ যি ৰিৰ্পোট আহে, যিখিনি কৰিব লাগে মই সকলো বিধায়কৰ সহযোগিতা কামনা কৰিছো আৰু জিলা কাৰ্য্যালয়ৰ পৰা আমাৰ ওচৰলৈ যিখিনি তথ্য আহিব এই তথ্যখিনি মই মাননীয় বিধায়ক সকলৰ লগত share কৰিম । তেওঁলোকৰ যদি যুক্তি সংগত কিবা কাৰণ আছে যে Merger কৰিব নালাগে, Amalgamation কৰিব নালাগে তেতিয়া বিভাগে নিশ্চিত ভাৱে সেইখিনি বিবেচনা কৰিব বুলি মই আজিৰ এই সদনত আপোনালোকক জনাইছো।

**মঃ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছে যে বিধায়ক হিচাপে মই জনাই আছো আৰু জনাই দিম I Now, you can please write a letter to each and every member about this matter . How serious is this matter? ইচ মে কুছ কৰেঙ্গে ছাৰ ? We are ready to do .

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অহাকালিৰ ভিতৰতে আমাৰ প্ৰত্যেক জিলাত যিখিনি বিদ্যালয়ত less than 30 enrollment আছে , সেই তালিকাখন বিধায়ক সকলক share কৰি দিম।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ, হোজাইঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ হোজাই জিলাৰ কথাখিনি আহিছে , প্ৰথমতে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে যোৱাবাৰো তেখেত শিক্ষা বিভাগৰ মন্ত্ৰী আছিল আৰু এইবাৰো যিহেতু তেখেত এই বিভাগৰ মন্ত্ৰী হৈছে তেখেতে নিশ্চয় ভাল কাম কৰি আছে। কিন্তু এটা ডাঙৰ কথা হ'ল যে rationalization teachers appointment, teachers transfer ৰ কথা যেতিয়া আহে দেখা যায় যে মাইন'ৰিটি অঞ্চল বিলাকত আমাৰ মহিলা সকলে সুৰক্ষাৰ দৃষ্টিত অলপ কষ্ট পাই আছে। মই এইবাৰ বিধায়ক হোৱাৰ পিছত বহু কেচ আহিছে। তেওঁলোকৰ পৰা অভিযোগ আছে যে তেওঁলোকে মাইন'ৰিটি অঞ্চল বিলাকৰ পৰা transfer ল'ব বিচাৰিছে। যোৱাকালি ওডালি অঞ্চলত attempt to rape ৰ কেচ এটা হৈছে আৰু অভিযোগ আহিছে । এইধৰণৰ কেচ বিলাক যেতিয়া আহে তেতিয়া মন্ত্ৰী মহোদয়ে তেওঁলোকৰ চিকিউৰিটিৰ ক্ষেত্ৰত, rationalization ৰ ক্ষেত্ৰত কেনেকৈ সহায় কৰিব পাৰিব এই বিষয়ে আমি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ ভিতৰতে ব্যতিক্ৰমী ভাৱে অসমত শিক্ষকৰ বদলিকৰণক লৈ এখন বিশেষ আইন আছে আৰু এই আইনৰ অধীনত আমি এটা Digital online Portal ৰ জৰিয়তে যোৱা পাঁচটা বছৰত ৪২ হাজাৰ শিক্ষকৰ কোনো ফিজিকেল ফাইল নোহোৱাকৈ কেৱল online মাধ্যমৰ জৰিয়তে বদলিকৰণ সম্পূৰ্ণ কৰিছো। বৰ্তমান আবেদন সমূহ গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া শেষ হৈছে। আইনখন ইতিমধ্যে সংশোধন কৰা হ'ল যে এখন বহিঃ জিলাত কাম কৰাৰ যিটো শিক্ষক সকলৰ সময় নিৰ্ধাৰণ কৰি দিয়া আছিল যে ১০ বছৰ থাকিবই লাগিব, তাক সংশোধন কৰি মহিলাৰ ক্ষেত্ৰত পাঁচ বছৰ আৰু পুৰুষৰ ক্ষেত্ৰত ৭ বছৰ কৰা হৈছে। সেই আইনৰ ব্যৱস্থা অনুযায়ী এতিয়া স্ক্ৰুটিনি হ'ব । যিসকল eligible তেওঁলোকে

transfer পাব । মাননীয় বিধায়ক গৰাকীয়ে যি কথা কৈছে কৰ'বাত যদি emergency situation হয়, জীৱনৰ প্ৰতি ভাবুকি আহে, নিৰাপত্তাৰ প্ৰতি ভাবুকি আহে এই আইনখনে তেখেতক বদলিকৰণ কৰা, বেলেগ এখন স্কুললৈ স্থানান্তৰিত কৰাৰ বাবে জিলা আয়ুক্তক পূৰ্ণ ক্ষমতা দিছে । এইক্ষেত্ৰত জিলা আয়ুক্তই সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে । গতিকে হোজাই জিলাত যদি তেনেকুৱা কিবা কেচ আছে জিলা আয়ুক্তক জনালে তেখেতে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক ড° জয় প্ৰকাশ দাস।

**ড° জয় প্ৰকাশ দাস, নাওবৈছাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে illegal আৰু irregular শিক্ষতকৈ ২০২১ চনত যিসকল শিক্ষকৰ চাকৰি হৈছিল তাৰে কিছু সংখ্যক চাকৰি পাবলগীয়া শিক্ষক বাদ পৰিল । সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই বাদ পৰা শিক্ষক সকলৰ নথি-পত্ৰ ইতিমধ্যে পৰীক্ষা কৰা হৈছে । তেখেত সকলক কেতিয়া নিযুক্তি দিয়া হ'ব ? কাৰণ ইতিমধ্যে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কেইবাটাও সংবাদ মাধ্যমত এই কথাটো কৈছে আৰু লগতে লখিমপুৰ জিলাত বহুত ধৰণৰ হাইস্কুল-হায়াৰ চেকেণ্ডাৰী স্কুল আছে য'ত প্ৰিঞ্চিপাল নাই। সেই প্ৰিঞ্চিপাল সকলক কেতিয়া নিয়মীয়া কৰিব, ভাৰপ্ৰাপ্তখিনিক কেতিয়া নিয়মীয়া কৰিব তাৰ বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুল-হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ নিযুক্তিৰ কথাটো মই ইতিমধ্যে আন এটা প্ৰশ্নৰ অধীনত উত্তৰ দিলো । গতিকে হাইকোৰ্টৰ পৰা যেতিয়াই কেচটোৰ মীমাংসা হ'ব , বাধা আতৰিব তেতিয়াই আমি এই নিয়মীয়া প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ নিযুক্তি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিম। যিসকল illegal আৰু irregular, এই শব্দটোৱে কয় যে তাত এটা বহুত ডাঙৰ illegality বা irregularity

আছিল, হাই কোৰ্টত কেচ চলিছিল, কেইবাখনো কমিশ্যন হ'ল আৰু বহুতখিনি স্ক্ৰুটিনি হোৱাৰ পিছত সেই শিক্ষক সকলক A,B,C,D এই চাৰিটা গ্ৰুপত ভাগ কৰা হৈছিল। যিসকল শিক্ষক তেওঁলোকে continuously সেৱা আগবঢ়াই আছে, তেওঁলোকে এমাহৰ বা দুমাহৰ দৰমহাও পাইছিল সেই শিক্ষক সকলক চালি-জাৰি চাই কেবিনেটে এটা সিদ্ধান্ত .গ্ৰহণ কৰি তেওঁলোকক accommodate কৰিলে আৰু বাকী যিসকল আছিল তেওঁলোকৰ আবেদন সমূহ নাকচ হ'ল। তেওঁলোকৰ সেই আবেদন সমূহ পুনৰ বিবেচনা কৰাৰ কোনো পৰ্য্যায় এতিয়া নাই আৰু যোৱা পাঁচ বছৰে কৰাও হোৱা নাই । গতিকে এইটোৱে ধৰি লোৱা যায় যে যিখিনি illegal আৰু irregular **শিক্ষকৰ** সমস্যা আছে সেইখিনি ইতিমধ্যে সমাধান কৰা হৈছে। যিসকলক আইনৰ আওঁতাত যোগ্য বুলি বিবেচনা৷ কৰা হৈছে তেওঁলোকক ইতিমধ্যে accommodate কৰা হ'ল আৰু বাকীখিনি আবেদন নাকচ কৰা হ'ল।

**শ্ৰী পদ্ম হাজৰিকা, নদুৱাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো দিব পাৰিব। আমাৰ প্ৰাথমিক বিদ্যালয়ত ২০০০ ৰ ওপৰত শিক্ষক আছিল আৰু তেওঁলোকে ২০০১ চনত OBB ৰ চাকৰি পাইছিল **শ্ৰী আব্দুছ ছোব্বাহান আলী সৰকাৰ, গৌৰীপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা এটা প্ৰশ্নত যদি পাঁচটা কৈ supplementary দিয়া হয় তেতিয়া বাকী সকলে কেতিয়া পাব।

**শ্ৰী পদ্ম হাজৰিকা, নদুৱাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাৰ্তাটো যাব লাগে যাতে এই শিক্ষক সকলে হাই কোৰ্ট বা বিভিন্ন সময়ত আন্দোলন কৰিব লগীয়া হৈছিল আৰু মই যেতিয়া বিৰোধীৰ বিধায়ক আছিলো তেতিয়া তাত মই OBB ৰ হৈ বহুখিনি ফাইট কৰিছিলো। গতিকে এই শিক্ষক সকলৰ নৰ্মচ্ মতে ২০০১ চনত নিযুক্তি পত্ৰ পাইছিল। এতিয়া তেওঁলোকক NPS ৰ যিটো পেঞ্চন ব্যৱস্থা আছে সেইটো কৰিব লৈছে। মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে আবেদন জনাম যে সহানুভূতিৰে বিবেচনা কৰি এই ২০০১ চনত যিসকল OBB শিক্ষকক নিযুক্তি পত্ৰ দিয়া হৈছিল তেওঁলোকক OPS ৰ জৰিয়তে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, OBB বা Operation Blackboard ৰ অধীনত নিযুক্তি লাভ কৰা আৰু পিছত চৰকাৰৰ পৰা তেওঁলোকক অব্যাহতি দিয়া আৰু কাৰোবাক অব্যাহতি নিদিয়া এই গোটেই বিষয়টো এটা জটিল বিষয় । OBB ৰ জৰিয়তে সোমাই পিছত যিসকলৰ regularized হ'ল, তেওঁলোকৰ ইচ্ছ্যুটো বেলেগ আৰু যিসকল লোকৰ চাকৰি নিয়মীয়া নহ'ল বা তেওঁলোকে নিয়মীয়া পদৰ বিপৰীতে চাকৰি নাপালে সেই চেপ্তাৰটো ক'বলৈ গ'লে এটা ডাঙৰ ইতিহাস হ'ব। গতিকে যোৱা সময়খিনিত যেনে নলবাৰী জিলাৰ OBB শিক্ষক, যিসকল শিক্ষকক আমি regularized কৰিব নোৱাৰিলো তেওঁলোকক আমি বেলেগ ধৰণে এটা এককালীন সাহায্য দি এটা সন্মান জনাইছো। যিসকল কৰ্মৰত তেওঁলোকৰ service related কিবা যদি ইচ্ছ্যু আছে তেতিয়া আমাক জনালে আমি সেইখিনি আইনৰ আওঁতাৰ ভিতৰত চাই দিম। আপোনালোকৰ যিখিনি কথা আছে গোটেইখিনি মোক লিখিত আকাৰত জনালে মই গোটেই বিষয়টো চাই দিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ৬৬। শ্ৰী আব্দুছ ছোব্লাহন আলী সৰকাৰ।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুছ ছোব্লাহান আলী সৰকাৰ, গৌৰীপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি উত্তৰ পাইছো সেইখিনি sufficient উত্তৰ নহয়। তাৰ ওপৰত যেতিয়া এটা এটা প্ৰশ্নত পাঁচটা কৈ Supplementary দিলে, কিন্তু আমাৰ বিষয়টো ও বহুত জৰুৰী। যেনেকৈ প্ৰতিটো পৰিয়ালত চাৰি বা পাঁচজন ব্যক্তি Ration Card, NFSA card ত অন্তৰ্ভুক্ত কৰা আছে। তাত আৰু কেইজনমান পৰিয়ালৰ সদস্য বৈ গৈছে । তেওঁলোকক অন্তৰ্ভুক্ত কৰা হোৱা নাই । যেতিয়া selection Committee য়ে কাৰ্ড বাচনি কৰাৰ সময়ত এই পৰিয়ালৰ সদস্যক বেলেগ এটা পৰিয়ালত দিয়া হৈছিল। এতিয়া এই পৰিয়ালটোৰ সদস্যৰ লগত এনেকুৱা হৈছে যে এই পৰিয়ালে চাউল নাপায় । এনেকুৱা বহুত বেমেজালি আমাৰ সমষ্টিত

শুনো। ২০২৫ চনত যিটো নিয়ম দিয়া হৈছিল সেই নিয়মৰ আধাৰত আমি এইটো পাইছো যে এটা এটা সমষ্টিত ৪০০০ কৈ পৰিয়ালক ৰেচন কাৰ্ড দিয়া হৈছে। এটা সমষ্টিত ১ লাখ ১০ হাজাৰ ভোটাৰ আছে আৰু মোৰ সমষ্টিত ৩ লাখ ১২ হাজাৰ ভোটাৰ আছে। কোৱা হৈছে এইটো justification হোৱা নাই। এইটো সংশোধন কৰিব লাগে আৰু অহা দিনত ভোটাৰ আৰু জনসংখ্যাৰ ভিত্তিত ৰেচন কাৰ্ডৰ সংখ্যা বৃদ্ধিৰ পৰিকল্পনা কৰিব লাগে আৰু  চৰকাৰে তেনেকুৱা অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৌশিক ৰায়, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুছ ছোবাহন আলী সৰকাৰ ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে আমি যোৱা দুই-তিনিবাৰ আমাৰ চৰকাৰ অহাৰ পিছত মই যেতিয়া এই বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিলো, সেই সময়ত আমাৰ প্ৰায় ৬০ লাখ হিতাধিকাৰী আমি ডিলিট কৰিছিলো  আৰু তাৰপিছত আমি ৪৫ লাখ হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰিলো। দ্বিতীয় পৰ্য্যায়ত আমি ২০২৪ চনত, ২০২৫ চনৰ জানুৱাৰী মাহত আৰু ১৯ লাখ হিতাধিকাৰী আমি অন্তৰ্ভুক্ত কৰিলো। যোৱা বছৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কেবিনেটে সিদ্ধান্ত লৈছিল যে প্ৰতিটো সমষ্টিতে আমি সমান ভাৱে যাতে দিব পাৰো তাৰ কাৰণে এটা সিদ্ধান্ত হৈছিল যে অসমৰ ১২৬ টা সমষ্টিতে ৪০০০ কৈ ৰেচন কাৰ্ড আমি দিব পাৰিম। এই প্ৰচেচটো আমি সম্পূৰ্ণ কৰিছো আৰু গৌৰীপুৰ সমষ্টিতো ৪০০০ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ যি কাম সেইটো সম্পূৰ্ণ হৈছে। মই আজি আপোনাক ইয়াত ক'ব বিচাৰো যে আমাৰ Verification Committee আছিল আৰু এই Verification Committee ৰ পিছত এখন স্ক্ৰুটিনি কমিটি আছিল। তেওঁলোকে এই কামটো কৰিছে। আমাৰ ২০১১ ত যিটো cencus হৈছিল, সেই cencus মতে ২ কোটি ৫১ লাখৰ এটা capping দিয়া আছিল। সেইকাৰণে তাতকৈ বেছি আমি কৰিব নোৱাৰো। After cencus যেতিয়া আমাৰ  capping টো কেন্দ্ৰীয় চৰকাৰে বঢ়াব তেতিয়া আমি আৰু নতুনকৈ তাত অন্তৰ্ভুক্ত কৰিব পাৰো  সেই ব্যৱস্থা আমি গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ। আপোনালোকে গোটেই কথাখিনি কলে, এইখনি লোকপিয়লৰ পিছত কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেচন কাৰ্ডৰ ক্ষেত্ৰত দেখা যায় যে একে পৰিয়ালৰে বহুত মানুহৰ নাম অন্তৰ্ভূক্ত নহয়। সেই নামবোৰ অন্তৰ্ভূক্ত কৰিবলৈ যাওতে বহুতো জটিলতা আছে আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যে মন্ত্ৰী ডাঙৰীয়ালৈ মই অনুৰোধ জনাইছো যদি কোনোবা মানুহ গুৰুতৰ বেমাৰত আক্ৰান্ত হয় আৰু তেওঁৰ পৰিয়ালৰ পৰিচয় পত্ৰ নাথাকিলে তেওঁক সেইটো সুবিধা দিব লাগে। কিন্তু সেইটো কৰিবলৈ যাওঁতে বিভাগে বহুত দীঘল প্ৰক্ৰিয়া লয়। যাৰ ফলত আক্ৰান্ত মানুহজনে যদি অপাৰেচন কৰিবলগীয়া আছে তেতিয়া সেই সুবিধা নাপায়। গতিকে এইক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিব মন্ত্ৰী ডাঙৰীয়াই জনাব লাগে।

**মাননীয় অধ্যক্ষঃ** গুৰুতৰ ৰোগত আক্ৰান্ত হোৱা ৰোগীয়ে সুবিধাৰ পৰা বঞ্চিত হৈ আছে। মাননীয় মন্ত্ৰী।

**শ্ৰী কৌশিক ৰায় (মন্ত্ৰী)** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই আমাক যি কথাটো কৈছে সেই ক্ষেত্ৰত আমি এতিয়ালৈকে ৫ লাখ ৪ হেজাৰ হিতাধিকাৰী যোগ কৰিছো আৰু পিছত আমি প্ৰতিখন জিলাৰ আয়ুক্তলৈ, যিবোৰ ডাঙৰ জিলা তাত ১ হেজাৰ আৰু যিবোৰ সৰু জিলা তাত ৫০০ কৈ আমি আয়ুক্ত ডাঙৰীয়াক দি থৈছো যে কৰ্কট ৰোগে হওঁক বা আন Critical আন বেমাৰ যদি কিবা থাকে তেতিয়া হ'লে জিলা আয়ুক্তৰ তাত আবেদন কৰিলে হ'ব আৰু আয়ুক্ত সকলে আমাক দিলে আমি একে দিনাই কৰি দিব পাৰো , আৰু এইক্ষেত্ৰত মোকো জনালে লগে লগে কৰি দিয়াৰ ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষঃ** এইটো অকল কৰ্কট ৰোগৰ কাৰণে নহয় অন্যান্য Critical যিকোনো বেমাৰ হ'লে এইটা প্ৰযোজ্য হব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** ধন্যবাদ।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূৱ-গোৱালপাৰাঃ** Point of Order আছে মহাশয়।

**শ্ৰী আমিনুৰ ৰছিদ চৌধুৰী, (দক্ষিণ কৰিমগঞ্জ)ঃ** মহাশয়, পৰিপূৰক প্ৰশ্ন ললে মোৰ কিন্তু তিনি দিনৰ পৰা এটাও প্ৰশ্ন আনিব পৰা নাই।

**মাননীয় অধ্যক্ষঃ** আপুনি কি কৰিব, আপুনি লটাৰীত আহা নাই। এতিয়া Point of Order l

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)ঃ** Point of Order আছে মহাশয়। মই মহাশয় বহুত বাৰ হাত দাঙিলো আপুনি নিদিলে। মোৰ জলেশ্বৰ সমষ্টিত বাইছাখাৰোবাত যিখন মহিলা মহাবিদ্যালয় আছে সেইখন যোৱা ৮ বছৰ আগতে আৰম্ভ হৈছিল কিন্তু দুই তিনি বছৰ ধৰি কামটো বন্ধ হৈ আছে। কিহৰ কাৰণে বন্ধ হৈ আছে ?

**মাননীয় অধ্যক্ষঃ** এইটো প্ৰশ্ন নে Point of Order ?

**শ্ৰী আফতাৱ উদ্দিন মোল্লা, ( জলেশ্বৰ )** Point of Order .

**মাননীয় অধ্যক্ষঃ** Point of Order তেনেকুৱা নহয়। আপুনি বহক।

**শ্ৰী আবুল কালাম ৰশিদ আলম,পূৱ-গোৱালপাৰা ঃ** অধ্যক্ষ মহোদয় মোৰ প্ৰশ্ন নং ৭৪ (ক) নং ২ ইয়াত কোৱা হৈছে যে গোৱালপাৰা জিলাৰ বাবে এটা ডাঙৰ আঁচনি আছে ১৪৫ কোটি টকাৰ। ইয়াৰ কাম চলি থকা বুলি কৈছে ২০২৫ চনৰ অক্টোৱৰৰ মাহৰ পৰা কিন্তু তাত কাম চলি থকা নাই। এতিয়ালৈকে Drawing টোয়ে অনুমোদন হোৱা নাই, মাটি পৰীক্ষা কৰা নাই আৰু DPR যদিও বনাইছে সেইটো Practical Field ৰ লগত মিল নাই। কিন্তু আগতিয়াকৈ ১১ কোটি ৪৩ লাখ টকা দিছে। ইয়াৰ আগতেও দুটা আঁচনিৰ টকা মাৰি খাইছে গতিকে তাৎক্ষনিক ভাৱে ইয়াৰ এটা তদন্ত দিব লাগে।

**মাননীয় অধ্যক্ষঃ** আপুনি সেইটো লিখিত ভাৱে মোক দিয়ক।

**শ্ৰী আবুল কালাম ৰশিদ আলম,পূৱ-গোৱালপাৰা** ঃ ধন্যবাদ।

**শ্ৰী আমিনুৰ ৰছিদ চৌধুৰী,(দক্ষিণ কৰিমগঞ্জ)**ঃ মহাশয়, মোৰ এটা Point of Order আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি Point of Order ক'ব পাৰে যদিহে ইয়াৰ লগত জড়িত।

**শ্ৰী আমিনুৰ ৰছিদ চৌধুৰী,(দক্ষিণ কৰিমগঞ্জ)**ঃ মহাশয়, মোৰ সমষ্টিৰ দক্ষিণ কৰিমগঞ্জত এখনে ক'লেজ আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি ভূল তথ্য পাইছে যে Point of Order টো কিহৰ ওপৰত। প্ৰশ্নৰ ওপৰত নহয়। আপোনালোক দুইজনে মোৰ কাৰ্য্যালয়ৰ কোঠালৈ আহিব মই আলোচনা কৰিম। ইয়াৰ পিছত শূণ্য কালীণ ঘন্টা। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰক আমাৰ অসম বাতৰিকাকত প্ৰকাশিত জাপানীজ এনকেফেলাইটীজ সকলো জিলালৈ সতৰ্ক হৈ থকাৰ নিৰ্দেশ শীৰ্ষক বিষয়টো উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)**ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ৭ জুলাই তাৰিখে আমাৰ অসম বাতৰি কাকতত প্ৰকাশিত জাপানীজ এনকেফেলাইটীজ সকলো জিলালৈ সতৰ্ক হৈ থকাৰ নিৰ্দেশ শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অতিকৈ গুৰুত্বপূৰ্ণ অসমত মানুহৰ স্বাস্থ্যৰ প্ৰতি অহা ভাবুকি বিষয়টো আপুনি সদনত উত্থাপন কৰিবলৈ দিয়াৰ বাবে বহুত ধন্যবাদ জনাইছো। জাপানীজ এনকেফেলাইটীজ ৰোগে প্ৰত্যেকবছৰে অসমৰ বিভিন্ন প্ৰান্তত মানুহৰ জীৱন লয়, আৰু জাপানীজ এনকেফেলাইটীজ ৰোগ কুলেস্ক প্ৰজাতিৰ মহৰ জৰিয়তে মানুহৰ দেহলৈ আহে যাৰফলত মানুহ আক্ৰান্ত হৈ এটা সময়ত বহুতে চিকিৎসালয়ত গৈ জীৱন-মৃত্যুৰে যুজ দি থাকে আৰু কিছুমান মৃত্যুৰ মুখত পৰে

। আমি সকলোয়ে জানো যে জাপানীজ এনকেফেলাইটীজ ৰোগৰ নিশ্চত ভাৱে কোনো ঔষধ নাই। কিন্তু ইয়াক আমি প্ৰতিৰোধ কৰিব পাৰো আৰু প্ৰতিৰোধৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰীয়ে কিছুদিন আগতে বিভাগীয় বিষয়াসকলক লৈ এখন মিটিং কৰি জিলালৈ সতৰ্ক হৈ থকা নিৰ্দেশ দিছে। আমি যদি পৰিসংখ্যা হিচাপে চাবলৈ যাওঁ তেতিয়া দেখা পাম যে বেচৰকাৰীভাৱে বিভিন্ন বাতৰিকাকতত ইয়াৰ লগত চৰকাৰী হিচাপৰ মিল নাথাকিবও পাৰে। ২০২১ চনত প্ৰায় ৪০ জন মানুহ মৰিছে, ২০২২ চনত ৯৬ জন, ২০২৩ ত ৩৪ জন, ২০২৪ ত ৫৩ জন, ২০২৫ ত ৮০ জন আৰু ২০২৬ চনৰ বৰ্ত্তমানলৈ কেইবাজনো মানুহ মৃত্যুমুখত পৰিছে। এইবোৰ সংবাদ মাধ্যমৰ জৰিয়তে বাতৰি প্ৰচাৰ হৈছে। মোৰ কথা হ'ল যিহেতু ইয়াৰ প্ৰতিৰোধৰ বাবে কোনো ধৰণৰ ঔষধ নাই গতিকে এই বেমাৰটো হোৱাৰ আগতে এনেকুৱা কিছুমান ব্যৱস্থা ললে স্বাস্থ্য বিভাগে তেতিয়া এই বেমাৰৰ পৰা মানুহক আমি ৰক্ষা কৰিব পাৰিম । এই ক্ষেত্ৰত বছৰে বছৰে দেখা যায় যে যেতিয়া অসমৰ কোনো এখন চিকিৎসালয়ত জাপানীজ এনকেফেলাইটীজৰ দৰে বেমাৰত মানুহৰ মৃত্যু হব তাৰ পিছত বাতৰি প্ৰকাশিত হব , সামাজিক মাধ্যমত যেতিয়া বাতৰি প্ৰকাশিত হব বা বিভিন্ন অঞ্চলত ইয়াক লৈ স্বাস্থ্য বিভাগত জবাৱদিহি কৰিব তেতিয়াহে স্বাস্থ্য বিভাগে সভা পাতে আৰু পদক্ষেপ লয় । বৰষুণ হোৱাৰ লগে লগে এই কুলেস্ক প্ৰজাতিৰ মহে মানুহক কামোৰা আৰম্ভ কৰে আৰু এই মহে যেতিয়া কামুৰিবলৈ আৰম্ভ কৰে ই মানুহে হওঁক বা গাহৰিৰ ৰ্ফামে হওঁক চৰাইয়ে হওঁক, খেতি পথাৰৰ পৰা মানুহৰ দেহলৈ আহাৰ সম্ভাৱনা থাকে । গতিকে আমি সকলোৱে জানো স্বাস্থ্য বিভাগেও জানে, স্বাস্থ্যমন্ত্ৰীয়ো জানে, চৰকাৰেও জানে যে এই মহে এবাৰ কামোৰাৰ লগে লগে বা এই ভাইৰাচ আমাৰ গা লৈ অহাৰ পিছত মানুহৰ মগজুয়ে কাম নকৰা হয় । গতিকে এনেকুৱা এটা গুৰুত্বপূৰ্ণ ভাইৰাচৰ বিষয়ত যি ভাইৰাচে প্ৰত্যেকটো বছৰতে অসমত মানুহৰ জীৱন লৈ যায় গতিকে এই বিষয়ত বিভাগে কিয় আগৰ পৰা সতৰ্ক হৈ নাথাকে । গতিকে এই বিষয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ প্ৰশ্ন । দ্বিতীয় কথা হল ইয়াৰ পৰা আমি কেনেকৈ হাত

সাৰিব পাৰো। ইয়াৰ বাবে মানুহৰ মাজত প্ৰচাৰ কৰিব লাগিব। আঠুৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগে, যাতে মানুহে আঠুৱা ব্যৱহাৰ কৰে। ঔষধ যুক্ত আঠুৱা মানুহৰ মাজত বিতৰন কৰিব লাগিব, অঞ্চলসমূহ চিনাক্ত কৰিব লাগিব, কোনবোৰ ঠাইত এনেকুৱা মহ আছে আৰু কোন অঞ্চলত মানুহ গলে আক্ৰান্ত হয় । ইয়াৰ বাবে আমি চিকিৎসালয়ত ঔষধৰ ব্যৱস্থা কৰিব লগিব । তাৎক্ষনিকভাৱে জাপানীজ এনকেফেলাইটীজ  ৰোগত আক্ৰান্ত হলে অতি সোনকালে যদি চিকিৎসাৰ ব্যৱস্থা নকৰো আমি যদি অতি সোনকালে পৰীক্ষাৰ ব্যৱস্থা কৰি এই বেমাৰটো যদি ৰোগটো নিৰ্ণয় কৰিব নোৱাৰো, তেতিয়াহ'লে এটা সময়ত গৈ কোনো ঔষধে কাম নিদিব । অত্যন্ত দুখৰ কথা যে 'জাপানীজ এনকেফেলাইটিছ' ৰোগত আক্ৰান্ত হোৱা বহু ৰোগীৰ ক্ষেত্ৰত হস্পিতালত বিচনাৰ অভাৱ, ICU ত বিচনাৰ অভাৱ। হস্পিতালত যিখিনি বিচনা থাকে আগৰ পৰা তাত ৰোগী ভৰ্তি হৈ থাকে । গতিকে এনেকুৱা 'জাপানীজ এনকেফেলাইটিছ ৰোগীৰ ক্ষেত্ৰত হস্পিতালত ICU ৰ বিচনা নোহোৱাকৈ বিকল্প কোনো চিকিৎসাৰ ব্যৱস্থা নাথাকে, ICU ৰ বিচনাৰ অভাৱতো বহু মানুহৰ মৃত্যু হয় । গতিকে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি অনুৰোধ জনাইছো যে অত্যন্ত গুৰুত্বপূৰ্ণ  স্বাস্থ্য জনিত এটা সমস্যা, 'জাপানীজ এনকেফেলাইটিছ আগৰ পৰা চলি আছে। ইয়াক আমি সম্পূৰ্ণ ভাৱে নিৰ্মূল কৰিব নোৱাৰো, কিন্তু ইয়াক আমি বাধা দিব পাৰো, ইয়াক আমি প্ৰতিৰোধ কৰিব পাৰো । তাৰ কাৰণে স্বাস্থ্য বিভাগে যাতে আগতীয়াকৈ ব্যৱস্থা লয় । যাতে অসমৰ কোনো মানুহৰ প্ৰাণ জাপানীজ এনকেফেলাইটিছ ৰোগে যাতে কাঢ়ি ল'ব নোৱাৰে, তাৰ কাৰণে বিভাগে ব্যৱস্থা লোৱাৰ আহ্বনেৰে মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আপুনি ৫ মিনিট সময়ৰ ভিতৰত উত্তৰ প্ৰদান কৰিব।

**শ্ৰী অশোক সিংহল, স্বাস্থ্য মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক Japanese Encephalitis-ৰ ওপৰত এক গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ বাবে বহুত ধন্যবাদ জনাইছোঁ।

এই সুযোগতে মই এই পৱিত্ৰ সদনক চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহ কেৱল অৱগত কৰিবলৈ নহয় বৰঞ্চ অসমৰ ৰাইজক, জনসাধাৰণক এই সংক্ৰমণ কেনেকৈ বিয়পে, মহৰ দেহাত এই সংক্ৰমন কেনেকৈ হয় আৰু ইয়াক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি, জনসাধাৰণৰ অংশগ্ৰহণে কেনেকৈ মানুহৰ জীৱন ৰক্ষা কৰিব পাৰে, সেই বিষয়ে ৫ মিনিটৰ ভিতৰত কোৱাৰ কাৰণে প্ৰয়াস কৰিম।

Acute Encephalitis Syndrome (AES) is not a single disease. It is a group of serious conditions in which the brain becomes affected. JE, অৰ্থাৎ Japanese Encephalitis, is one important cause of AES. The danger signs, অৰ্থাৎ symptoms-সমূহ হ'ল fever with confusion, unusual sleepiness, abnormal behaviour, difficulty in speaking, seizure or loss of consciousness.

মোৰ স্পষ্ট আহ্বান থাকিব যে যদি কোনো ব্যক্তিৰ জ্বৰ হয় বা তেনেধৰণৰ symptoms দেখা দিয়ে, তেন্তে ঘৰত অপেক্ষা নকৰি, ঘৰুৱা চিকিৎসা নকৰি immediately স্বাস্থ্য কেন্দ্ৰ বা চিকিৎসালয়লৈ আহিব লাগে। Delay in treatment and referral can cost a life, যদি দেৰি হয় মানুহৰ মৃত্যু হ'ব পাৰে। How does it spread?  Hon'ble Speaker Sir, there is a considerable misunderstanding about how JE spreads. Therefore, I want to explain it very clearly. Every mosquito does not carry JE virus. JE is spread through the bite of an infected Culex mosquito. But the important question is how does mosquito itself become infected ? মহৰ দেহত এই virous কেনেকৈ আহে ?

মাননীয় অধ্যক্ষ মহোদয়, the JE virus is maintained in nature mainly through a cycle involving certain water birds and pigs. অৰ্থাৎ চৰাই আৰু গাহৰিৰ দেহত এই বিজানুটো থাকে। মহে যেতিয়া প্ৰথমে JE-আক্ৰান্ত চৰাই বা গাহৰিক কামোৰে, লগে লগে এই ভাইৰাছটো মহৰ দেহত প্ৰৱেশ কৰে আৰু

তাত বৃদ্ধি পায়। পিছত সেই মহটোৱে মানুহক কামোৰিলে ভাইৰাছটো মানুহৰ দেহত প্ৰৱেশ কৰি মগজুত প্ৰভাৱ পেলায় আৰু মই আগতে উল্লেখ কৰা বিভিন্ন symptoms দেখা দিয়ে। সেয়েহে চিকিৎসা পলম হোৱাটো বৰ ভয়ংকৰ কথা। এই season ত  জ্বৰ হ'লে immediately hospital-লৈ যাব লাগে। বিধায়ক ডাঙৰীয়াই বহুখিনি প্ৰশ্ন কৰিলে, তাৰ উত্তৰত মই ক'ব বিচৰা বহুখিনি কথাও বিধায়ক ডাঙৰীয়াই কলে । মই কেৱল এটা কথা যোগ দিব বিচাৰিছোঁ যে এই cycle-টো আমি কেনেকৈ ভাঙিব পাৰোঁ। মহৰ দেহত যেতিয়া ভাইৰাছটো প্ৰৱেশ কৰে, ৯ৰ পৰা ১২ দিনৰ incubation period থাকে, Depending on the environmental conditions, the infected mosquito becomes capable of transmitting the virus through its bite. The transmission chain is therefore bird/pig to mosquito  and mosquito to human being. It is never pig to human being or birds to human being. তাৰ অৰ্থ হ'ল, গাহৰি বা চৰাইৰ পৰা মানুহলৈ এই ৰোগ পোনপটীয়াকৈ নাযায় আৰু মানুহৰ পৰাও মানুহৰ দেহাত এইটো নাযায়। কেৱল mosquito যাৰ গাত JE virus  গাহৰি বা চৰাইক কামোৰাৰ কাৰণে আহিছে, এই মহটোৱেহে JE virus মানুহৰ গাত সংক্ৰমিত কৰিব পাৰে।

Now, why is Assam vulnerable? অসমত এই ৰোগৰ সংখ্যাটো বেছি হোৱাৰ কাৰণ কি ? Assam's heavy monsoon, extensive paddy cultivation, waterlogged areas and favourable mosquito breeding conditions, together with the presence of natural host in many rural areas makes our state vulnerable. Cases generally rise during the monsoon and post-monsoon period when mosquito density increases. এই ভাইৰাছটো অসমৰ যিটো পৰিৱেশ, হাবি-জংঘল, অসমত বসবাস কৰা যিবিলাক অঞ্চলত গাহৰি মানুহে খায়, সেই খাদ্য হিচাপে গাহৰি ব্যৱহাৰ হয়, কিন্তু তাৰ গাত JE virus-বহু দিনলৈ JE virous টো থাকে I There is no single action that can control JE. Five measures must work together. -

প্ৰথমটো হ'ল vaccination, JE vaccination ইতিমধ্যে আৰম্ভ কৰা হৈছে। Immunization যিটো Programme আছে, নৱজাতক শিশুক যিটো vaccination কৰা হয় তাত JE vaccine ও দিয়া হয়। Adult vaccination-ও চলি আছে। আমি প্ৰায় 75% area cover কৰিব পাৰিছোঁ।

দ্বিতীয়টো হ'ল prevention of mosquito bites and reduction in mosquito breeding। অৰ্থাৎ মহৰ বংশবৃদ্ধি নহয়, Stagnant water নাথাকিলে মহৰ বংশবৃদ্ধি কমিব আৰু মহৰ বংশবৃদ্ধি ৰোধ কৰিব পাৰিলে, এই ৰোগৰ পৰা বহুতখিনি আমি মুক্তি পাব পাৰো।

তৃতীয়টো হ'ল, early detection of fever with danger signs। জ্বৰৰ লগত danger signs থাকিলে তৎক্ষণাত চিকিৎসালয়লৈ যাব লাগে।

চতুৰ্থটো হ'ল, immediate treatment, stabilization and safe referral।

পঞ্চমটো হ'ল strong surveillance and rapid response to every suspected case।

এই পাঁচটা ব্যৱস্থা একেলগে ৰূপায়ণ কৰিব পাৰিলে JE যথেষ্ট পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা যাব। চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই বিষয়ে আপোনাৰ জৰিয়তে সদনক অৱগত কৰিব বিচাৰিছোঁ। ২০২৬ চনৰ JE season-ৰ বাবে ফেব্ৰুৱাৰী মাহৰ পৰাই প্ৰস্তুতি আৰম্ভ কৰা হৈছে। প্ৰতিটো জিলাত Nodal Officer নিয়োগ কৰা হৈছে। প্ৰতিটো Medical College আৰু District Hospital-ত coordination ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু আপুনি ক'লে যে ICU bed উপলব্ধ নহয়। কিন্তু JE patient-ৰ বাবে প্ৰতিটো Medical College-ত ICU bed reserve কৰি ৰখা হৈছে, যাতে হঠাতে কোনো JE patient আহিলে এক মিনিটো অপেক্ষা কৰিবলগীয়া নহয়। দুদিন আগতে মই সকলো District Officials, Medical College, Principal, Superintendent-সকলৰ সৈতে Video Conference-ৰ জৰিয়তে প্ৰায় ডেৰ ঘণ্টা বৈঠক অনুষ্ঠিত কৰি এই বিষয়ত

অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাইছোঁ। SOP issue কৰা হৈছে। Medicine available আছে, Oxygen available আছে। আন এটা গুৰুত্বপূৰ্ণ ব্যৱস্থা হ'ল, যদি কোনো JE ৰোগীৰ private hospital-ত চিকিৎসা হয়, তেন্তে চৰকাৰে এক লাখ টকা অনুদান হিচাপে JE ৰোগীক দি আছে । কিন্তু ইয়াত সমস্যাটো হ'ল যে ৰোগীয়ে প্ৰথমে private hospital-লৈ যায়, চিকিৎসা আৰম্ভ কৰে, কিন্তু private hospital-সমূহ JE treatment-ৰ বাবে সম্পূৰ্ণৰূপে equipped নাথাকে। ফলত ৰোগীৰ অৱস্থা অধিক অৱনতি ঘটে। তাৰ পিছত যদি ৰোগীজনক Medical College-লৈ অনা হয়, সেইটো ভাল হৈ নাযায় । যদি immediately চিকিৎসা আৰম্ভ হয়, তেন্তু JE patient-ৰ জীৱন ৰক্ষা কৰিব পৰা যায়। এইবাৰ 147 AES/JE cases আহিছে। তাৰ ভিতৰত 10 জনৰ মৃত্যু হৈছে আৰু 137 জন সম্পূৰ্ণ সুস্থ হৈ সমাজলৈ ঘূৰি গৈছে।

আপোনাৰ জৰিয়তে মই জনাব বিচাৰিছোঁ যে JE vaccination campaign ইতিমধ্যে Dhubri, Sribhumi, Bongaigaon, Charaideo, Majuli আৰু Sonitpur জিলাত সম্পন্ন হৈছে  আৰু আমাৰ বৰপেটাকে ধৰি Bajali, Nalbari, Darrang, Kamrup, Karbi Anglong আদি জিলাতো vaccination programme চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথাটো হ'ল, যে এইবাৰ যদি hotspot ধৰি লওঁক বৰপেটা। অহাবাৰ বৰপেটা hotspot নহ'বও পাৰে। আমি এইবাৰ যুদ্ধকালীন তৎপৰতাৰে আগতীয়াকৈ preparation কৰি যদি সংক্ৰমণ নিয়ন্ত্ৰণ কৰি দিলো, তেন্তে দেখিব যে বেলেগ এটা ঠাইত এই সংক্ৰমণটো আৰম্ভ হ'ল  আৰু  JE patient টো তাত ওলাব আৰম্ভ কৰিলে। আনকি Kamrup Metro-ত বহু patient ওলায়। অকল গ্ৰাম্য অঞ্চলতেই নহয়, Kamrup Metro-তো patient ওলায়। এই কাৰণে  ইয়াৰ উপায় কি আছে আমি চিন্তা কৰিব লাগিব আৰু আৰু আপোনাৰ মাধ্যমত মই অসমৰ ৰাইজকো এটা appeal কৰিব খুজিছো যে abnormal fever থাকিলে immediately Government health facilities লৈ আহিব লাগে সময় নষ্ট কৰিব নালাগে আৰু আপোনাৰ মাধ্যমত মই ensure কৰিব খুজিছোঁ যে every newborn child will get JE vaccination

মানুহে নিজক ৰক্ষা কৰিবৰ কাৰণে আঠুৱা ব্যৱহাৰ কৰিব লাগে। আঠুৱা ব্যৱহাৰ কৰাৰ পৰম্পৰা আছিল। আগতে সকলোৱে আঠুৱা ব্যৱহাৰ কৰিছিল। লাহে লাহে আধুনিকতাৰ ফলত মানুহে আঠুৱা ব্যৱহাৰ কৰা বন্ধ কৰিলে আৰু JE ৰ পৰা প্ৰতিৰোধ কৰাৰ এটা মানুহৰ হাতত যিটো অস্ত্ৰ আছে, সেইটো হ'ল আঠুৱা ব্যৱহাৰ কৰা। ঘুৰি ফুৰি থাকোতে, কাম কৰি থাকোতে সাধাৰণতে মহে কামুৰি নলয়, কিয় আমি সচেতন হৈ থাকো। ৰাতি টোপনি যাওঁতে যেতিয়া মহে কামোৰে, এই বিজানুটো আমাৰ দেহত আহে। সেইকাৰণে পানী জমা হোৱা, mosquito breeding কৰাৰ কাৰণে স্থান দিয়াটো ঠিক নহয়। and I would like to conclude, অধ্যক্ষ মহোদয়, JE is a serious disease but we are not helpless against it. It is vaccination preventable. The risk can be reduced, cases can be detected early, lives can be saved through timely treatment and referral. My appeal through this August House is simple. Take vaccination, protect yourself from mosquito bites, prevent mosquito breeding, recognize the danger signs, and most important, do not delay in seeking treatment. The Government and people must work together to protect every family of Assam from JE and AES আৰু এই কামবোৰ যদি আমি কৰো, আমি অলপ যদি সচেতন হৈ থাকোঁ, JE ৰ ওপৰত চৰকাৰে বিজয় প্ৰাপ্ত কৰিব, যদি জনসাধাৰণে এক আন্দোলনৰ ৰূপ লৈ ইয়াত সহযোগ আগবঢ়ায়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ। এতিয়া মই মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ। '' বরাক উপত্যকার অন্যতম গুরুত্বপূর্ণ এন এইচ- ৬ তথা মালিডোর-বদরপুর সড়কের বেহাল অবস্থার সম্পর্কে'' শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ( কাটিগড়া সমষ্টি)** – মাননীয় অধ্যক্ষ মহোদয়, বরাক উপত্যকার গুরুত্বপূর্ণ **NH-6** মালিডোর টু বদরপুর, শিলচর টু সুতারকান্দি, কালাইন টু বরখলা, এই রাস্তাগুলোর বেহাল অবস্থা। এই বিষয়ে

সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, ভগবান শ্রীকৃষ্ণ বলে গিয়েছেন— শরীর সুন্দর হয় না, সুন্দর হয় ব্যক্তির কর্ম, ব্যক্তির বাণী, ব্যক্তির বিচার, ব্যক্তির সংস্কার, ব্যক্তির চরিত্র, ব্যক্তির জীবনধারা। অধ্যক্ষ মহোদয়, বিগত ৫ বছর মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা মহোদয় এই ইনফ্রাস্ট্রাকচারের ক্ষেত্রে আসামের রাস্তাঘাট, আসামের ব্রিজেস বা অন্যান্য বিভিন্ন ক্ষেত্রে যেভাবে আসামকে নিয়ে গিয়েছেন এবং আসামকে রিপ্রেজেন্ট করেছেন, এবং আসামের যে একটা আমূল পরিবর্তন করেছেন, সেটা আমরা অস্বীকার করতে পারি না। বিধায়ক হিসেবে আমি ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, বতর্মানে মালিডোর টু বদরপুর রাস্তার খুব খারাপ অবস্থা। আসলে পিডব্লিউডি ডিপার্টমেন্টের সঙ্গে আমাদের মনিটরিং হয়, আমরা কথাবার্তা বলি, কিন্তু NHIDCL এর সঙ্গে যখন মনিটরিং হয়, আমাদের মন্ত্রী মহোদয় বা ওনারা যখন মনিটরিং করে, ওনারা কিন্তু ঠিকভাবে আমাদেরকে গ্রহণ করেন না। ওনারা ওনাদের এজেন্ডা লাগিয়ে থাকেন। কাজ করবেন, ওনাদের মতে। কোন দিন কাজ আরম্ভ হয়, কোন দিন কাজ শেষ হয়, সেই বিষয়ে আমরা অনেক কিছু জানি না, আমাদেরকে অবগত করানো হয় না। ভারতবর্ষের বিভিন্ন জায়গা থেকে অফিসাররা আসেন, কিন্তু আমাদের অঞ্চল সম্বন্ধে ওনাদের যে আন্তরিকতা থাকা দরকার, সেই আন্তরিকতা ওনাদের থাকে না। তার জন্য আমাদের অনেক সমস্যার সম্মুখীন হতে হয়। অধ্যক্ষ মহোদয়, NH-6 মালিডোর টু কালাইন, সেখানে শর্ট টাইম মেইনটেনেন্সে প্রথম অবস্থায় ১৮/০২/২০২৬-এ ২৮.৬২ কোটি টাকা স্যাংশন হয়েছিল এবং সেকেন্ড টাইম আবার টেন্ডার হলো, সেটা ১৪/০৫/২০০৬ এ ২৬ কোটি ২৭ লক্ষ টাকা। এখন আবার LOA ইস্যু করা হলো, ২২ কোটি ২৯ লক্ষ টাকা। অর্থাৎ ১৫% সেটাতে মাইনাস করে টেন্ডার হলো। তার জন্য অধ্যক্ষ মহোদয়, কাজের যে গুণগত মান, সেই গুণগত মান অক্ষুণ্ন রাখা যায় না। আমাদের বরাক ভ্যালির মানুষ এই রাস্তাঘাট নিয়ে অনেক সমস্যার সম্মুখীন হচ্ছে সেটা আমরা অস্বীকার করতে পারি না। প্রত্যেক দিন রিল বানানো হয়, প্রত্যেক দিন নতুন নতুন স্টোরি

বানানো হয়, সেটা অস্বীকার করার মতো নয়। আমরা সবাই জানি যে তুফান হয়, তুফান হওয়ার পর কিন্তু আবার  ঠান্ডা সুন্দর পরিবেশ হয়ে যায়। সবাই জানেন যে শুকনোর সিসনে রাস্তা হবে, কিন্তু সোশ্যাল মিডিয়াতে সেই ব্যাপারটা যাতে মানুষের মধ্যে  একটা বিরূপ প্রতিক্রিয়া সৃষ্টি করা যায়, তার জন্য দেখা যায় যে সমহারে ওনারা সোশ্যাল মিডিয়ায় বিভিন্ন কথাবার্তা বলে থাকেন।  আমাদের টাকা স্যাংশন আছে , মুখ্যমন্ত্রী মহোদয় টাকা দিয়েছেন, আমরা জানি আরও বড় বড় সুন্দর রাস্তা গড়ে উঠবে । এই মুখ্যমন্ত্রীর সময় আমাদের আমূল পরিবর্তন হবে আমাদের বিশ্বাস, আমাদের বরাকবাসীর বিশ্বাস। আমাদের সেটা একটা সংকল্প যে এই মুখ্যমন্ত্রী আমাদের বরাকের জন্য কাজ করবেন, সেটা আমাদের বিশ্বাস। কিন্তু অধ্যক্ষ মহোদয়, NHIDCL যে ভাবে আন্তরিকতার সহিত কাজ করা উচিত ছিল, টাকা থাকা সত্ত্বেও ওনারা কিন্তু সেইভাবে কাজ করছেন না । সেকেন্ডলি, আরেকটি রাস্তা,  বরখলা টু কালাইন রোড, সেটা ৩১/০৩/২০২৩ এ  ১০৩ কোটি টাকা স্যাংশন হয়েছিল । কথা ছিল যে ২৯/০৯/২০২৫-এ সেটার কাজ  সমাপ্ত হবে । কিন্তু  কন্ট্রাক্টর সেই কাজটা করলেন না। তাই  সেটা আবার নতুন করে টেন্ডার করা হলো, ১০৩ কোটি টাকার এবং নতুন করে  BIDPL DSC Joint venture এ  সেই কাজ করবে । তো বিষয়টি দাঁড়ালো যে ,  আমাদের  টাকা স্যাংশন আছে, টেন্ডার করা হলো, কন্ট্রাক্টর কাজ করছেন না, এখন  আবার টেন্ডার করা হলো, এখন আবার নতুন LOA ইস্যু করা হলো । কিন্তু মানুষ যে ভুক্তভোগী, মানুষ যে বিপদে, সেটা বিধায়ক হিসেবে আমাদেরকে বলতেই হবে । মুখ্যমন্ত্রীর উপর অগাধ বিশ্বাস মানুষের, কিন্তু NHIDCL ডিপার্টমেন্ট সেইভাবে কাজ না করার দরুন আজকে এই অবস্থা।  আমি অধ্যক্ষ মহোদয়, আপনার মারফতে  মন্ত্রী মহোদয়ের কাছে অনুরোধ করব, মাননীয় মুখ্যমন্ত্রী যাতে একটা স্টেট লেভেলে  রিভিউ মিটিং করেন প্রত্যেকটি রাস্তা নিয়ে। আমাদের শিলচর টু  সুতারকান্দি, শ্রীভূমি শহরের ও মারাত্মক অবস্থা । শিলচরের বিধায়ক এখানে আছেন তিনি জানেন।  কিন্তু NHIDCL  যেভাবে কাজ করা উচিত ছিল, সেইভাবে কাজ করছে না, তাই  আমি

অনুরোধ করব, এখন মোটরেবল করে রাখা হোক, শুকনো সিজনে কাজ হবে ডিপার্টমেন্টকে যাতে সেইভাবে ইন্সট্রাকশন দেওয়া হয়। পিডব্লিউডি ডিপার্টমেন্ট ভালো কাজ করছে, পিডব্লিউডি ডিপার্টমেন্ট আমাদের সঙ্গে মিলে কাজ করছে, আমরা সাজেশন দিচ্ছি, কিন্তু NHIDCL আমাদের কথা শুনছে না অধ্যক্ষ মহোদয়। আমি বিশ্বাস করি মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে একটা রিভিউ মিটিং হোক এবং বরাকের রাস্তাঘাট, NHIDCL এর রাস্তাঘাট নিয়ে একটা আলোচনা করা হোক এবং সামনের দিনে আমি বিশ্বাস করি, আমাদের অগাধ বিশ্বাস যে মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে সামনের সিজনে আমাদের প্রত্যেকটা রাস্তার একটা আমূল পরিবর্তন হবে । সবাইকে ধন্যবাদ জানিয়ে, নমস্কার জানিয়ে আমার বক্তব্য শেষ করলাম।

**শ্ৰীৰাজদ্বীপ গোৱালা** :- মাননীয় অধ্যক্ষ মহোদয়, আমি আপনার পার্মিশন নিয়ে কিছু add করতে চাই৷

**মাননীয় অধ্যক্ষ** :- এতিয়া মাননীয় লোকনির্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ সংসদীয়া পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী )** :- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কাছাৰ জিলাৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰাস্তাৰ কথা আজি সদনত শুণ্যকালীন ঘণ্টাৰ যোগেদি উপস্থাপন কৰিছে আৰু তেখেতে কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে। অধ্যক্ষ মহোদয়, আমি উপলব্ধি কৰোঁ যে, আমাৰ চৰকাৰে যোৱা দহ বছৰত, অসম চৰকাৰে আৰু যোৱা ১২ বছৰ ৬ মাহত কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ লগতে অসমৰ লগতে বৰাক উপত্যকাৰো ৰাস্তাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। অধ্যক্ষ মহোদয়, আমি যেতিয়া আগতে শিলচৰলৈ যাওঁ, শিলচৰৰ পৰা যদি আমি কৰিমগঞ্জলৈ যাওঁ, আজিৰ পৰা দহ বছৰ আগতে শিলচৰৰ পৰা যদি কৰিমগঞ্জলৈ যাওঁ, তেতিয়া অধ্যক্ষ মহোদয় সময় লাগিছিল তিনি ঘণ্টা। অধ্যক্ষ ডাঙৰীয়া, আমি উপলব্ধি কৰো, আমাৰ চৰকাৰে যোৱা ১০ বছৰত আৰু যোৱা চাৰে বাৰ বছৰত কেন্দ্ৰীয় চৰকাৰে

ভাৰতৰ লগতে, অসমৰ বৰাক উপত্যকাৰো ৰাস্তাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। অধ্যক্ষ ডাঙৰীয়া, আমি যেতিয়া আগতে শিলচৰলৈ যাওঁ, যোৱা ১০ বছৰ আগতে শিলচৰৰ পৰা কৰিমগঞ্জলৈ যাওঁতে ৩ ঘন্টা সময় লাগিছিলে আৰু এতিয়া সময় লাগে ১ ঘন্টা। ঠিক তেনেকৈ শিলচৰৰ পৰা যদি আমি হাইলাকান্দিলৈ যাওঁতে সময় লাগিছিলে আঢ়ৈ ঘন্টা আৰু এতিয়া লাগে ১ ঘন্টা বা ৫০ মিনিট। অধ্যক্ষ ডাঙৰীয়া, হাইলাকান্দিৰ পৰা কৰিমগঞ্জলৈ যাওঁতে সময় লাগিছিলে আঢ়ৈ ঘন্টা আৰু এতিয়া লাগে ১ ঘন্টা। গতিকে আমাৰ চৰকাৰৰ দিনত যথেষ্ট কাম হৈছে সেই কথা অনস্বীকাৰ্য্য। মোৰ কেইবাবাৰো অভিজ্ঞতা হৈছিলে শিলচৰৰ পৰা ধৰ্মনগৰ হৈ ত্ৰিপুৰালৈ by road যোৱাৰ। যোৱা প্ৰায় ১০-১২ বছৰ আগতে হৈছিলে শিলচৰৰ পৰা ধৰ্মনগৰলৈ যোৱা ৰাস্তাটো অত্যন্ত বেয়া অৱস্থাত আছিলে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আজি বৰাকবাসী সেই পৰিৱেশৰ পৰা মুক্ত।

অধ্যক্ষ ডাঙৰীয়া, বৰাক উপত্যকাবাসীয়ে প্ৰায় এটা সমস্যাৰ সন্মুখীন হয় যে বাৰিষা সময়ত তেওঁলোকে গুৱাহাটীলৈকে বা ব্ৰহ্মপুত্ৰ ভেলীলৈকে আহিবলৈ অসুবিধা হয়। এই কথাটো আমি deny কৰিব নোৱাৰো। মূলত তেওঁলোকে মেঘালয়ৰ যোগেদি আহিব লাগে আৰু মেঘালয়ৰ landslide হয় আৰু তাৰবাবে বৰাক উপত্যাকৰ মানুহখিনি ভীষন অসুবিধাৰ সন্মুখীন হয়। অধ্যক্ষ ডাঙৰীয়া, পাহাৰীয়া এলেকাত ভূমিস্খলন হয়েই কিন্তু এতিয়া অসমৰ ভিতৰত বিভন্ন ঠাইলৈ অহা-যোৱা কৰিবলৈ তাৰমানে বৰাক উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবলৈ বা গুৱাহাটীলৈ আহিবলৈ গুৱাহাটী, লামডিং, জাতিঙ্গা, হাৰাঙ্গাজাও, শিলচৰ সেই ৰাস্তাটোৰে ৬ -৭ ঘন্টা লাগে। সেই ৰাস্তাটো মোৰ মতেৰে প্ৰায় ৯০ শতাংশ হৈ গ'ল। কিন্তু এইবাৰো কোনো কোনো ঠাইত এই ৰাস্তাটোত ভূমিস্খলন হৈছে। গতিকে কিছুদূৰ আৰু বৰাকবাসী সহযোগ কৰাৰ, বাৰকবাসীৰ বাবে কাম কৰাৰ আমাৰ দায়িত্ব আছে আৰু ইচ্ছাও আছে।

অধ্যক্ষ ডাঙৰীয়া, এটা গুৰুত্বপূৰ্ণ 'ভাৰতমালা'ৰ প্ৰজেক্ট ইতিমধ্যে sanction হৈছে। শ্বিলং-শিলচৰ Green field high speed corridor প্ৰায় ২৩ হাজাৰ কোটি টকাৰে এই ৰাস্তাটো আৰম্ভ হোৱাৰ পথত। ইতিমধ্যে নৰেন্দ্ৰ মোডী

ডাওঁৰীয়াই ইয়াৰ আধাৰশীলা স্থাপন কৰি গৈছে। যদি এইটো ৰাস্তা অহা ৫ বছৰৰ ভিতৰত হয়, গুৱাহাটীৰ পৰা শিলচৰলৈকে আমাৰ দূৰত্ব হ'ব ৪.৫ ঘন্টাৰ পৰা খুব বেছি ৫ ঘন্টা। গতিকে অধ্যক্ষ ডাঙৰীয়া, মই যি উপলব্ধি কৰোঁ, 'অসমমালা'ৰ অধীনতে হওঁক বা SOPD অধীনতে হওঁক, বহু ৰাস্তা ইতিমধ্যে শিলচৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিত হৈছে। মই মাজে-মাজে গৈ থাকো, যেতিয়া যাওঁ দুদিন বা তিনি দিনৰ কাৰণে যাওঁ। শিলচৰ Airport ৰ পৰা আৰম্ভ কৰি শিলচৰলৈ গৈছো, শিলচৰৰ পৰা কালাইনলৈ গৈছো আৰু বহু ভিতৰুৱা অঞ্চলত মই গৈছো গৰাখহনীয়া আৰু মথাউৰিৰ কাৰণে। অধ্যক্ষ ডাঙৰীয়া, এতিয়া তাত আগৰ পৰিৱেশ নাই। এতিয়া যদি  দিনটোত মই তাত ১০০ কিঃমিঃ ঘূৰো, খুব বেছি ৩ কিঃমিঃ ৰাস্তাহে বেয়া। এই ৩ কিঃমিঃ ৰাস্তাও যেতিয়া শুধিছিলো কিয় বেয়া, কোনোবাই কৈছিলে এইটো tender হৈছে বা ৰাস্তাটো sanction হৈছে, কোনোবাই কৈছে ঠিকাদাৰে অলপ লেহেমীয়া কৰিছে। এই মূহুৰ্তত যদি চাওঁ, অসমত নহবলগীয়া ৰাস্তা কতো নাই। যদি ৰাস্তাটো বেয়া হৈ আছে ২,৩ বা খুব বেছি ৫ কিঃ মিঃ, তাতকৈ বেছি থাকিবই নোৱাৰে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে, ময়ো সেই কথাটোত একমত। আমাৰ NHAI, ADCL লগত বা NHAI ৰ লগত বিশেষকৈ আমাৰ বিধায়ক সকলৰ লগত অলপ আৰু বেছি coordination থকাটো জৰুৰী, এই কথাটো মই উপলব্ধি কৰো। আমি অসম PWD ৰ Engineer সকলক সততে চিনি পাওঁ। তেখেতসকলে আমাৰ বিধায়ক সকলৰ লগত মাজে মাজে আলোচনাও কৰে। কিন্তু NHAI, ADCL লগত কোন মানুহ থাকে আমি ভালদৰে নাজানো। কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে তেওঁলোক বাহিৰৰ পৰা আহে, বাহিৰৰ পৰা অহা বুলি কোৱা কথাটো ভুল। তেওঁলোক ভাৰতৰে মানুহ।  মই যদি কেতিয়াবা উত্তৰ প্ৰদেশলৈ যাওঁ মই নিশ্চয় উ্ত্তৰ প্ৰদেশৰো ভাল কৰিবলৈ চেষ্টা কৰিম বা কৰিব লাগিবই। কিন্তু ক'ৰবাত এটা coordination ৰ অভাৱ থাকে, এই কথাটো মই একেবাৰে অস্বীকাৰ কৰা নাই। যোৱাকালিও মই দেখিলো যে মই মোৰ সমষ্টি জাগীৰোডলৈ গৈছিলো।

জাগীৰোড টাউনৰ একেবাৰে শেষত য'ত পুলিচ পইন্টটো আছে বাওঁফালে নামি যাওঁতে বিটুমিনখিনি ওখ-ওখকৈ দম বান্ধি আছে। এইটো National Highway তে । মই কৈছো যে তাত বাইকৰ দূৰ্ঘটনা ঘটিব , সেইটো খাটাং। ৰাস্তাটো যদি অসম PWD ৰ অধীনত থাকিলেহেঁতেন, আমাৰ মানুহ কেইজন তাত ঘূৰিয়ে ফুৰে। তেওঁলোকে সেইখিনি লগে-লগে সমান কৰি দিলেহেঁতেন । কিন্তু আমাৰ সমস্যাটো হৈছে NHAI, ADCL য়ে যদি মোৰ ভুল হোৱা নাই, তেখেতসকলে দুখন তিনিখন জিলাৰ এটা ঠাইত বহে। মই জনাত মৰিগাওঁ আৰু নগাওঁ মিলি নগাৱঁত বহে । নগাৱঁত তেওঁলোকে ঘূৰি ফুৰিব কিন্তু জাগীৰোড, মৰিগাৱঁত তেওঁলোকে ঘূৰি নুফুৰে। গতিকে তেওঁলোকৰ কথাবোৰ ঘপককৈ দৃষ্টিগোচৰ হয়। গতিকে মই এটা কথা নিশ্চয়কৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যোগেদি ৰাইজক ক'ব খুজিছো বা আমাৰ বিধায়ক সকলক ক'ব খুজিছো যে পৰৱৰ্তী সময়ত আমি NHAI, ADCL আৰু Assam PWD আৰু আমাৰ বিধায়ক সকলৰ মাজত সম্পৰ্ক বা coordination strong কৰিবলৈ যত্ন কৰিম যাতে আমাৰ জনপ্ৰতিনিধি সকলে গম পাই থাকে আৰু যিসকল ঠিকাদাৰে কাম ভালদৰে কৰা নাই তেওঁলোকক আমি warning দিম বা ক'ম যে কামবোৰ ভালদৰে কৰক যাতে ৰাইজৰ অসুবিধা নহয়  আৰু পৰৱৰ্তী সময়ত আপোনালোকৰ হৈ বা বিধায়ক সকলৰ হৈ আমি যিমান পাৰো কাম কৰিবলৈ চেষ্টা কৰিম। অধ্যক্ষ ডাঙৰীয়া, এইখিনিয়ে মোৰ ক'বলগীয়া।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ সমষ্টিৰ লক্ষীপুৰৰ পৰা জলেশ্বৰ আৰু মাক্ৰীৰ পৰা খালিচাভিটা মূল ঘাইপথ দুটা সমস্যা সম্পৰ্কে শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী আফতাব উদ্দিন মোল্লা, ( জলেশ্বৰ )ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ শূণ্য কালীন ঘন্টাত মোক মোৰ সমষ্টিৰ ৰাস্তাৰ বিষয়ে ক'বলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। জলেশ্বৰ সমষ্টিৰ লক্ষীপুৰৰ পৰা জলেশ্বৰ, মাক্ৰীৰ পৰা খালিচাভিটা মূল ঘাইপথ দুটাৰ লগতে অঞ্চলটোৰ

পঞ্চৰত্নৰ পৰা খূৰ্মুজা, মূৰালীঝাৰৰ পৰা মাৰ্কুলা হৈ পলাশবাৰী চেংপাতা, টিকৰিকিল্লাৰ পৰা তৰঙ্গাপূৰ হৈ ছিমলাবাৰী ধুমাৰঘাট, বাসবাৰীৰ পৰা ৰংচাই হৈ চামান বাজাৰ, আমবাৰীৰ পৰা কালজানী বাজাৰ, জয়পুৰ বজাৰ ৰোড, ৰাখালডুবিৰ পৰা আঞ্চলিক বজাৰ, কল্যাণপূৰৰ পৰা পৈতাৰী, তালতলাৰ পৰা মধ্য শিমলবাৰী,কামাৰ পাৰা হাজংপাৰাৰ পৰা চিলাপানী, হিংখোজৰ পৰা হাৰীভাঙা মেঘালয়া, খলিচাভিটা ভেৰভেৰীৰ পৰা যোগীৰঝাৰ মেঘালয়, পাখৰেতাৰীৰ পৰা এৰাবান্ধা ৰোড, এই সমূহ ৰাস্তা একেবাৰে বেয়া হৈ আছে। মুখ্যত মই যি দুটা ৰাস্তাৰ কথা ইয়াত উল্লেখ কৰিছো সদনত, সেই ৰাস্তা দুটা হৈছে মাক্ৰীৰ পৰা খালিচাভিটা via লক্ষীপুৰ । এইটো আমাৰ সমষ্টিৰ lifeline.জলেশ্বৰৰ পৰা লক্ষীপূৰ এই ৰাস্তাবিলাক এতিয়া মাননীয় Parliamentary Affairs Minister ডাঙৰীয়াই অকণমান আগতে উত্তৰ দিছে আৰু কৈছে যে ৪-৫ কিঃমিঃ ত কৈ বেছি ৰাস্তা বেয়া নাই। আচলতে delimitation ৰ পাছত যিখিনি সোমাই গ'ল তাৰ ফলত এনেকুৱা হৈছে মোৰ সমষ্টিত প্ৰায় ৫০ৰ পৰা ৫২ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাস্তাত এনেকুৱা ডাঙৰ ডাঙৰ গাঁত হৈছে সেই গাঁত বিলাক পূৰণ কৰিবলৈ এতিয়া আমি ক'ৰ পৰা পইচা আনিম, এতিয়া আমাৰ এনেকুৱা এটা অৱস্থা হৈছে। গাঁতবিলাক পূৰণ কৰিব পৰা নাই। চৰকাৰৰ ফালৰ পৰা এটা টকা দিছে SOPD ৰ জৰিয়তে, তাত Sand gravel পেলাই আছে। কিন্তু এইখিনিতে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম আপোনাৰ জৰিয়তে এটা কথা অনুৰোধ জনাম যে আমাৰ যিটো sand gravel, এইখিনি আনিব লাগে চিৰাঙৰ পৰা। চিৰাঙৰ পৰা এক গাড়ী sand gravel নলবাৰীত ল'লে ১০ হাজাৰ টকা লয় আৰু মোৰ সমষ্টি জলেশ্বৰত ল'লে ২৫ হাজাৰ টকা লয়। ঠিকাদাৰ বিলাকো এনেকুৱা যে কামটো লয়, পিছত কামটো আৰু কৰিব নোখোজে। ইয়াৰ আগতে এজন ঠিকাদাৰে মোৰ তাত ২০ কিঃ মিঃ ৰাস্তা লৈছিল। ২০ লাখ টকা যে দিছিল প্ৰতি কিঃ মিঃ, তেওঁ কামেই নকৰিলে। এনেকুৱা অৱস্থা হৈ যায়। গতিকে পিছত তেওঁক বহুত অনুৰোধ কৰি আমি সেই ২০ কিঃ মিঃ ৰ ঠাইত মাত্ৰ ১২ কিঃ মিঃ কৰাব পাৰিলো। বাকী ৮ কিঃ মিঃ তেনেকৈয়ে থাকি গ'ল। ঠিক তেনেদৰে মোৰ

সমষ্টিৰ প্ৰধান সমস্যাটো হৈছে যে আমাৰ ৰাস্তা বিলাক ৩.৫ মিঃ বহল। ৰাস্তা বিলাক যদি ৫.৫ মিঃ বহল নহয়, তেতিয়া হ'লে গাড়ী অহা- যোৱা কৰিব নোৱাৰে। এখন গাড়ী পৰি যায়, সৰু গাড়ী তলত পৰি যায়। দুয়োফালে এনেকুৱা এটা অৱস্থা হৈছে যে ড্ৰেইনৰ ব্যৱস্থা নাই। এই গোটেইখিনি বস্তু মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম। Parliamentary Affairs Minister ডাঙৰীয়াই যোৱাবাৰ যেতিয়া এই water resourceবিভাগৰ মন্ত্ৰী আছিল তেখেতে আমাক ভালেখিনি টকা দিছিল আমাক মথাউৰি বনোৱাৰ কাৰণে, মথাউৰিৰ ওপৰত যিটো পকীকৰণ কৰা হয়। কিন্তু এইখিনি সম্পূৰ্ণ কৰিব নোৱাৰিলো। কাৰণ আমাক যিখিনি দিছে সেইখিনিৰে সম্পূৰ্ণ হোৱা নাই। ধৰি লওঁক ৬০ শতাংশ হৈছে, ৪০ শতাংশ এতিয়াও বাকী আছে। আমাক এবাৰ ৭ কিঃমিঃ দিলে, মুঠতে ১১ কিঃ মিঃ দিলে কিন্তু আমাৰ আছে প্ৰায় , ২৬ কিঃ মিঃ। তাৰে ১১ কিঃ মিঃ হে হৈছে। মথাউৰীৰ ক্ষেত্ৰত তেনেকুৱা হৈ আছে। এই বিলাক বহুত ধৰণৰ অভাৱ-অভিযোগ মোৰ সমষ্টিত আছে। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আমাৰ সমষ্টিত এতিয়াও RCC দলং নাই। এতিয়া যদি মই জলেশ্বৰৰ পৰা গোৱালপাৰা অভিমুখে যাওঁ, নিজৰ সমষ্টিয়েদি মই যাব নোৱাৰো। একেবাৰে লক্ষীপুৰহৈ ঘূৰি যাব লাগে। নিজৰ সমষ্টিয়েদি কোনো ৰাস্তাই নাই। এতিয়া চিলাপানী বুলি এডোখৰ ঠাই আছে, তাত এখন যদি ডাঙৰ RCC দলং দি দিয়ে তেতিয়া হ'লে আমি নিজৰ সমষ্টিয়েদি গোৱালপাৰালৈ যাব পাৰিম। ন'হলে আমাৰ গোৱালপাৰা যোৱাৰ কোনো ৰাস্তা নাই। আমি লক্ষীপুৰ মানে গোৱালপাৰা পশ্চিম সমষ্টিৰ মাজেদি জলেশ্বৰৰ মানুহ গোৱালপাৰা যাব লগা হৈছে। এটা সময়ত আমি শুনিছিলো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েওঁ যোৱাবাৰ মোক কৈছিল, যে আপোনালোকৰ তাত ''অসম মালা'' বুলি এখন আঁচনি আমি ধৰিম , পঞ্চৰত্নৰ পৰা খলিচাভিতালৈ যাব। কিন্তু সেইটো কেইবাবাৰো শুনিলো যে হ'ব হ'ব কিন্তু আজিলৈ হৈ নুঠিল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ কৰিম যে মোৰ সমষ্টিৰ যিবিলাক সমস্যা সেই সমস্যা বিলাক সমাধান কৰি দি ৰাস্তাবিলাক সমাধান কৰি দি আমাক যাতে উপকৃত কৰে। আপোনালোকে এটা

কথা জানিব যে এতিয়াৰ পৰা বহুত ভোটাৰ ইমানেই ডাঙৰ এৰিয়া যিটো হয়তু আপোনালোকে প্ৰতি বছৰে আমাৰ চৰকাৰৰ তৰফৰ পৰা যিখিনি টকা আমাৰ বিধায়ক সকলক উপলব্ধ কৰে সেই টকাখিনি হয়তো এইবাৰো  সমহাৰে দিব হয়টো ১০ কোটি,২০ কোটি। মই অনুৰোধ জনাম  মোৰ সমষ্টিৰ অৱস্থাৰ ফালে চাই মোক যাতে এটা বেছি পেকেজ চিষ্টেম দি  আমাৰ সমষ্টিৰ এই ৰাস্তাবিলাক উন্নয়ন কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে আমাক এইখিনি সহায় কৰে  আৰু ৰাইজৰ যাতে উপকাৰ হয়, এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা আৰু কৃষি )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আফতাব উদ্দিন মোল্লা ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ কেইবাটাও ৰাস্তাৰ কথা উল্লেখ কৰিছে। তেখেতে ৰাস্তাখিনি বেয়া অৱস্থাত থকাৰ কথা কৈছে। মই details ত এটা এটাকৈ নকওঁ। তেখেতে এটা কথা কৈছে যে তেখেতৰ সমষ্টিত যিহেতু ৰাস্তা পথ বেয়া সেইখিনি মই নিজেওঁ জানো কাৰণ সেইখিনি delimitation ৰ পাছত সোমাল  আৰু গোটেইখিনি ব্ৰহ্মপুত্ৰ কাষৰ অঞ্চল। অধ্যক্ষ মহোদয়,মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে তাত অলপ অসুবিধা হয়, যিখিনি ব্ৰহ্মপুত্ৰৰ কাষৰ অঞ্চল বা চৰত soil quality বেয়া। ৰাস্তা বনালে ৰাস্তা ভাঙে, মথাউৰি বনালে মথাউৰি ভাঙে সেইটো মই অস্বীকাৰ কৰিব নোৱাৰো। তথাপিতো নিশ্চয়কৈ আমি কিবা কৰিবই লাগিব, ৰাস্তাখিনি আমি বনাবলৈ যত্ন কৰিব লাগিব। মাননীয় সদস্য ডাঙৰীয়াই তেখেতৰ সমষ্টিত এটা বিশেষ পেকেজ দি তেখেতৰ সমষ্টিৰ ৰাস্তা, দলঙৰ উন্নয়ন কৰিব পাৰি নেকি কৈছে, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত এই বিষয়ে আলোচনা কৰিম  নিশ্চয়কৈ পুঁজি আৱন্টন আমি যেনেকৈ পাওঁ, পুঁজি সাপেক্ষে আমি নিশ্চয়কৈ কৰিবলৈ যত্ন  কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মোল্লা ডাঙৰীয়াই  চিৰাঙৰ পৰা যিটো পাথৰ অহাৰ কথা উল্লেখ কৰিছিল এই বিষয়ত কিবা ক'ব নেকি ?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা আৰু কৃষি )ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো এটা মই পাহৰিলো ক'ব, যেতিয়া PWD য়ে estimate কৰে এই কথাটো অলপ চাব লাগিব। মই ক'ম বুলি ভাবিছিলো, মোৰ বৈ গৈছিল। কাৰণ এটা কথা হয়, কিছুমান ঠাইত পাথৰ নাথাকে। ধৰি লওঁক মাননীয় অধ্যক্ষ মহোদয়, যদি মোৰ ভুল হোৱা নাই উজনি অসমত ইটা নহয়, ইটা যাব লাগে নগাওঁৰ পৰা। অধ্যক্ষ মহোদয়, মই এটা কথা বহুদিন আগতে লক্ষ্য কৰিছিলো, আমি যেতিয়া স্বচ্ছ ভাৰত মিশ্যনৰ টয়লেট বনাইছিলো। সেই টয়লেট টোৰ নগাওঁ বা মৰিগাৱৰ যিটো ৰেট হ'ব লাগে ধেমাজিত নিশ্চয়কৈ অলপ বেছি হ'ব লাগিব। কাৰণ ইটা ক'ৰ পৰা নিয়া হয়, নগাওঁৰ পৰা নিয়া হয় বা তেজপুৰৰ পৰা নিয়া হয়। গতিকে তেজপুৰ বা নগাওঁত যদি ইটাৰ মুল্য ১০ টকা হয় তাত টো ১১ টকা হ'ব। গতিকে সেই কথাটো যেতিয়া আমি estimate কৰো তাত অকনমান চাব লাগিব , এই বিষয়ে বিভাগক নিৰ্দেশ দিয়া হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্যসূচী নং ২ I Calling Attention under Rule – 54 । এতিয়া মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৫৪ নং দফাৰ অধীনত ২০২৬ চনৰ ৩ জুলাই তাৰিখে ''অসমীয়া প্ৰতিদিন'' কাকতত প্ৰকাশিত ''গুৱাহাটীত সোমাইছে ১০০ কোটি টকাৰ জালনোট'' শীৰ্ষক বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ৫৪ নং নিয়মৰ অধীনত জাল নোট প্ৰচলনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টো সদনত উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, শেহতীয়াকৈ গুৱাহাটীত এটাৰ পিছত আন এটা অভিযানত লাখ লাখ টকাৰ জালনোট উদ্ধাৰ হৈছে। ছয়মাইলত ২.৫৬ কোটি টকাৰ জালনোট, কামাখ্যা ৰেলৱে ষ্টেশ্যনত ৭.৩৭ লাখ টকাৰ জালনোট, ইয়াৰ আগতে ১৩ লাখ টকাৰ জালনোট উদ্ধাৰ হয়। এই ঘটনা সমূহক সুকীয়াকৈ চালে, হয়তো সাধাৰণ অপৰাধ যেন লাগিব পাৰে। কিন্তু এই

সকলোবোৰ ঘটনাৰ মাজত এটা সু- সংগঠিত নেটৱৰ্ক  থকাৰ ইংগিত দেখা গৈছে। অধ্যক্ষ মহোদয়,  আটাইতকৈ চিন্তাৰ বিষয়টো হ'ল যে গ্ৰেপ্তাৰ হোৱা এজন অভিযুক্তই দাবী কৰিছে যে গুৱাহাটীত কমেও ১০০ কোটি টকাৰ জালনোট ইতিমধ্যে বিয়পি আছে। এই দাবী সঁচা নে মিছা  সেয়া তদন্তইহে নিদ্ধাৰণ কৰিব। কিন্তু এনে এক গুৰুতৰ অভিযোগক চৰকাৰে সামান্য ঘটনা বুলি ক'ব নোৱাৰে। অধ্যক্ষ মহোদয় জালনোটে দেশৰ অৰ্থনীতিত আঘাত হানে। তদুপৰি বজাৰৰ ওপৰত ৰাইজৰ বিশ্বাস কমাই তোলে আৰু অসৎ শক্তিক লাভৱান কৰে। কৃষক, ক্ষুদ্ৰ ব্যৱসায়ী, দৈনিক মজুৰী কৰা শ্ৰমিক বা দোকানীয়ে যদি অজানিতে জালনোট গ্ৰহণ কৰে তেতিয়া ক্ষতি কেৱল তেওঁৰে নহয় বৰঞ্চ সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰে। অধ্যক্ষ মহোদয়, আটাইতকৈ উদ্বেগজনক বিষয়টো হ'ল কেইদিনমান পূৰ্বে জালুকবাৰীৰ দৰে গুৰুত্বপূৰ্ণ অঞ্চলটোত জালনোট ছপা কৰা এটা কাৰখানা উদ্ধাৰ কৰা হৈছিল। ছপা যন্ত্ৰ,  ৫০০ টকীয়া নোট আৰু বিভিন্ন  সঁজুলি জব্দ হৈছে। ইয়াৰ অৰ্থ হ'ল জালনোট এতিয়া কেৱল সীমান্তৰ সিপাৰৰ পৰা অহা নাই, । আমাৰ নিজৰ ৰাজধানী চহৰৰ ভিতৰতে তৈয়াৰ হ'বলৈ আৰম্ভ কৰিছে। এইটো অসমবাসীৰ বাবে এক অতি বিপদজনক সংকেত। অধ্যক্ষ মহোদয়, এই জালনোট চক্ৰত লক্ষীমপুৰ জিলাৰ বঙালমাৰা অঞ্চলৰ নামো উত্থাপন হৈছে। এই কথাটো যদি সত্য, যদি সেই অঞ্চলৰ  সৈতে এই নেটৱৰ্কৰ  সম্পৰ্ক আছে , তেন্তে ই কেৱল স্থানীয় আৰক্ষীৰ বিষয় হৈ থকা নাই , ই এক বৃহৎ আন্তঃ জিলা তথা আন্তঃৰাজ্যিক অপৰাধ চক্ৰৰ সম্ভাৱনাৰ কথা সূচাইছে। সেয়েহে মহোদয়, মই চৰকাৰৰ ওচৰত কেইটামান দাবী উত্থাপন কৰিব বিচাৰিছো যে গুৱাহাটীত ১০০ কোটি টকাৰ জালনোট বিয়পি থকাৰ দাবীটোৰ ওপৰত উচ্চ পৰ্য্যায়ৰ  নিৰপেক্ষ আৰু সময়বদ্ধ  তদন্ত কৰিব লাগে। জালনোট বনোৱা, সৰবৰাহ কৰা আৰু বজাৰত প্ৰচলন কৰা সমগ্ৰ নেটৱৰ্ক উৎখাত কৰিবলৈ আৰক্ষীৰ বিশেষ শাখা, কেন্দ্ৰীয় সংস্থাৰ সমন্বয়ত এক বিশষ Task Force  গঠন কৰিব  লাগে। যি অঞ্চল সমূহৰ নাম এই তদন্তত সন্মুখলৈ আহিছে সেই সমূহত বিশেষ অভিযান চলাই

মুল চক্রটো উৎখাত কৰিব লাগে। বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ৰাইজৰ মাজত জালনোট চিনাক্তকৰণৰ বাবে ব্যাপকৰূপত সজাগতা অভিযান চলাব লাগে। এই সমগ্ৰ বিষয়টোত তদন্তৰ অগ্ৰগতি সময়ে সময়ে সদনত অৱগত কৰিব লাগে , যাতে ৰাইজে জানিব পাৰে যে চৰকাৰে উক্ত বিষয়টো কিমান গুৰুত্ব সহকাৰে লৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত ৰাজনীতি কৰাৰ কোনো অৱকাশ নাই এই জাল নোট চক্ৰৰ একমাত্ৰ লক্ষ্য হৈছে দেশৰ অৰ্থনীতি দূৰ্বল কৰা আৰু সমাজত অস্থিৰতা সৃষ্টি কৰা। সেইবাবে মই চৰকাৰক আহ্বান জনাইছো যে এই বিষয়টো কেৱল সাধাৰণ অপৰাধ হিচাপে গণ্য নকৰি, ই অসম আৰু দেশৰ অৰ্থনীতি সুৰক্ষাৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ কাৰণ হিচাপে গ্ৰহণ কৰা হওঁক আৰু দোষী যিয়েই নহওঁক তেওঁলোকক ইয়াতে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰক আৰু এই জাল নোট চক্ৰ সম্পূৰ্ণ উৎখাত কৰক। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই উত্তৰ প্ৰদান কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিৰোধী দলৰ দলপতি ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই এটা চাঞ্চল্যকৰ বাতৰিৰ উদ্ধৃতি দি আজি এই Rule 54 ৰ যোগেদি এই প্ৰশ্নটোৰ উত্থাপন কৰিছে। অধ্যক্ষ ডাঙৰীয়া আচলতে এটা খুব এইটো মই কি বুলি ক'ম এইটো fraud ৰো fraud অধ্যক্ষ ডাঙৰীয়া , জালিৰ জালি নোট। জালি জালি নোট আৰু অধ্যক্ষ ডাঙৰীয়া যিমান আমি recent case কেইটা ধৰিছো, সেইকেইটা যিটো জাল নোট বুলি কয় সাধাৰণতে আমি টি.ভি.ত দেখা পাওঁ, সেইটো নহয় মানে চিনেমাত দেখাতো। অধ্যক্ষ ডাঙৰীয়া সঁচাকৈ এইটো ৮৪০ এইটো ৪২০ নহয়। অধ্যক্ষ ডাঙৰীয়া কেইদিনমান আগত দুটা case হৈছিল। দুটা caseৰ মানুহ খিনিক, মই ফটোসহ লৈ আহিছো। অধ্যক্ষ ডাঙৰীয়া যোৱা ৩০ জুন আৰু ১ জুলাইত দুটা পৃথক পৃথক case ত কেইবাজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছিল। দিশপুৰ থানাই গ্ৰেপ্তাৰ কৰিছে আৰু এই দুটা অভিযানত ১৩.৪ লাখ টকাৰ ভূৱা মুদ্ৰা জব্দ কৰাৰ লগতে

অভিযোগৰ সৈতে জড়িত আন সামগ্ৰীসমূহো উদ্ধাৰ কৰা হৈছে। সামগ্ৰী এটা specific case ৰ সামগ্ৰী। অধ্যক্ষ ডাঙৰীয়া দুটা case, এটা হৈছে অনুজ গুপ্তা, ৰিশভ গুপ্তা, মোহিত শুক্লা, তেওঁলোক উত্তৰ প্ৰদেশৰ পৰা গুৱাহাটীলৈ আহিছিল, এওঁলোকক ধৰা হৈছে আৰু এটা case ত ধৰা হৈছে দেৱজিৎ দেউৰী আৰু অজয় বিশ্বকৰ্মা। দুটা পৃথক পৃথক case . অধ্যক্ষ ডাঙৰীয়া দুয়োটা case ত এই অভিযুক্ত কেইজনৰ পৰা ১৩.৪ লাখ টকাৰ ভুৱা ভুৱা নোট উদ্ধাৰ কৰা হৈছে। ভুৱা ভুৱা নোট মই দুটা শব্দ দুবাৰ কৈছো কিবা এটা specific কাৰণত। অধ্যক্ষ ডাঙৰীয়া , ক'বলৈ দিগদাৰ তথাপিও মই কৈছো real fake note, অলপ ভাল quality ৰ  fake note, ভাল quality ৰ  fake note যদি কেতিয়াবা আমাৰ অসম পুলিচে ধৰে তাক NIA  লৈকে পঠাই দিয়া হয়। কিন্তু আজি বহুত বছৰ ধৰি অসমত যিখিনি উদ্ধাৰ হৈ আছে এটাও ভাল quality ৰ   note উদ্ধাৰ হৈ থকা নাই অধ্যক্ষ ডাঙৰীয়া। মোৰ লগত ফটো আছে ভিডিও ল'ব পৰা নাই। অধ্যক্ষ ডাঙৰীয়া এই note বিলাক ক'ত বনায়  printer ত বনায়, আমাৰ যি printing press তাতে বনায় আৰু যেতিয়া চুই চায় তেতিয়া গম পায় যে fake ৰো fake note. অধ্যক্ষ ডাঙৰীয়া কথা হ'ল কি এই যে মানুহকেইজনক ধৰিলে আৰু এটা  fake ৰো fake ওলাইছে। অনুজ গুপ্তা, ৰিশভ গুপ্তা, মোহিত শুক্লা, তেওঁলোক উত্তৰ প্ৰদেশৰ পৰা আহিল, তেওঁলোকক দিশপুৰ পুলিচে ধৰিলে, ধৰা note বিলাকত কিবা কিবি অদ্ভুত লিখা আছে শিশু বেংক লিখা আছে, শিশু বেংক আৰু অকল ৰিজাৰ্ভ বেংক বুলিহে উদ্ধৃত কৰা আছিল। মানে কিবা কিবি অদ্ভুত লিখা আছিল যিটো  মানে nomal আমি যি use কৰো, সেইটো নোট দেখিলেই গম পায়। এতিয়া অধ্যক্ষ ডাঙৰীয়া পুলিচৰ সোধা-পোছাত এই উত্তৰ প্ৰদেশৰ পৰা অহা মানুহকেইজনে কি ক'লে জানে নে আৰু এটা interesting case তেওঁলোকে ক'লে যে আমি সোণৰ নাও কিনিবলৈ আহিছো। অধ্যক্ষ ডাঙৰীয়া মাজে মাজে আমি শুনি থাকো সোণৰ নাও টো কি, সোণৰ নাও ৰ এটা duplicate  কাহিনী আছে। আমাৰ সাধাৰণতে লখিমপুৰ জিলাৰ নাওবৈচা আৰু বঙালমাৰা তাতে এইখিনি উৰাই থাকে। তাত epicenter বুলি কোৱা হয়। তাতে

অধ্যক্ষ ডাঙৰীয়া সোণৰ নাও এখন দেখাই দিয়ে আৰু মানুহক ঠগায়। এই যে উত্তৰ প্ৰদেশৰ পৰা  মানুহকেইজন আহিলে, তেওঁলোকে জালিৰো জালি নোট লৈ আহিছিল। ঘৰৰ  printer ত বনোৱা জালি নোট লৈ আহিছে আৰু ইয়াতে কৈছে ক'ৰ পৰা কিনিবলৈ আহিছো কি কিনিবলৈ আহিছো, সোণৰ নাও কিনিবলৈ আহিছো। মানে অধ্যক্ষ ডাঙৰীয়া fraud য়ে fraud ক পালে। যি কি নহওঁক আমি ধৰিলো । আমি strict action লৈছো । তেওঁলোকক আমি কোনোপধ্যেই এৰি নিদিওঁ । অধ্যক্ষ ডাঙৰীয়া দ্বিতীয় case টো যিটো হ'ল দেৱজিৎ দেউৰী আৰু অজয় বিশ্বকৰ্মা, তেওঁলোকৰ পৰা ২.৫৬ হাজাৰ ভাৰতীয় জালি নোট ক'বলৈ হ'লে জালি নোটে কিন্তু আমিহে কৈছো যে জালিৰ জালি নোট, তেওঁলোকৰ পৰা উদ্ধাৰ কৰা হ'ল। তেওঁলোকক যেতিয়া আমি সোধ-পোছ কৰিলো আমি অনুসন্ধান কৰিলো তেওঁলোকে জনায় যে এই অবৈধ জালি নোটৰ সৈতে জড়িত চক্ৰটোৰ সৈতে লখিমপুৰৰ আব্দুল গফুৰ আৰু তেওঁৰ আন সহযোগী চাহিল ওৰফে ইনচাম আলি আৰু চুমি নামৰ এগৰাকী যুৱতী জড়িত হৈ আছিল। অভিযুক্ত কেইগৰাকীয়ে লগতে স্বীকাৰ কৰে যে জব্দ কৰা জাল ভাৰতীয়  নোটসমূহ প্ৰচলনৰ কাৰণে তেওঁ আব্দুল গফুৰৰ পৰা সংগ্ৰহ কৰিছিল। অভিযুক্ত কেইগৰাকীয়ে  অধিককৈ প্ৰকাশ কৰে যে বিগত দুই তিনি বছৰৰ পৰা লখিমপুৰ জিলাৰ ইক্ৰামুল ইছলাম, নিজানুৰ ৰহমান আদি বহু লোক অসমৰ বিভন্ন প্ৰান্তত ভাৰতীয় জালি নোট প্ৰচলনৰ সৈতে জড়িত হৈ আছে। অধ্যক্ষ ডাঙৰীয়া আজি মই যেতিয়া এই প্ৰশ্নটোৰ বিষয়ে কথা পাতি আছিলো আমাৰ আৰক্ষী বিষয়া সকলৰ লগত গুৱাহাটীৰ চি পি পাৰ্থ সাৰথি মহন্ত ডাঙৰীয়াৰ লগত কথা পাতি আছিলো, তেখেতে ২০০২ চনৰ এটা interesting কথা মোক কৈছিল। তেখেতসকলে এটা case trap কৰিছিল। তেওঁলোকে এনেকৈ জালি জালি নোটৰ চক্ৰক trap কৰিলে, কৰি লৈ গুৱাহাটীৰ কামৰূপা হোটেলত তেওঁলোকক মাতিলে, তেওঁলোকে টকা ল'ব মানে, জালনোট কিনিব পুলিচৰ বিষয়া পাৰ্থ সাৰথি মহন্ত আছিল আৰু এগৰাকী ৰুক্ম গোঁহাই বুলি দিশপুৰ আৰক্ষী থানাৰ অ.চি আছিল, তেওঁলোক দুজনে তেওঁলোকক trap কৰিলে,

মাতিলে কামৰূপা হোটেলত বহিলে বহি দৰ্জা মাৰি ল'লে। তাৰ পিছত যেতিয়া কথা সন্মুখত কোৱা-কৈ হ'ল তেতিয়া বুলে যিকেইজন জালি নোটৰ কাৰোবাৰী তেওঁলোকে কৈছে আজি তহঁতে পুলিচৰ পাল্লাত পৰিলি। মানে অধ্যক্ষ ডাঙৰীয়া কথাটো হৈছে  তেওঁলোকে গম পোৱা নাই যে পুলিচে তেওঁলোকক trap কৰিলে। যি কেইটা গোভাইত চুৰ তেওঁলোকে কৈছে যে  আজি পুলিচৰ পাল্লাত পৰিলো। তাৰমানে অধ্যক্ষ ডাঙৰীয়া, এই তদন্তত কেনেকুৱা ওলাইছে তাৰমানে কেতিয়াবা কি কৰে টকাখিনি আজিকালি কি কৰে বোলে কেমেৰাত দেখে, মোবাইল কেমেৰা, ভিডিও কৰি কৰি দেখায় এইখিনি এইখিনি টকা। টকাখিনি কি কৰে ৫০০ টকাৰ দুটা নোট এটা নোট ওপৰত এটা তলত মাজত গোটেই বগা কাগজ ভৰাই থৈ দিয়ে। দেখাই দিয়ে যে এইখিনি জাল নোট আহি যাওঁক ৫ লাখ টকা লৈ, ৫ লাখ টকা আপোনালোকক দিম। ৫ লাখ টকাৰ ভাল নোট আনক ১০ লাখ টকাৰ জালি নোট দিম, তেনেকুৱা কৰে। আহি পালে কি কৰে অধ্যক্ষ ডাঙৰীয়া পুলিচ বুলি বা অমুক বুলি বন্দুক দেখাই দিয়ে। বন্দুক দেখুৱাই টকাখিনি কাঢ়ি লয় আৰু যি কেইজনে কিনিবলৈ আহিছিল পলাই দিয়ে। মানে চোৰক মোৰে পোৱা বুলি যে কয় অধ্যক্ষ ডাঙৰীয়া সেইটো চলি আছে। মই যেতিয়া আজিৰ কেচটোৰ বিষয়ে উত্তৰ দিম বুলি আমাৰ ৰঙানদী সমষ্টিৰ বিধায়কে গম পাই মোৰ ওচৰলৈ আহিলে আৰু ক'লে দাদা মই দুআষাৰ ক'ম নেকি ? মই ক'লো এইটোত ক'ব নোৱাৰি। তেতিয়া মোক ক'লে দাদা এনেকুৱা নিয়ম আছে তাত ভুৱা DSNG van আছে , বঙালপাৰাত ভুৱা DSNG van আছে, ভুৱা escort pilot ও আছে। পুলিচে ধৰি আছে। মানে এনেকৈ  বাহিৰৰ পৰা জালি নোট দিম বুলি নকল সোণ দিম বুলি মাতে , মানে যিকেইজনক মাতে তেওঁলোকৰ কাৰণে নকল নহয়, আমাৰ কাৰণে নকল  আৰু যেতিয়া আহি পায়, পুলিচৰ গাড়ী বুলি তেওঁলোকে যি দামী গাড়ী থয় তাক ওচৰলৈ লৈ যায় যাতে পইচাটো এৰি পলাই যায়। অধ্যক্ষ ডাঙৰীয়া তাত বোলে ভুৱা AK47 ও আছে। গতিকে এইটো বন্ধ কৰিবলৈ আমি অত্যন্ত serious . মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো অলপ আগতে কথা পাতিছো। অধ্যক্ষ ডাঙৰীয়া এই যে যিজন অজয় বিশ্বকৰ্মা তেওঁ যেতিয়া

গ্ৰাউণ্ডত গৈছিল enquiry ৰ কাৰণে পুলিচৰ লগত পুলিচক গতা মাৰি পলাবলৈ চেষ্টা কৰিছিল, অধ্যক্ষ ডাঙৰীয়া তেতিয়া পুলিচে বাচিবলৈ এই কুখ্যাত ডকাইতটোক দুটা গুলী মাৰিবলৈ বাধ্য হৈছিল। অধ্যক্ষ ডাঙৰীয়া এই কুখ্যাত ডকাইতোৰে হওঁক বা জালি নোট ব্যৱসায়ীটোৰে হওঁক এতিয়া হাস্পতালত আছে। অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছিলো আৰু তেখেতে ক'লে যে অতি কঠোৰ হ'ম, এই জাল নোটৰ কাৰবাৰটোক অসমৰ পৰা উৎখাত কৰিব লাগিব। কিন্তু এটা কথা মই কওঁ যে মাননীয় ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই যি ১০০ কোটি টকাৰ কথা কৈছে তাৰ লিংক আমি ক'তো পোৱা নাই, আৰু গুৱাহাটীত কোনো ভুক্তভোগীয়ে কোৱাও নাই। ১০০ কোটি টকা হোৱা হ'লেটো কোনোবা ভুক্তভোগীয়েটো ক'লে হয় যে মোৰ এইখন জাল নোট, মোক ঠগালে। এইটো এজন গভাইত ডকাইতে চাঞ্চল্য সৃষ্টি কৰিবলৈ টিভিৰ আগত কোৱা কথা। কিন্তু তেওঁ পুলিচৰ আগত কোৱা নাই বা inquiry stage ত কোৱা নাই। গতিকে মই নাভাবো যে এনেকুৱা এটা কাম গুৱাহাটীত হৈ আছে, যদি হয় আমি খুব চিৰিয়াছ আৰু কঠোৰ ব্যৱস্থা হাতত ল'ম। এই জাল নোটৰ প্ৰচলনে দেশৰ অৰ্থনীতিটোক ধ্বংস কৰে। দেশৰ অৰ্থনীতিক আমি ধ্বংস হ'বলৈ নিদিওঁ, তাৰ কাৰণে আমি সচেতন।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** Customer ৰ মাজত transaction হোৱা নাই নেকি ?

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যদি ) :** এই যিটো প্ৰচেছ তাত যাবই নোৱাৰে। তেওঁলোকৰ পৰা যিখিনি নোট উদ্ধাৰ কৰা হৈছে সেইখিনি চুলেই গম পোৱা যায়, একেবাৰে পাতল, শোঁতোৰা-মোটোৰা, গম পাই যায়। ইয়াত কি কৰে মই আকৌ বুজাই দিছো, fraud এ fraud ক পায়, ওপৰে ওপৰে শেষ হৈ যায়। যেনেকৈ উত্তৰ প্ৰদেশৰ পৰা ৪ জনে ঘৰত বনোৱা fake currency আহিল আৰু পুলিচে যেতিয়া তেওঁলোকক ধৰিলে তেতিয়া তেওঁলোকে সোণ কিনিবলৈ অহা বুলি ক'লে। কি সোণ ? বোলে সোণৰ নাওঁ কিনিবলৈ আহিছিলো। আমিতো জানোৱেই যে সোণৰ নাওঁ মানেই নকল। গতিকে নকলেই নকলক

পালে, ground ত  অহা নাই। Ground ত আহিলেতো আমিও ক'ৰবাত পালো হয়, কাৰণ আমি সকলোৱে গুৱাহাটীতে থাকো আৰু পালে নিশ্চয়কৈ ৰিপ'ৰ্ট কৰিলো হেতেঁন !  গতিকে তেনেকুৱা হোৱা নাই। এজন দাগী, কুখ্যাত অপৰাধীয়ে কি  motive ত টিভিৰ আগত এইটো কথা ক'লে আমি নাজানো, পুলিচৰ inquiry ত কোৱা নাই। পুলিচৰ হাতত ভাল quality ৰ FICN নাই, যদি থাকে আমি লগে লগে NIA লৈ পঠিয়াম। কাৰণে এইটো দেশৰ অৰ্থনীতিৰ লগত জড়িত এটা চিৰিয়াছ বিষয়, এইক্ষেত্ৰত আমি বহি নাথাকো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ।

এতিয়া মাননীয় সদস্য শ্ৰী দীপক কুমাৰ দাস ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত "সৰ্থেবাৰীৰ বেল মেটেল অৰ্থাৎ কাঁহ উদ্যোগৰ সংৰক্ষণ, আধুনিকীকৰণ, কাৰিকৰ সকলৰ আৰ্থিক সুৰক্ষা আৰু বজাৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে" শীৰ্ষক বিষয়টোৰ প্ৰতি মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী দীপক কুমাৰ দাস (বৰপেটা) :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ নিৰ্দেশ সাৰোগত কৰি মই আৰম্ভ কৰিছো। আপুনি জানে সত্ৰ সংস্কৃতিৰ তীৰ্থস্থান, চাৰি গুৰুৰ মিলন ভূমি, শিল্পকাৰৰ উৰ্বৰ ভূমি – বৰপেটা সমষ্টি আৰু ইয়াৰে অংগক্ষেত্ৰ হ'ল সৰ্থেবাৰী যি শিল্পকলাৰ তীৰ্থস্থান বা শিল্পকাৰৰ উৰ্বৰ ভূমি বুলি কোৱা হয়। আজি মই এই গৌৰৱময় সদনত এনে এক বিষয়ৰ ওপৰত আলোকপাত কৰিব বিচাৰিছো যি বিষয় কেৱল এটি কুটীৰ উদ্যোগৰ মাজতেই সীমাবদ্ধ নহয়, ই অসমৰ ইতিহাস, সংস্কৃতি, ঐতিহ্য, স্বকীয় পৰিচয়, হাজাৰ-হাজাৰ পৰিশ্ৰমী পৰিয়ালৰ জীৱন- জীৱিকাৰ সৈতে গভীৰভাৱে জড়িত। অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো হৈছে সৰ্থেবাৰীৰ বেল মেটেল উদ্যোগৰ সংৰক্ষণ, বেল মেটেলৰ বিশেষকৈ কেঁচা সামগ্ৰী সুলভ মূল্যত দিয়াৰ ব্যৱস্থা। বেল মেটেল মানে হ'ল তাম আৰু ৰাঙৰ সংমিশ্ৰণত সৃষ্টি হয় আমাৰ এই মহা মূল্যবান শিল্পকলা। আধুনিকীকৰণ আৰু শিল্পীসকলৰ আৰ্থিক সুৰক্ষা, বজাৰ সম্প্ৰসাৰণ, বিজ্ঞান

সন্মত craft village, বিজ্ঞান সন্মত গঢ়শাল আৰু যি অসাধু ব্যৱসায়ী আছে সেইসকলক দমন। অসমৰ ইতিহাসত সৰ্থেবাৰীৰ নাম উচ্চাৰণ হ'লেই মনলৈ আহে গাঁৱৰ শিল্প। ইয়াৰ লগতে সৰ্থেবাৰীৰ সৈতে আৰু ৪-৫ খন মান গাঁও আছে, সেই সকলে যুগ যুগ ধৰি ৪০০ বছৰীয়া যি আহোম ৰজাই প্ৰতিষ্ঠা কৰা শিল্পকলা তাক আজিও চলাই আছে তেওঁলোকৰ জাগতিক জীৱনৰ মেটমৰা বোজা লৈ। সেই গাঁওবোৰ হ'ল- সৰ্থেবাৰীৰ লগত লাচিমা, বণিয়াকুছি, নামশালা, পল্লা, গৌমুৰা, কাৰাকুছি, গতিয়া, কালাতুলি আদি সকলে অৰ্থনৈতিক গ্ৰাম্য বুনিয়াদ শক্তিশালী কৰি ৰাখিছে। মূল কথাটো হ'ল যে এই সকলে কি সৃষ্টি কৰে আমি জানিব লাগিব। শিল্পীসকলৰ হাতৰ পৰশত গঢ় লৈ উঠা শৰাই, বঁটা, বাণবাতি, থাল, গলঘণ্টা আৰু বৰতালে কেৱল আমাৰ ঘৰেই শুৱনি কৰা নাই, আমাৰ সংস্কৃতি, ধৰ্মীয় বিশ্বাস আৰু সামাজিক জীৱনকো সমৃদ্ধ কৰিছে আৰু বিশ্ব দৰবাৰত অসমীয়াক এক সংস্কৃতিবান জাতি হিচাপে পৰিচয় দিছে। বিহু, বিবাহ, নাম-প্ৰসংগ, পূজা-পাৰ্বণ অথবা অতিথি আপ্যায়নত কাঁহৰ সামগ্ৰী অবিহনে যেন আমাৰ পৰম্পৰা অসম্পূৰ্ণ। যেতিয়া ভাৰতৰ বা বিশ্বৰ এগৰাকী বিশিষ্ট ব্যক্তি অসমলৈ আহে তেওঁক আমি গামোচা আৰু শৰাইখন দিয়েই সন্মান জনাওঁ আৰু সেই শৰাইখন সৃষ্টি হয় সৰ্থেবাৰীৰ সৰুক্ষেত্ৰী অঞ্চলত। প্ৰায় ৪০০ শতিকাজোৰা এই শিল্পকলাৰ লগত জড়িত হৈ আছে প্ৰায় ১৮২৮ গৰাকী artisan, গঢ়শাল আছে ৩০০। যদি অনুমতি দিয়ে মই আমাৰ এই সদনক আজি অনুৰোধ কৰিছো এই গঢ়শালসমূহ inspection কৰাৰ বাবে। সেই তাহানিৰে অবিজ্ঞান সন্মত গঢ়শাল সমূহত গোটেই জীৱন তেওঁলোকে শেষ কৰি আমাৰ বাবে সংস্কৃতিবান জাতিৰ বাবে, শিল্পকলা বা লোকশিল্পৰ সৃষ্টি কৰিছে। এই গঢ়শালবোৰ বিজ্ঞান সন্মত হ'ব লাগে। ৩০০ গঢ়শালত প্ৰায় ১০,০০০ ভূমিপুত্ৰ খিলঞ্জীয়াই তেওঁলোকৰ জীৱিকা নিৰ্বাহ কৰি আছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই ঐতিহ্যবাহী উদ্যোগৰ সন্মুখত কিছু নতুন প্ৰত্যাহ্বান আহি থিয় দিছে। তাম আৰু ৰাঙৰ দৰে কেঁচামালৰ দাম ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ ফলত উৎপাদন ব্যয় যথেষ্ট বৃদ্ধি পাইছে। বজাৰত Stainless steel, Aluminium, Plastic ৰ সামগ্ৰী,

বাচনৰ প্ৰচলন বৃদ্ধি পোৱাৰ লগে লগে কাঁহৰ সামগ্ৰীয়ে নতুন প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। লগতে অসমত অসাধু ব্যৱসায়ীয়ে কাঁহৰ সামগ্ৰী tempering কৰিছে। ওপৰৰটো পিতলৰ বনাই কাঁহৰ দৰে কৰে আৰু ওপৰত প্ৰকৃত কাঁহ থাকে। এইদৰে tempering অসাধু ব্যৱসায়ীয়ে এই ব্যৱসায়ত হাত দিছে। যিদৰে গামোচাৰ ওপৰত অসাধু ব্যৱসায়ীয়ে হাত দিছে সেইদৰে কাঁহৰ ওপৰতো হাত দিছে। ইয়াক কঠোৰ হাতেৰে দমন কৰিব লাগে। এতিয়া মূল কথাটো হৈছে ইয়াৰ লগত জড়িত বহুত অভিজ্ঞ শিল্পীৰ বয়সে ভাটি দিছে। তেওঁলোকক আমি কোনো পেঞ্চন দিব পৰা নাই, তেওঁলোকক আমি নিৰাপত্তা দিব পৰা নাই। নিৰাপত্তা পালে নতুন প্ৰজন্ম ওলাই আহিব আৰু যদি গড়শালত তেওঁলোকৰ হাত পোৰে বা কিবাকে হাত চিঙি যায় এই ক্ষেত্ৰত আমি একো ব্যৱস্থা অথবা কোনো ধৰণৰ insurance ৰ ব্যৱস্থাও কৰিব পৰা নাই। সৰ্থেবাৰীৰ কাঁহৰ শিল্পৰ সম্ভাৱনা এতিয়াও অপাৰ। যদি এই উদ্যোগক পৰ্য্যটনৰ সৈতে অধিক সংযুক্ত কৰা হয়, ইতিমধ্যে GI tag ঘোষণা কৰা হৈছে, GI tag ৰ অধীনত শিল্পীসকলক ৰেজিষ্টাৰ কৰিবলৈ কাম আৰম্ভ কৰিছে। GI tag ৰ অধীনত ১৮২৮ গৰাকী শিল্পীৰ ভিতৰত এতিয়া মাত্ৰ ২৪০ গৰাকী ৰেজিষ্টাৰ হৈছে। এইটো চেন্নাইৰ পৰা আৰু নাবাৰ্ডে চাইছে। নাবাৰ্ডক এই বিষয়টো খৰতকীয়া কৰিবলৈ নিৰ্দেশ দিব লাগে। লগতে সৰ্থেবাৰী, সৰুক্ষেত্ৰীৰ কাঁহ শিল্পক বিশ্ব মানৰ ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে যথেষ্ট সম্ভাৱনা আছে আৰু যদি আমি এখন craft village গঢ় দিওঁ তেতিয়া হ'লে এই শিল্পীকলাই গোটেই বিশ্ব জিনিব পাৰিব। ইতিমধ্যে বিশ্বৰ বিভিন্ন দেশৰ মানুহ ইয়ালৈ চাবলৈ আহে কি ধৰণে হাতেৰে নিৰ্মাণ কৰা হয় এই সুন্দৰ শিল্পকলা। মোৰ বিশ্বাস, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে থলুৱা উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত যি আন্তৰিকতা আৰু দায়বদ্ধতা দেখুৱাইছে তাৰ ধাৰাবাহিকতাৰ বাবে সৰ্থেবাৰীৰ বেল মেটেল উদ্যোগে নতুন শক্তি আৰু নতুন পৰিচয় পাব। মই এইটো নকওঁ যে চৰকাৰে একো কৰা নাই, চৰকাৰখনে কৰিছিল , মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনিও জানিব যে ২০১৮-১৯ চনত ১ কোটি টকা বেল মেটেল কিনাৰ বাবে দিছিল। এতিয়া বেল মেটেলৰ ইমান দাম

হৈ যে সৰ্থেবাৰীৰ কাঁহ শিল্পীয়ে এইবোৰ কিনিব নোৱাৰা হ'ল। তেওঁলোকে যিবোৰ ভঙা কাঁহ থাকে সেইখিনি কাঁহকে পুনৰ গড়শালত দি নতুনকৈ সৃষ্টি কৰে। মাননীয় অধ্যক্ষ মহোদয়, ভঙা কাঁহ কিনাৰ বাবে ১ কোটি টকা দিয়া হৈছিল। তাৰে ৫০ লাখ টকাৰে bell metal কিনিলে আৰু বাকী ৫০ লাখ টকা আমাৰ উপায়ুক্ত আৰু বিভিন্ন অফিচে নিদিলে। বিভিন্ন মেৰপাচৰ বাবে টকাটো এতিয়াওঁ পৰি আছে। আনফালে চৰকাৰে প্ৰায় ৪.২৭ কোটি টকাৰ ২৫৪ গৰাকী শিল্পীৰ ঋণ মাফ কৰি দিছে। ৩২ গৰাকী শিল্পীক বিভিন্ন আঁচনিৰে সুৰক্ষিত কৰিছে। কিন্তু আমাৰ শিল্পীৰ সংখ্যা হৈছে ১৮২৮ গৰাকী। এই ঐতিহ্যপূৰ্ণ যি অসমীয়া জাতিক বিশ্ব দৰবাৰত চিনাকী দিছে, যি শিল্পকলা অবিহনে অসমীয়া জাতিৰ ইতিহাস অসম্পূৰ্ণ। এনেকুৱা শিল্পকলাক পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে Craft Village আৰু শিল্পীসকলৰ বাবে সুলভ মূল্যৰ কেঁচা সামগ্ৰী প্ৰদান কৰিব লাগিব। ইয়াৰ লগতে তেওঁলোকৰ নিৰাপত্তা প্ৰদান কৰিব লাগিব। আজিলৈকে এই শিল্পকলাত কোনেও হাত দিব পৰা নাই আৰু নোৱাৰেও। কেৱল ভূমি পুত্ৰ, খিলঞ্জীয়া সৰ্থেবাৰীৰ সৰুক্ষত্ৰীৰ লোকসকলে কৰি আছে। কাৰণ ইয়াৰ লগত অতি সুক্ষ্ম, মননশীল বিজ্ঞানসন্মত চিন্তা আছে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিছো যে চৰকাৰে যাতে এইবোৰত দৃষ্টি নিক্ষেপ কৰে আৰু মই ক'ব বিচাৰো যে সৰ্থেবাৰীৰ কাঁহ শিল্প কেৱল ধাতুৰ শিল্প নহয়, ই অসমৰ ঐতিহ্যৰ গৰিমা, ই দিপ্তীময় কাঁচিয়লি ৰ'দৰ আভাস। শিল্পৰ কামৰ মূল্য আৰু আমাৰ সাংস্কৃতিক আত্ম পৰিচয়ৰ এক উজ্জ্বল দৃষ্টান্ত। এই ঐতিহ্যক সংৰক্ষণ কৰাটো আমাৰ প্ৰজন্মৰ এটা কৰ্তব্য। আগন্তুক প্ৰজন্মৰ প্ৰতি আমাৰ অংগীকাৰ যে আমি সৰ্থেবাৰীৰ সৰুক্ষত্ৰীৰ শিল্প কলাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে আমাৰ চৰকাৰে উপযুক্ত বিজ্ঞানসন্মত ব্যৱস্থা ল'ব লাগিব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰিলো। মোক ক'বলৈ সুযোগ দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো।

**শ্ৰী প্ৰশান্ত ফুকন, (ডিব্ৰুগড়) :** মাননীয় অধ্যক্ষ মহোদয়, মোক এই বিষয়ে দু-আষাৰমান ক'বলৈ দিলে ভাল পাম।

**माननीय अध्यक्ष :** আপুনি তেখেতৰ লগত দু-আষাৰমান সংযোজন কৰিব বিচাৰিছে, ঠিক আছে।

**শ্ৰী প্ৰশান্ত ফুকন, (ডিব্ৰুগড়) :** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ লগত দু-আষাৰমান সংযোজন কৰিব বিচাৰিছো। মাননীয় সদস্য দীপক কুমাৰ দাস ডাঙৰীয়াই সৰ্থেবাৰীৰ কাঁহ-পিতলৰ ওপৰত যিখিন কথা ক'লে মই ইয়াৰ লগত এটা কথা সংযোজিত কৰিব বিচাৰিছো যে কাঁহ-পিতল অসমীয়া জাতিৰ এটা স্বাভিমান। ইয়াত বহি থকা ১২৬ জন বিধায়কৰো স্বাভিমান। আপুনি চাব ল'ৰা-ছোৱালী জন্ম হোৱাৰ পিছত যেতিয়া অন্নপ্ৰাশন হয়, আমি খুব স্বাভিমানেৰে এযোৰ কাঁহী-বাটি দিওঁ। এই কাঁহী-বাটিয়ে আমাৰ মনটো উজ্জ্বিৱীত কৰে। আমি ভাৱো যে অতি সন্মানেৰে এবিধ সম্পদ দিওঁ । কিন্তু আজি সৰ্থেবাৰীৰ কাঁহ শিল্পটোৰ কি অৱস্থা হৈছে, সেই বিষয়ে মাননীয় সদস্য দীপক দাস ডাঙৰীয়াই কৈছে। ইয়াৰ লগত মই আজি এটা কথা ঘোষণা কৰিব বিচাৰিছো। এই ১২৬ জন বিধায়কে উপলব্ধি কৰিব লাগে যে আমাৰ ঘৰত এই কাঁহ-পিতলৰ যি পৰিত্যক্ত বাচন-বৰ্তন আছে, ধৰি লওঁক মোৰ ঘৰত মোৰ জন্মৰ যি কাঁহৰ গিলাচ আছে, সেইটো ফুটি গৈছে। কিন্তু সেইটো মই কোনো এটা ঠাইত আটোম-টোকাৰিঁকৈ থৈ দিছো । সেইটো অব্যৱহৃত হৈ আছে । আমাৰ ইয়াত বহি থকা প্ৰায় আটাইকেইজন বিধায়কৰ ঘৰতে এনেকুৱা ধৰণৰ বাচন-বৰ্তন আছে । মোৰ ঘৰতো অব্যৱহৃত প্ৰায় ৫ কিলোগ্ৰাম মান কাঁহ-পিতলৰ সামগ্ৰী আছে । মই আজি আপোনাৰ জৰিয়তে ঘোষণা কৰিব বিচাৰিছো যে এই অব্যৱহৃত ৫ কিলোগ্ৰাম কাঁহ-পিতলৰ সামগ্ৰী কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিবলৈ সৰ্থেবাৰীত দিম। এই ব্যৱস্থাটো গ্ৰহণ কৰিব লাগে আৰু এইখিনি কৰিবলৈ মই প্ৰত্যকজন সদস্যকে অনুৰোধ কৰিছো। এইখিনি কৰিবলৈ আমি পইচা নলওঁ। কিন্তু বাকী লোকসকলৰ ঘৰত যদি এনেকুৱা সামগ্ৰী আছে সেইখিনি কেঁচা সামগ্ৰী হিচাপে সংগ্ৰহ কৰিবলৈ চৰকাৰে যদি ব্যৱস্থা গ্ৰহণ কৰে তেন্তে এই শিল্পটো আগন্তুক দিনত জীয়াই থাকিব। এই শিল্পটো আমাৰ অসমীয়া লোকৰ স্বাভিমান আৰু মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় এই বিষয়ে সদুত্তৰ দিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী বিমল বৰা, ( মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দীপক দাস ডাঙৰীয়ই এটা অতি গুৰুত্বপূৰ্ণ বিষয় সদনৰ দৃষ্টিগোচৰ কৰিছে। সৰ্থেবাৰীৰ বেল মেটেল (কাঁহ) উদ্যোগৰ সংৰক্ষণ, আধুনিকীকৰণ, কাৰিকৰসকলৰ আৰ্থিক সুৰক্ষা আৰু বজাৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে তেখেতে জানিব বিচাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ অসমৰ যিখিনি কুটীৰ শিল্প আছে, যি কুটীৰ শিল্পই অসমৰ সভ্যতা-সংস্কৃতি, পৰম্পৰাক বিকশাই তুলিছে, তাৰ ভিতৰত অন্যতম এই কাঁহ-পিতল উদ্যোগ। এই উদ্যোগটোক বিশ্ব দৰবাৰত স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে সৰ্থেবাৰীৰ Metal Craft ক ভৌগলিক সূচক (Geographical Indication) যাক GI Tag বুলি কওঁ, সেইটো প্ৰদান কৰা হৈছে। এই পঞ্জীয়ণটো Assam Cooperative Bell Metal Utensils Manufacturing Society Ltd. ত সৰ্থেবাৰীৰ নামত ৬২৬ নং প্ৰমাণ পত্ৰৰে ২০২৪ চনৰ ২৩ মাৰ্চ তাৰিখে প্ৰদান কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, এই GI Tag প্ৰাপ্ত সৰ্থেবাৰীৰ কাঁহ উদ্যোগটোৰ স্বকীয়তা আৰু মৰ্য্যদা সংৰক্ষণ কৰাৰ লগতে নকল সামগ্ৰীৰ যি বিপণন য'ত সৰ্থেবাৰীৰ নামত ভেজাল বা নকল বস্তু যাতে বিক্ৰী কৰিব নোৱাৰে তেনেকুৱা ধৰণৰ বিপণন ৰোধ কৰিব লাগিব। শিল্পীসকলৰ যি উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন, বজাৰ সম্প্ৰসাৰণ, ৰপ্তানিৰ সম্ভাৱনীয়তা বৃদ্ধি আৰু স্থানীয় শিল্পীসকলৰ আৰ্থ-সামাজিক উন্নয়ণত এই GI Tag এ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। আমি সকলোৱে অৱগত যে সৰ্থেবাৰীৰ যি পৰম্পৰাগত কাঁহ-পিতলৰ শিল্প সেইয়া ইতিহাস প্ৰসিদ্ধ আৰু সু-প্ৰসিদ্ধ কেন্দ্ৰ। আমাৰ মাননীয় সদস্য দীপক দাস ডাঙৰীয়াৰ লগতে প্ৰশান্ত ফুকন ডাঙৰীয়াই কৈছে যে অসমৰ প্ৰতিটো পৰিয়ালে অতীজৰ পৰা এই জীৱন যাত্ৰাটোক আগুৱাই লৈ গৈছিল। সেইকাৰণ বহু প্ৰজন্ম ধৰি সৰ্থেবাৰীৰ যি সুদক্ষ শিল্পী আছিল তেওঁলোকৰ নিজৰ পৰম্পৰাগত জ্ঞান, নিপুণ কাৰুকাৰ্য্য আৰু কঠোৰ

পৰিশ্ৰমৰ জৰিয়তে আজি ইয়াক জীয়াই ৰখাৰ পৰিৱেশলৈ গুছি গৈছে। কাৰণ ইয়াত বিভিন্ন সমস্যা আছে আৰু এই বিষয়ে আমাৰ চৰকাৰ অৱগত। চৰকাৰে এই কথাখিনি অনুভৱ কৰিয়েই বিভিন্ন আঁচনিৰ জৰিয়তে এই উদ্যোগটোক জীয়াই ৰখাৰ প্ৰয়াস কৰিছে আৰু আমাৰ চৰকাৰৰ তৰফৰ পৰা ২০১৮-১৯ বিত্তীয় বৰ্ষত মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি (MMTOBA) ৰ জৰিয়তে Bell Metal Artisans and Trading Cooperative Society Ltd. লৈ আমি ১ কোটি টকা প্ৰদান কৰিছো। কিন্তু এতিয়া দীপক দাস ডাঙৰীয়াই কৈছে যে ৫০ লাখ টকা তেওঁলোকে পাইছে আৰু বাকী ৫০ লাখ টকা পোৱা নাই। কি কাৰণে পোৱা নাই, মই বিভাগীয় বিষয়াসকলক অনুৰোধ জনাইছো যাতে তেখেতসকলে গোটেই বিষয়টো চায় আৰু ২০১৯-২০ বৰ্ষত আমাৰ এই শিল্পটোৰ লগত জড়িত হৈ থকা ২৫৪ গৰাকী শিল্পীৰ বেংকৰ যি লোন আছিল, সেই বেংকৰ বকেয়া মাফ কৰাৰ উদ্দেশ্যে প্ৰায় ৪,২৭,০০,০০০ টকাৰ আৰ্থিক অনুদান প্ৰদান কৰিছো। আমি সকলোৱে জানো যে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আমাৰ এনেধৰণৰ কুটীৰ শিল্পৰ লগত জড়িত হৈ থকা শিল্পীসকলক উজ্জ্বিৱীত কৰাৰ উদ্দেশ্যে বিশ্বকৰ্ম্মা আঁচনি প্ৰস্তুত কৰিছে। ইতিমধ্যে ৩২ গৰাকী শিল্পীক বিশ্বকৰ্ম্মা পৰিচয়পত্ৰ প্ৰদান কৰিছো। ইয়াৰে ২৬ জন শিল্পীয়ে উন্নত সঁজুলি লাভ কৰিছে আৰু ৬ জন শিল্পীয়ে বেংকৰ পৰা ১ লাখ টকালৈকে ঋণ লাভ কৰিছে। দীপক দাস ডাঙৰীয়া যিহেতু উক্ত বিধানসভা সমষ্টিৰ হৈ এই প্ৰশ্নটো উত্থাপন কৰিছে তেওঁক মই জনাব বিচাৰিছো আগন্তুক দিনত মাননীয় মুখ্যমন্ত্ৰীৰ যিখন ধ্বজাবাহী আঁচনি আছে যিখন আঁচনি ''মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'' নামেৰে আমি সকলোৱে জানো। এইক্ষেত্ৰতো আমি তেওঁলোকক যথেষ্ট সহায় কৰিব পাৰো। গতিকে বেল মেটেলৰ এই উদ্যোগটো আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আপুনি পৰামৰ্শ দিলে শিল্পীসকলক তেনেধৰণেও আমি উৎসাহিত কৰিব পাৰো আৰ্থিকভাৱে আৰু লগতে মই জনাইছো যে ৩২ জন শিল্পীক ''ইণ্ডিয়ান ইনষ্টিটিউট অৱ পেকেজিং, দিল্লীৰ জৰিয়তে উন্নত মানৰ পেকেজিঙৰ বিষয়ত আমি ইতিমধ্যে তেওঁলোকক প্ৰশিক্ষণো প্ৰদান কৰিছো। মাননীয় অধ্যক্ষ

মহোদয়, এই বেল মেটেল  উদ্যোগটো লৈ আমাৰ দল ভাৰতীয় জনতা পাৰ্টিও যথেষ্ট কনচাৰ্ণ আৰু যোৱা নিৰ্বাচনত আমাৰ যিখন সংকল্প পত্ৰ, সেই সংকল্প পত্ৰটো এই বেল মেটেলৰ উন্নয়নৰ কথা আমি ইয়াত উল্লেখ কৰিছো। এই সংকল্পক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে শিল্পটোৰ সামগ্ৰিক আৰু পৰিকল্পিত উন্নয়নৰ বাবে চাৰি বছৰীয়া এটা পৰিকল্পনাৰো চিন্তা-চৰ্চা কৰা হৈছে। এই ক্ষেত্ৰত এইবাৰ বাজেটতো পৰিকল্পনা সাপেক্ষে ধন আবন্টনৰ প্ৰস্তাৱ ৰখা হৈছে। ইয়াৰ জৰিয়তে মই ভাবো যে এই উদ্যোগটোৰ আন্তঃগাঁথনি উন্নয়ন, আধুনিক উৎপাদন ব্যৱস্থা, কেঁচামালৰ সহজ লভ্যতা আৰু স্কিল ডেভেলপমেণ্ট আৰু বজাৰৰ সংযোগৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ বাবে আমি ইয়াতে লক্ষ্য নিৰ্ধাৰণ কৰিছো। সৰ্থেবাৰীত আপুনি এখন ক্ৰাফট লেজৰ কথা কৈছে। সৰ্থেবাৰীৰ কাঁহ পিতলৰ উদ্যোগৰ বিকাশৰ উদ্দেশ্যে ১৯৮৯চনত ৬০ বিঘা ভূমি আবন্টন দিয়া হৈছিল। ইয়াৰে চাৰে তিনি বিঘা ভূমিত এটা উমৈহতীয়া কেন্দ্ৰ স্থাপন কৰা হৈছিল। কিন্তু সময়ৰ লগে লগে যথাযথ আধুনিকীকৰণ আৰু প্ৰযুক্তিকৰণ, প্ৰযুক্তিগত উন্নীতকৰণৰ অভাৱত কেন্দ্ৰটোৰ ভৱন, সঁজুলী, যন্ত্ৰপাতি সমূহৰ যথেষ্ট  অৱনতি ঘটিছে বুলি আমি গম পাইছো। এই পৰিপ্ৰেক্ষিতত কাঁহ পিতলৰ এই গোটটো পুনৰ্জীৱিত আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে চৰকাৰে সমগ্ৰ ৬০ বিঘা ভূমিখণ্ডৰ সামগ্ৰিক আৰু পৰিকল্পিত এটা আঁচনিৰো আমি প্ৰস্তাৱ আগবঢ়াইছো। এই প্ৰস্তাৱৰ অধীনত সমগ্ৰ অঞ্চলটোত আভ্যন্তৰীণ পথৰ পৰা আৰম্ভ কৰি নলা-নৰ্দমা, সু-সংগঠিত ব্যৱস্থা, বিদ্যুৎ বিতৰণৰ ব্যৱস্থা পথৰ পোহৰ আৰু অন্যান্য যি সমূহ উদ্যোগিক আন্তঃগাঁথনিৰ তাত প্ৰয়োজন আছে, এইসমূহো গঢ়ি তোলাৰ আমাৰ পৰিকল্পনা আছে। মই ভাবো যে এইখিনি যদি আমি কৰি তুলিব পাৰো ইয়াৰ ফলত তাতে ক্ৰয়-বিক্ৰয়ৰো এটা চেন্টাৰ গঢ় লৈ উঠিব আৰু অসমৰ পৰ্যটন মানচিত্ৰটো ইয়াৰ যথেষ্ট প্ৰভাৱ পৰিব আৰু শিল্পী সকলেও এটা ভাল উন্নত মানৰ সু-সংগঠিত এটা পৰিৱেশৰ মাজত তেওঁলোকৰ যেতিয়া সেই শিল্প গঢ়ি উঠিব তেওঁলোকৰ নিজৰ মনতো  স্বাভিমান সৃষ্টি হ'ব। গতিকে আগন্তুক দিনত এই বেল মেটেলক

লৈ আমাৰ চৰকাৰ আৰু লগতে ভাৰতীয় জনতা পাৰ্টি আমাৰ দুটা দল আৰু চৰকাৰ আমি খুব কনচাৰ্ণ। আগন্তুক দিনত আমাৰ পৰিকল্পনা আছে। যিহেতু সাংস্কৃতিক মন্ত্ৰী হিচাপে আপোনালোকে জানে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি যোৱা দিন বিলাকত অসমৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰাসমূহ বিকশাই তুলি বিশ্ববাসীৰ আগত আমি দৃষ্টি আকৰ্ষণ কৰিব পাৰো, তাৰ বহুকেটা গুৰুত্বপূৰ্ণ উদ্যোগ আমি গ্ৰহণ কৰিছিলোঁ যেনে বিহু বিনন্দীয়া, ঝুমই বিনন্দিনী, বাগৰুম্বা ডহৌ, ঠিক তেনেধৰণে চাৰিশ বছৰীয়া লাচিতৰ জয়ন্তী এইসমূহ আমাৰ চৰকাৰৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি কৰিছিলোঁ। এইসমূহ যদি আমি চাওঁ বিহুৱে হওক, ঝুমুৰে হওক বা বাগৰুম্বাই হওক ই কেৱল নৃত্য-গীতেই নহয়, ইয়াৰ লগত আমাৰ স্বকীয় ৰীতি-নীতিৰ পৰা আৰম্ভ কৰি কুটিৰ শিল্পৰ পৰা বাণিজ্য লৈকে ইয়াত জড়িত হৈ আছে। কাৰণ আৰনাইখনেই হওক বা গামোচাখনেই হওক ই আমাৰ সাংস্কৃতিক বৈভৱতাৰ এটা প্ৰতীক। কিন্তু সমান্তৰালভাৱে ই এটা উদ্যোগও হয় আৰু সমান্তৰালভাৱে এই উদ্যোগৰ জৰিয়তে এই সংস্কৃতিৰ জৰিয়তে আমি অৰ্থনৈতিক পৰিকাঠামো সমূহ গঢ়ি তুলিব পাৰো। সেইকাৰণে আগন্তুক দিনত আমি চিন্তা-চৰ্চা কৰিছো যে এইসমূহ বাণিজ্যিকিকৰণৰ ক্ষেত্ৰত সৰ্থেবাৰীৰ কাঁহ পিতলৰেই হওক, আমাৰ গামোচাই হওক, আৰনাইয়ে হওক অথবা আমাৰ সাংস্কৃতিক যিসমূহ সমল আছে, সেই ফ’ক, মিউজিকেল ইনষ্ট্ৰুমেণ্ট, ফ’ক এটায়াৰ ইত্যাদিসমূহে যাতে এখন সুস্থ বজাৰ পাব পাৰে, তাৰ কাৰণেও আমি আমাৰ অসমত থলুৱাভাৱে আমাৰ আগন্তুক দিনত যি সমূহ বাণিজ্যিক কেন্দ্ৰ আছে, সেই মল যি সমূহ আছে, আমাৰ ফাইভ ষ্টাৰ হোটেলসমূহ আছে, তাত একো একোটা আসাম কৰ্ণাৰ হিচাপে আমি স্থান নিৰূপণ কৰি তাত যাতে আমাৰ সেই থলুৱা বস্তুসসমূহ আমি ক্ৰয়-বিক্ৰয় কৰাৰ এটা চেন্টাৰলৈকে ৰূপান্তৰিত কৰিব পাৰো, তাৰ বাবে ইতিমধ্যে আমাৰ বিভাগৰ লগত আলোচনা কৰিছো। আমি কেইবাটাও বিভাগ একেলগে এইখিনি আমি কাম কৰিব লাগিব যাতে এই  কাঁহ-পিতল উদ্যোগ যেনেধৰণে আজি প্ৰায় মৃতপায় অৱস্থা লৈকে গুচি গৈছে,  এই কাঁহ-পিতল

উদ্যোগটো  এই অৱস্থাৰ পৰা উজ্জীৱিত আমি কৰিবই লাগিব। কিন্তু, আমাৰ হাতত থকা যিসমূহ সামগ্ৰী আছে, এইসমূহ যাতে মৃতপ্ৰায় অৱস্থালৈ গতি নকৰে। কাৰণ এতিয়া পাৱাৰলুমৰ গামোচাই সমগ্ৰ অসমৰ বজাৰ ছানি ধৰিছে। আমাৰ শিপিনীসকলে উচিত মূল্য নোপোৱা হৈছে। পাৱাৰলুমৰ গামোচা কম দামত পোৱাৰ ফলত হাতে বোৱা গামোচাৰ বজাৰৰ চাহিদা কমি গৈছে। আনকি জিআই টেগ সম্বলিত আমাৰ গামোচাৰো এই অৱস্থা হৈছে। গতিকে এনেকুৱা ধৰণৰ গোটেই বিষয়বিলাক মই ভাবো যে আমি চকু দিব লাগিব। এইক্ষেত্ৰত আমাৰ ৰাইজৰো সহযোগিতা লাগিব আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, কুটিৰ উদ্যোগ এইসমূহ যাতে শক্তিশালী হৈ থাকে তাৰ কাৰণে সময়-সময়ে আমাক পৰামৰ্শ দিছে। গতিকে মই সৰ্থেবাৰীৰ বেল মেটেল উদ্যোগৰ ক্ষেত্ৰত আমাৰ চৰকাৰ যে দায়িত্বপূৰ্ণ, আমি যে কনচাৰ্ণ দায়িত্বসহকাৰে এই কথা মই অৱগত কৰিছোঁ। ধন্যবাদ।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** ধন্যবাদ মাননীয় মন্ত্ৰী ডাঙৰীয়া। সৰ্থেবাৰীত এক আদৰ্শ গাঁও গঢ়ি তোলাৰ বাবে পৰিকল্পনাৰ সম্পৰ্কত  মোৰ এটা ৰিটেন কোৱেশ্যন আছিল। এইটো কৈ দিব নেকি।

**শ্ৰী বিমল বড়া, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো  সম্পৰ্কত পৰিকল্পনা আছে৷

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নম্বৰ ৮ মাননীয় সদস্য  শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, গৌৰীপুৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত মোৰ ‘‘৭ নং গৌৰীপুৰ সমষ্টিৰ শোচনীয় যাতায়াত ব্যৱস্থাৰ উন্নতিৰ বাবে পথ আৰু দলং সম্পৰ্কে’’ শীৰ্ষক বিষয়টোৰ ওপৰত মোক যি কোৱাৰ সুবিধা কৰি দিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মই লোক নিৰ্মাণ বিভাগৰ মাননীয় মন্ত্ৰী বা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব

বিচাৰিছোঁ। মই আজি মোৰ সমষ্টিৰ, নৱগঠিত গৌৰীপুৰ সমষ্টিৰ সম্পৰ্কে দুষাৰ কথা ক'ব বিচাৰিছোঁ। প্ৰথমতে, এই সমষ্টিতো অসমৰ একেবাৰে পশ্চিম প্ৰান্তৰ ৱেষ্ট বেংগলৰ সীমাত লাগি আছে । আমি যদি কওঁ একেবাৰে শালডাঙা, বাৰুবিশা, তাৰ পৰা আৰম্ভ কৰি আহি এইখন সমষ্টি একেবাৰে বিলাসীপাৰা টাউনলৈ পাইছেগৈ। এইফালে যদি আমি চৰলৈ যাওঁ তেনেহ'লে একেবাৰে কাজাইকাটা চৰলৈকে যাব লগা হয়। ইফালে এংগেলে গ'লে একেবাৰে সাপটগ্ৰামলৈকে যাব লগা হয়। যদি আমি চাওঁ প্ৰায় ১২৭ কিলোমিটাৰ দীঘল এখন সমষ্টি। ইয়াৰ মাজত কৰবাত গোলকগঞ্জ সমষ্টি পৰিছে। কোনোৱা কোনোৱা অঞ্চলত ধুবুৰী পৰিছে, বীৰসিং পৰিছে, পৰ্বতঝোৰা পৰিছে। মই ইয়াৰ আগত মোৰ প্ৰশ্নকালীন ঘন্টাত কৈছিলো ৩ লাখ ১২ হাজাৰ মান ভোটাৰ আছে। ইয়াত বহুত ৰাস্তাঘাটৰ কাম কৰিবৰ প্ৰয়োজন আছে কৰাৰ প্ৰয়োজন আছে। ৬ খন সমষ্টি সন্নিবিষ্ট হৈ এইখন সমষ্টি গঠিত হৈছে। য'ত গোসাঁইগাঁও সমষ্টি আছে, গোলকগঞ্জ আছে, ধুবুৰী আছে, বিলাসীপাৰা আছে, বীৰসিং আছে, গৌৰীপুৰ আছে। সেইকাৰণে মই কৈছোঁ, যে ইয়াত বহুতো কৰিবলগীয়া ৰাস্তা আৰু ঘাট আছে। তাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষত বাজেট চেচনৰ সময়ত মোৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে নিজে কৈছিলে । মই তেতিয়া তুলি ধৰিছিলো গঙ্গাধৰ নৈৰ ওপৰত তৃতীয়খন দলঙৰ কথা, কাঁঠালতলী পৰা আৰম্ভ কৰি আমাৰ তামাৰহাট লৈকে, যিটো আমি শিমলাবাৰী কুমাৰগঞ্জ ক'ব পাৰোঁ। আজিৰ দিনত এই ঠাইখিনি, গোলকগঞ্জ আৰু গৌৰীপুৰ দুটা সমষ্টিতে অৱস্থিত। আমাৰ আজি এই সদনতে উপস্থিত থকা আমাৰ সন্মানীয় কেবিনেট মন্ত্ৰী ২০১৬ৰ পৰা ২০২১ চনলৈকে বিধায়ক আছিলে আৰু তেওঁ কেইবাবাৰো সদনত উত্থাপন কৰিছিলে সেইখন ব্ৰীজৰ কথা। মইয়ো মোৰ যোৱা পাঁচ বছৰীয়া কাৰ্য্যকালত উত্থাপন কৰিছিলো আৰু ২০২৩-২৪ চনৰ বাজেট চেচনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কথা দিছিলে যে অহা বাজেটত আমি এইখন ব্ৰীজ ল'ম, কিয়নো তেতিয়াৰ প্ৰাক্তন বিধায়কে বাৰে বাৰে এই সম্পৰ্কত মোক কৈ আছিলে । এইখন ব্ৰীজ যদি হয় তেনেহ'লে আমি কোচবিহাৰ বক্সিৰহাটৰ পৰা direct ৰূপসী

বিমানবন্দৰলৈকে আহিব পাৰিম, মহামায়া ধামলৈকে আহিব পাৰিম। এইখন ব্ৰীজৰ যথেষ্ট গুৰুত্ব আছে  আৰু এইখন ব্ৰীজ যদি হয় তেনেহ'লে ৰাস্তাটোৱে, ব্ৰীজখনলৈ direct আহি পাব। আমাৰ ১২৭ বি, যিটো শ্ৰীৰামপুৰৰ পৰা ফুলবাৰী ব্ৰীজ হৈ একেবাৰে মেঘালয়লৈকে আহিছে । এইখন ব্ৰীজৰ কাৰণে মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কথা দি থৈছে । ইয়াৰ উপৰিও কেইবাখনো ব্ৰীজ আছে যি খুবে গুৰুত্বপূৰ্ণ । তাৰে মই কৈছো হাজীৰ-হাট চৰাইখোলা ৰোডত এখন ব্ৰীজ আছে, পাগলাহাটৰ পৰা কদমতলী বজাৰলৈকে গোদাৰঘাটৰ ব্ৰীজ, মহামায়া আই.বি. ৰ পৰা গুটিপাৰা ৰোড ইয়াৰ ওপৰত এখন ব্ৰীজ, কামনডাঙা বজাৰৰ পৰা কামনডাঙা কুটীলৈকে ব্ৰীজ । ব্ৰীজটো এশ এবুৰি কৰিবলগা আছে, মই কেইবাখনো খুব গুৰুত্বপূৰ্ণ ব্ৰীজৰ কথা উত্থাপন কৰিছোঁ। লগতে ৰাস্তা বহুত কৰিবলগা আছে, কাৰণ আপোনালোকে জানে আমাৰ অঞ্চলটো সম্পূৰ্ণৰূপে কৃষি প্ৰধান অঞ্চল। এই অঞ্চলৰ কৃষকসকলক যদি আমি সুবিধা কৰি দিব নোৱাৰো, খেতি কৰিবৰ কাৰণে যিখিনি মেটেৰিয়েলচ, সাৰ লগতে বাকী বস্তু কিনিব লাগে সেইখিনি কিনি লৈ যোৱা আৰু উৎপাদিত শস্যখিনি আমি বজাৰত বিক্ৰী কৰা, সেই সুবিধাখিনি দিব গ'লে আমি ৰাস্তাৰ উন্নয়ন কৰিব লাগিব, ব্ৰীজৰ উন্নয়ন কৰিব লাগিব। ইয়াত বহুতো ৰাস্তা দিয়া আছে, যেনে আঠঘৰীটাৰী এফ. উ. ৰোড, আমাৰ বৰোণদাঙাৰ কথা কৈছো খাবুৰ জামান হাউচটো আমাৰ হ’ক হাউচলৈকে বৰোণদাঙাৰ এটা গুৰুত্বপূৰ্ণ ৰাস্তা। এইটো ৰাস্তা গোলকগঞ্জ আৰু গৌৰীপুৰ, দুটা সমষ্টিতে পৰিছে । ঠিক তেনেকৈ কাইম মাটিৰ পৰা শিকদাৰ হাউচলৈকে কাইম মাটি ভিলেজ, এইখনো গোলকগঞ্জ গৌৰীপুৰ দুটা সমষ্টিতে পৰিছে । তেনেকুৱা NH 17 টো জুৰান মাষ্টৰ হাউচটো ১৯৬১ নম্বৰ ৰাস্তা মানে স্কুললৈকে যোৱা ৰাস্তাটো, মোৱালীঘাটৰ পৰা আলমগঞ্জলৈকে যোৱা ৰাস্তা, NH-17 ৰ পৰা, চাহেবগাঞ্জ বজাৰ বা চাহেবগাঞ্জ পি.ডব্লিউ. ৰোডৰ পৰা আমি লালকুৰা মটৰঝাৰ পাৰঘাটলৈকে ৰাস্তাটো, বানিয়ামাৰী পাৰ্ট ৪ ৰ পৰা টোপপাৰা ঝাওপাৰা বজাৰ হৈ সাধুভাসা গাঁও পঞ্চায়ত অফিচলৈ, ধুতুৰামাৰী পি.এম.জি.এছ.ৱাই. ৰোডটো

ৰামনাথপাৰা ব্ৰীজ near তামাৰ river, আলমগঞ্জ বজাৰৰ পৰা ফুলঘটেৰীলৈকে যোৱা ৰাস্তাটো, আলমগঞ্জ বজাৰত ড্ৰেইনৰো প্ৰয়োজন আছে । বিলাসীপাৰা আই.বি. ৰ পৰা গুটিপাৰা বজাৰ ৰাস্তা, NH 17 at নয়া হাট ৰ পৰা ডুবাচুৰী ৰোড, NH 17 at শংকোস গোবৰ্ধনপাৰা ৰোড, এইবিলাক ৰাস্তা বহুতো গুৰুত্বপূৰ্ণ আৰু বিশেষকৈ আমাৰ কৃষকসকলৰ লগত জড়িত। লগতে মই আৰু দুই এটা কথা ক'ব বিচাৰিছোঁ। আমাৰ দুটা মথাউৰিৰ খুব বিশেষ প্ৰয়োজন কাৰণ বাৰিষাকালত বানপানীৰ সময়ত গঙ্গাধৰ নৈৰ বাঢ়নী পানীয়ে আমাৰ বিস্তৰ কৃষকসকলৰ খেতিৰ শস্য নষ্ট কৰে, তাৰ কাৰণে আমাৰ কৃষক সকলে বহুতো সমস্যাৰ সম্মুখীন হয়। মই ভোলাৰ গাছ মথাউৰি কথা ক'ব বিচাৰিছো । আইৰমাৰিৰ পৰা আমাৰ কৈমাৰি কাঠালতলী লৈকে, এই মাথাউৰিটো ঠিক আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ঘৰৰ ওচৰৰ উত্তৰ ফালে পৰে। এই খুব গুৰুত্বপূৰ্ণ । এই মাথাউৰিটো পকী হোৱাৰ প্ৰয়োজন আছে । বিশেষকৈ সাতশলাৰ পৰা পূৰ্ণি হৈ চৰাইখোলালৈকে গঙ্গাধৰ নদীৰ এইটোও এটা মাথাউৰি । কদম তলি বজাৰ via এই মাথাউৰিটো হ'লে আমাৰ কৃষকসকলে বাচিব । এই মাথাউৰিটো গোলকগঞ্জ আৰু গৌৰীপুৰ দুটা সমষ্টিকে সামৰি লৈছে । মই আজি এইখিনি ক'ব বিচাৰিছো যে আমাৰ বহুত কৰিব লগা কামৰ ভিতৰত এই কেইটা কামক বেছি priority দি আৰু বহুত কাম কৰিব লগা আছে । আমাৰ মাননীয় মন্ত্ৰী মহোদয় যিহেতু আছে, তেখেতৰ দ্বাৰা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে মাননীয় মন্ত্ৰী শ্ৰী অশ্বিনী ৰায় সৰকাৰ ডাঙৰীয়াই ইয়াৰ ওপৰত তেখেতে ক'ব । কাৰণ দুটা সমষ্টিকে ইয়াত সংযোগ কৰা হৈছে । আৰু মই ধন্যবাদ জনাম আমাৰ আগৰ Water Resource Department ৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰীকা ডাঙৰীয়াক যিহেতু যোৱা কাৰ্য্যকালত আমাৰ তাইৱান বজাৰৰ পৰা চৰাইখোলালৈকে এটা মাথাউৰি দিয়াৰ কাৰণে আমাৰ বিস্তৰ উপকাৰ হৈছে ।

**মাননীয় উপাধ্যক্ষঃ** Please conclude. ইয়াৰ বাবে সময় নাপাব আপুনি। Kindly conclude.

**আব্দুছ ছোৱাহান আলী সৰকাৰ, ( গৌৰীপুৰ )ঃ** মই তুলি ধৰা এই কেইটা সমস্যা যদি গুৰুত্ব দি সমাধান কৰি দিয়ে, তেনেহ'লে নিশ্চিতভাৱে এটা আংশিক সকাহ পাম। এইখিনি কৈ মই আমাৰ বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰীলৈ দৃষ্টি আকৰ্ষণ কৰিছো। নিশ্চিতভাৱে অনাগত দিনত এই সমস্যাখিনিৰ ওপৰত গুৰুত্ব আৰোপ কৰি সমাধান কৰাৰ প্ৰচেষ্টা হাতত ল'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰীকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ) ঃ** সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য আব্দুছ ছোৱাহান আলী সৰকাৰ ডাঙৰীয়াই 301 যোগেদি কৰা গড়কাপ্তানী বিভাগৰ তেখেতৰ সমষ্টিৰ কেইটামান সমস্যা বিষয়ে অৱগত কৰিছে। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, গৌৰীপুৰ সমষ্টিৰ পথ আৰু দলং নিৰ্মাণৰ অপৰিহাৰ্য্য বিষয়টো অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে গুৰুত্বসহকাৰে লৈছে। অৱশ্যে মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰা পথ আৰু দলং খিনিৰ বাবে এক বুজন পৰিমাণৰ পুঁজিৰ প্ৰয়োজন হ'ব। উল্লেখ্য যে শিমলাবাৰী কাপাথলীৰ পৰা কামাৰহাট কুমাৰগঞ্জৰ গঙ্গাধৰ নদীৰ ওপৰত প্ৰস্তাৱিত দলংখন প্ৰায় ১৫০০ মিটাৰ দৈৰ্ঘ্যৰ হ'ব লাগিব আৰু মহামৰা আই.বি ৰ পৰা গুটিপাৰা দলংখন ৬২৫ মিটাৰ দৈৰ্ঘ্যৰ হ'ব লাগিব। হাজীৰহাট বুদাৰহাট কামানডাঙ্গা বজাৰৰ পৰা কামানডাঙ্গা কুটি বনিয়ামাৰী পিটি থাৰ্ডৰ পৰা আমবাৰী হাইস্কুল, এই কেইখন দলঙৰ প্ৰয়োজনীয় দৈৰ্ঘ্য যথাক্ৰমে ৬০ মিটাৰ, ৩০ মিটাৰ, ৯০ মিটাৰ আৰু ৪৫ মিটাৰ। পিয়াজবাৰী খাদুভাসা দলংখনৰ বাবে প্ৰয়োজনীয় ভূমিৰ অভাৱ বুলি জনা গৈছে। মাননীয় বিধায়ক মহাশয়ে উল্লেখ কৰা পথ আৰু দলংখিনি তুলনামূলক প্ৰয়োজনীয়তা, পুঁজিৰ উপলব্ধতা, ভূমি অধিগ্ৰহণৰ প্ৰয়োজনীয়তা, পৰিৱেশ অনুকূলতা আৰু প্ৰাসংগিক বিষয়সমূহ পৰ্যালোচনা কৰি যথাসম্ভৱ প্ৰকল্প অনুমোদন কৰাৰ চেষ্টা কৰা হ'ব। উপাধ্যক্ষ ডাঙৰীয়া, আপোনালোকে সকলোৱে জানে যোৱা ১০ টা বছৰত আমি infrastructure development ৰ কাৰণে যথেষ্ট কাম কৰিছো। আমাৰ চৰকাৰখনৰ কাম হৈছে এই যোৱা ১০ বছৰত মূলত ৰাস্তাৰ উন্নতিকৰণ কৰা,

দলং বনোৱা, মথাউৰি বনোৱা, মুঠৰ ওপৰত communication strong কৰা। গতিকে যথেষ্ট কাম ইতিমধ্যে আমি কৰিছো, হয় কিছুতো কৰিব লগা আছে । মই কেতিয়াও কোৱা নাই যে ১০০% আমি কৰিছো। অলপ কিছু নতুন নতুন সমষ্টি য'ত হৈছে তাত অলপ কৰিব লগা হৈছে। ইয়াৰ লগত মাননীয় বিধায়ক আফতাব উদ্দিন মোল্লা ডাঙৰীয়াও আৰু ছোৱাহান আলী সৰকাৰ ডাঙৰীয়াও একেখিনি কথাই কৈছে। গতিকে নিশ্চয়কৈ পৰ্যায়ক্ৰমে এইখিনি কাম কৰা হ'ব । একেদিনে গোটেইখিনি কাম কৰা অসম্ভৱ। কিন্তু পৰ্যায়ক্ৰমে definitely কৰা হ'ব আৰু কৰিবলৈ চেষ্টা কৰা হ'ব।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Hon'ble Member Shri Tankeswar Rabha.

**শ্ৰী টংকেশ্বৰ ৰাভা, দুধনৈঃ** সন্মানীয় উপাধ্যক্ষ মহোদয় আৰু পবিত্ৰ সদন, under Rule 301 ৰ এটা বিশেষভাৱে বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ক উল্লেখ কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ দুধনৈ বিধানসভাৰ সমষ্টিৰ ৩৭ টা ৰাস্তা প্ৰায় ৬২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১৯৪৭ ত ভাৰত স্বাধীন হোৱাৰ পিছত কোনোখন চৰকাৰে এই অঞ্চলটো থকা ৩৭ টা ৰাস্তাৰ মই নিজে সাতটা ৰাস্তা দুধনৈ Sub-division Assistant আৰু Executive Engineer ৰ লগত গৈ চাইছোঁ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এটা ইচ্ছা থকা কাৰণে যোৱাবছৰ ইয়াত ৩৭ ৰাস্তা চেংশ্যন দিছে , মুঠ ৬২ কি.মি ৰাস্তা। লোক নিৰ্মাণ পথ বিভাগৰ পৰা , চাৰ্ভে, জিঅ' টেগিং, ডিপিআৰ সকলোখিনি কমপ্লিট কৰিছে। কিন্তু ফৰেষ্ট ডিপাৰ্টমেন্টৰ পৰা এই ৩৭ ৰাস্তাত এন ও চি দিয়া নাই। স্বাধীনতাৰ ৭৮ বছৰ পিচত এই জনজাতীয় মানুহখিনিক আগবঢ়াই লৈ যাবৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ে যিটো উদ্যোগ গ্ৰহণ কৰিছে , সেইখিনি নিস্ফল হ'ব, পানীত পৰি যাব। সেই অঞ্চলত ৯০ শতাংশ ৰাভা আৰু বড়ো মানুহে বাস কৰি আছে। ২০২৩ চনত ফৰেষ্ট এক্ট যিখন সংশোধন হ'ল তাত ডিভিজন ফৰেষ্টক লোকেল অথ'ৰিটি হিচাপে কিছু ৰিলেক্সেশ্যন কৰিবলৈ পৰিবেশটো দিছে। গতিকে মোৰ কথাটো ছাৰ, স্বাধীনতাৰ পিছত আজি ৭৮ টা বছৰে এই অঞ্চলৰ মানুহে কোনো কমিনিকেশ্যনৰ সুবিধাই পোৱা নাই । ফৰেষ্টত বাস কৰাৰ বাবে জনজাতি মানুহক অধিকাৰ দিছে, ঘৰ বনাবলৈ অধিকাৰ দিছে । গতিকে তেওলোক কমিনিকেশ্যনৰ বাবে অঞ্চলটো উন্নয়ণৰ বাবে যদি কোনো ব্যৱস্থা লোৱা নহয়

তেন্তে এইটো অতি দূৰ্ভাগ্যজনক হ'ব। গতিকে চৰকাৰক মোৰ এটা আহ্বান থাকিব যে, ইতিমধ্যে মই মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিছো।

চৰকাৰৰ জিলাৰ ফৰেষ্ট ডিপাৰ্টমেন্টলৈ এটা ষ্ট্ৰিক ইনষ্ট্ৰাকশ্যন চাব লাগে যাতে এই জনজাতি অধ্যুষিত অঞ্চলটোত এই ৩৭ টা ৰাস্তা- নিৰ্মাণৰ বাবে ফৰেষ্ট ডিপাৰ্টমেন্টে ষ্ট্ৰেইটফৰ্ৱাড ক্লিয়েৰেন্স দিয়ে এই কথাটো মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে বিশেষভাৱে মই উল্লেখ কৰিছো। ধন্যবাদ

**শ্ৰীপীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, টংকেশ্বৰ ৰাভা ডাঙৰীয়াই যিটো কথা আনিছে এই কথাখিনি প্ৰকৃততে অতি গুৰুত্বপূৰ্ণ। উপাধ্যক্ষ ডাঙৰীয়া এই কথাটোৰ লজিকটো মই বুজি নাপাওঁ। মানুহখিনিক থাকিবলৈ সুবিধা দিলো কিন্তু নিম্নোতম সুবিধাৰ পৰা বঞ্চিত কৰিলো। কথাটো তেনেকুৱা হ'ল ? মানুহখিনিক ফৰেষ্টত বসবাসৰ ফৰেষ্ট পট্টা দিলো, ৰাইট দিলো – কিন্তু তাত হস্পিটেল বনাব নোৱাৰি, স্কুল বনাব নোৱাৰি , তাত ৰাস্তা বনাব নোৱাৰি সেইটো এটা ডাঙৰ অসুবিধা। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আমি এই বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ৰ লগত বিশেষভাৱে আলোচনা কৰিম। ফৰেষ্ট ডিপাৰ্টমেন্টৰ মন্ত্ৰী ডাঙৰীয়াৰ লগতো বিশেষভাৱে আলোচনা কৰিম। মই পাৰ্লিয়ামেন্টৰী মিনিষ্টাৰ হিচাপেহে উত্তৰ দি আছো – এই কোৱেশ্যনটো মোৰ বাবেও প্ৰয়োজনীয়। জনজাতীসকল ভূমিপুত্ৰ। আমি তেওলোকক ৰাইট দিছো থাকিবলৈ , ফৰেষ্ট পট্টা দিছো। কিন্তু তেওলোকক নিম্নোতম সুবিধাৰ পৰা বঞ্চিত কৰিছো। গতিকে এই অসুবিধা সমাধানৰ বাবে নিশ্চয় গুৰুত্বসহকাৰে আলোচনা কৰিব লাগিব। তেখেতে কোৱা অনুসৰি এই অঞ্চলত ২২ টা ৰাস্তা চেংশ্যন হৈ গৈছে কিন্তু ফৰেষ্ট ডিপাৰ্টমেন্টে কৰিব দিয়া নাই। গতিকে মোৰ কথাটো হ'ল গছ ক'মকৈ কাটি বা একেবাৰে নকটা কৰি আমি ৰাস্তা কেইটা কৰিব পাৰো নেকি ? এই বনভূমিত বনপট্টা লৈ যিসকল থাকে তেওলোকৰ বাবে অন্য সুবিধা যেনে হস্পিটেল , পুলিছ ষ্টেশ্যন বা আউটপোষ্ট বা অংগনবাদী চেন্টাৰ ইত্যাদি কৰিব পাৰি নেকি , এই কথাবিলাক আমি চিৰিয়াচলী চিন্তা কৰিম।

**শ্ৰীটংকেশ্বৰ ৰাভা, ( দুধনৈ )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গছ কাটিব নালাগে। অলৰেডী কেঁচা ৰাস্তা আছে তাত।

**শ্ৰীপীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি )ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া হ'লে সহজ কথা হ'ব। মই নিশ্চয় আলোচনা কৰিম। অধ্যক্ষ মহোদয়, আপুনি তেতিয়া নাছিলে মই আপোনাক কওঁ যে, টংকেশ্বৰ ৰাভা ডাঙৰীয়াৰ সমষ্টিত ফৰেষ্ট এৰিয়াত ৬২ কি.মি ৰাস্তাৰ অনুমোদন হৈছে কিন্তু ফৰেষ্ট ডিপাৰ্টমেন্টে এন ও চি দিয়া নাই। গতিক অধ্যক্ষ মহোদয়, মই কৈছো যে, ফৰেষ্ট এৰিয়াত আমি জনজাতীয় লোকক থাকিবলৈ ৰাইট দিছো, ফৰেষ্ট পট্টা দিছো – তেওলোক ভূমিপুত্ৰ। কিন্তু আমি ডেভেল'পমেন্ট, ৰাস্তা –ঘাটৰ

সুবিধা দিয়া নাই , স্কুল, হস্পিটেল ইত্যাদিকে ধৰি কোনোধৰণৰ কনষ্ট্ৰাকশ্যনৰ অনুমতি দিয়া নাই যিটো এটা ডাঙৰ অসুবিধা হৈছে। এইটো অসুবিধা অসমৰ আন ঠাইতো আছে। এইটো ক্ষেত্ৰত আমি এটা উচিত সিদ্ধান্ত ল'ব লাগিব । গছ কাটিব লগা নহ'লে আৰু ভাল কথা , গছ্ নকটাকৈ ৰাস্তা হ'লে বনাব দিব লাগে। ৰাভা ডাঙৰীয়াই কৈছে তাত কেঁচা ৰাস্তা আছে গতিকে তাত ফৰেষ্টে কেৰল এন ও চিখন দিব লাগে। এইক্ষেত্ৰত আমি এটা উচিত সিদ্ধান্ত ল'ব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং – ৬ , মাননীয় মন্ত্ৰী বিমল বৰা ডাঙৰীয়াই The Assam micro ,Small and Medium Enterprises (Facilitation of Establishment and Operation Bill ,2026) বিধেয়কখন উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিব৷

**শ্ৰীবিমল বৰা, ( মন্ত্ৰী, বাণিজ্য ও উদ্যোগ ইত্যাদি )** ঃ অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam micro ,Small and Medium Enterprises (Facilitation of Establishment and Operation Bill ,2026) খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ বিধেয়ক খন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? '' যি সকল সপক্ষে আছে কওক 'হয়' , যিসকল বিপক্ষে আছে কওক ' নহয়' মই ভাৰো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীবিমল বৰা, ( মন্ত্ৰী, বাণিজ্য ও উদ্যোগ ইত্যাদি )** ঃ অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই **T**he Assam micro ,Small and Medium Enterprises (Facilitation of Establishment and Operation Bill ,2026) খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী ৰামেশ্বৰ তেলী ডাঙৰীয়াই The Assam shops and Establishment (Amendment Bill, 2026 **)** বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰীৰামেশ্বৰ তেলী, ( মন্ত্ৰী শ্ৰম ও নিয়োগ ইত্যাদি )**ঃ অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে - The Assam shops and Establishment (Amendment Bill, 2026 **)** সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ বিধেয়ক খন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? '' যি সকল সপক্ষে আছে কওক 'হয়' , যিসকল বিপক্ষে আছে কওক ' নহয়' মই ভাৰো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীৰামেশ্বৰ তেলী**, **(মন্ত্ৰী, শ্ৰম ও নিয়োগ ইত্যাদি** )ঃ অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে - The Assam shops and Establishment (Amendment Bill, 2026 ) সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া** কাৰ্য্যসূচীমতে চাপ্লিমেন্টৰী কাৰ্য্যসূচী নং -১ মাননীয়া মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে –The Assam Tourism Development and registration amendment Bill 2026 বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰীমতী অজন্তা নেওগ**, **মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Tourism Development and registration amendment Bill 2026 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো৷

**মাননীয় অধ্যক্ষ** ঃ বিধেয়ক খন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? '' যি সকল সপক্ষে আছে কওক 'হয়' , যিসকল বিপক্ষে আছে কওক ' নহয়', মই ভাৰো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ**, **মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Tourism Development and registration amendment Bill 2026 সদনত উত্থাপন কৰিলো৷

**মাননীয় অধ্যক্ষ ঃ চাপ্লিমেন্টৰী** কাৰ্য্যসূচী নং-২ মাননীয় মন্ত্ৰী , বিমল বৰা ডাঙৰীয়াই –The Assam Jan vishwas (Amendment of Provisions) Bill , 2026 বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী বিমল বড়া, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠানঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই, "The Assam Jan Vishwas (Amendment of Provisions) Bill, 2026" খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ :** এতিয়া Supplementary কাৰ্য্যসূচী নং ৩। মাননীয় মন্ত্ৰী শ্ৰী বিমল বড়া ডাঙৰীয়াই " The Assam Ease of Doing Business (Amendment) Bill, 2026" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী বিমল বড়া, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠানঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Ease of Doing Business (Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ :** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?
যি সকলে সপক্ষে আছে কওক 'হয়'
যি সকলে বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া মাননীয় মন্ত্ৰী গৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী বিমল বড়া, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠানঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই, "The Assam Ease of Doing Business (Amendment) Bill, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ :** এতিয়া Supplementary কাৰ্য্যসূচী নং ৪। মাননীয় মন্ত্ৰী শ্ৰী কৌশিক ৰায় ডাঙৰীয়াই, "Guwahati Satellite City Development Authority Bill, 2026" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী কৌশিক ৰায়, ( মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা )**ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Guwahati Satellite City Development Authority Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?
যি সকলে সপক্ষে আছে কওক 'হয়'
যি সকলে বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া মাননীয় মন্ত্ৰী শ্ৰী কৌশিক ৰায় ডাঙৰীয়াই বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী কৌশিক ৰায়, ( মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা )**ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Guwahati Satellite City Development Authority Bill, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** The House is Adjourned till 9.30 AM on 10-07-2026.

(সদন দিনৰ ১২.২৩ বজাত সমাপ্ত হয়)